# Centre for Studies in Social Sciences, Calcutta

**Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006**

| | |
|---|---|
| Record No: 2006/165 | Language of work: Assamese |
| Author (s) / Editor (s): Lakshinath Bezbaruah | |
| Title: বাঁহী | |
| Transliterated Title: Baā̃hai | |
| Translated Title: | |
| Place of Publication: Kolkata (Calcutta) | Publisher: Editor. |
| Year: 1913, 14, 15, 16, 17, | Edition: |
| Size: 21 cms | Genre: Magazine |
| Volumes: IV, V, VI, VII, VIII | Condition of the original: Brittle. |
| Remarks: . 1st 2 volumes reprinted in the year 1999. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

৬৩

৮৮০ বর্ষ তৃতীয় সংখ্যা

# সূচী


| বিষয় - | পৃষ্ঠা |
|---|---|
| সম্পাদকের চরা | ১১৭ |
| আনন্দ বাজার | ১২৫ |
| ভক্তিপথ | ১৩৮ |
| দেশ আরু ধর্ম্ম | ১৪০ |
| তেতিয়া আরু এতিয়া | ১৪৫ |
| অসমীয়া আরু গ্রামোফন | ১৫৪ |
| গরীয়া গোঁসাই | ১৫৫ |
| ইসলাম-সোপান | ১৫৬ |
| প্রীতি কথা | ১৫৯ |
| ইনুকী | ১৬৩ |


৫/৭

## সম্পাদকৰ চৰা।

আৰ্য্যজাতিৰ ধৰ্ম্মভাবৰ উন্মেষৰ প্ৰথম বুৰঞ্জী ঋকবেদ।* আৰ্য্যজাতিৰ ঘিটো ঠাল সুমেৰু প্ৰদেশ বা ইলাবৰ্ত্ত এৰি ভাৰতবৰ্ষত সোমাইছিল, তেওঁলোকৰ দেৱতাসকলৰ স্তৱ স্তোত্ৰ গানবোৰৰ কিছুমান শীতপ্ৰধান ইলাবৰ্ত্ততে ৰচিত হৈছিল। সেই স্তোত্ৰবিলাক আৰু পিছত পঞ্চনদ প্ৰদেশত ৰচিত হোৱা স্তোত্ৰবিলাকো অলিখিত অৱস্থাত অনেক কাল তেওঁলোকৰ মুখে মুখে চলি আছিল। বাপেকইতে পুতেকইতক মুখে মুখে বৰ সাৱধানেৰে সেইবোৰ গাবলৈ শিকাইছিল; আৰু কিছুমান স্তোত্ৰ কেতিয়াও নেপাহৰবাকৈ পুৰুষানুক্ৰমে শ শ বছৰ চলি আহিছিল। সেইবোৰ শুনি মনত ৰখা হৈছিল দেখি তাক শ্ৰুতি বোলা হৈছিল আৰু প্ৰাচীন কালৰ জ্ঞান দেখি বেদ বোলা হৈছিল।

* * *

ভাৰতবৰ্ষলৈ আহি হিন্দু আৰ্য্যবিলাকে পঞ্জাবৰ নৈবোৰৰ দাঁতিত ভালেমান কাল উজ্জ্বভাৱে সুখেৰে কাল কটাইছিল। তেওঁলোকে দেৱ নামৰ উজ্জ্বল মিত্ৰ দেৱতাসকলৰ পূজা-অৰ্চ্চা কৰিছিল। দেৱ শব্দৰ অৰ্থ জ্যোতিৰ্ম্ময়। ভাৰতবৰ্ষলৈ অহাৰ আগেয়ে তেওঁলোক উত্তৰ ফালে চেঁচা দেশত আছিল, সেইদেখি তেওঁলোকৰ জাৰ গুচাবলৈ আৰু খোৱা বস্তু বান্ধিবলৈ জুইৰ আৱশ্যক হৈছিল; সেই নিমিত্তে তেওঁলোকে জুই-দেৱতা অগ্নিৰ স্তৱ কৰিছিল। কিন্তু যেতিয়া তেওঁলোকে পঞ্জাবলৈ আহি দেখিলে যে তেওঁলোকৰ শস্য উৎপনৰ নিমিত্তে বৰষুণ বৰ লাগতিয়াল, তেতিয়া তেওঁলোকে আকাশী-দেৱতা ইন্দ্ৰৰ পূজা আৰু স্তৱ কৰিবলৈ ধৰিলে। তেওঁলোকে ভাবিছিল যে মৃত্যুৰ পিছত তেওঁলোকৰ আত্মা ৰতাহৰ মাজেদি ওপৰলৈ উঠি পিতৃপুৰিলৈ যায়; সেই পুৰিৰ ৰজা যম, যি তেওঁলোকৰ পাপ

---

* এই সিদ্ধান্ত আজিকালি কোনো ভাৰতীয় পণ্ডিতে ভুল বোলে, তেওঁলোকে কয় সামবেদহে প্ৰথম।

পুণ্যৰ বিচাৰ কৰে। এইদেখি তেওঁলোকে যমৰ স্তুতি স্তোত্র গাইছিল। তেওঁলোকৰ মূৰৰ ওপৰতত থকা আকাশৰ দেৱতা বৰুণক, পৃথিৱীত পোহৰ দিওতা সূৰ্য্যক, সকলো ঠাইত বলি থকা বতাহক, দিনক আগ বঢ়াই আনোতা হেঙুলীয়া উষাক তেওঁবিলাকে স্তৱ স্তুতি কৰিছিল।

• • •

ঋকবেদ মানে স্তুতি-বেদ। পৃথিৱীৰ ভিতৰত ঋকবেদেই অতি পুৰণি পুথি। তাৰ ভিতৰত ১০২৮ টা স্তৱ আছে; আৰু সেইবোৰ ইন্দ্ৰ, অগ্নি প্ৰমুখ্যে দেৱতাসকলৰ স্তুতিগান। ইয়াৰ অনেক কালৰ পিছত ঋকবেদৰ শ্লোকবিলাক লিখিত অৱস্থালৈ অনা হয়। যজু অৰু সাম এই দুখন বেদ ঋকবেদৰ অনেক কালৰ পিছত ৰচিত হয়। ঋকবেদ আৰ্য্যবিলাকৰ ধৰ্ম্ম শাস্ত্ৰ। সেই অতীত কালত আৰ্য্যবিলাকৰ ভিতৰত পুৰোহিত নাছিল, আৰু দেৱতাৰ আগত জীয়া জন্তু বলি দিয়া প্ৰথাও নাছিল। মাথোন ধান চাউল যৱ গেহু আদি শস্য আৰু সোমৰসেৰেই তেওঁলোকে তেতিয়া তেওঁলোকৰ উপাস্য দেৱতাৰ পূজা কৰিছিল। ইয়াৰ পিছত কাল-ক্ৰমত আৰ্য্যবিলাক ভাৰতবৰ্ষৰ উত্তৰ ভাগত বিয়াপি পৰি সেই ঠাইবোৰৰ আদিবাসী মানুহবিলাকেৰে সৈতে সংঘৰ্ষণলৈ আহিলত তেওঁবিলাকৰ ধৰ্ম্মৰ গঢ় লাহে লাহে লৰিবলৈ ধৰিলে। তেতিয়া ভাৰতবৰ্ষৰ ভিতৰৰ অনাৰ্য্য, আৰু বাহিৰৰো অনাৰ্য্যসকলৰ (যেনে, মিছৰ, বেবিলন, নিনেভ আদি দেশৰ) সম্পৰ্কত পৰি আৰু খুব সম্ভৱত সেইবোৰ দেখি, আৰ্য্যবিলাকৰ ভিতৰতো বলি কাটি দেৱতাক পূজা দিয়াৰ নিয়ম প্ৰচলিত হল; কাৰণ অনাৰ্য্য আৰু যাহকৈ চেমিটিক জাতিৰ ভিতৰত পশু বলি দিয়া নিয়মৰ বৰ প্ৰদুৰ্ভাৱ আছিল। বেবিলনৰ ৰাণী শেমিৰণীয়ে অতীত কালত আৰ্য্য ভাৰত আক্ৰমণ কৰা সেই দেশৰ পুৰণি বুৰঞ্জীত আছে। যি হওক, বলি প্ৰথা প্ৰচলিত হলত, সেই বলিৰ ব্যৱস্থা আদি কৰিবলৈ এশ্ৰেণীৰ মানুহ লগা হল; ফলত পুৰোহিত শ্ৰেণীৰ সৃষ্টি। এই ভোগৰ কালতে যজু আৰু সাম নামে আৰু দুখন বেদ ৰচিত হল।

• • •

যজ্ঞ শব্দৰ অৰ্থ পূজা, বলি যজুৰ্ব্বেদৰ এভাগত ঋকবেদৰ প্ৰাৰ্থনা



অৰ্থাৎ স্তুতিৰ শ্লোকবোৰ আছে; সেইবোৰ একশ্ৰেণীৰ পুৰোহিতে দেৱতাৰ আগত বলি দি পূজা কৰোতে গায়। আৰু এভাগত বলি দিবৰ নিয়ম প্ৰণালী, যাগ যজ্ঞৰ বিধি বিধান আছে। যজুৰ্ব্বেদক আৰ্য্যহিন্দুৰ প্ৰাৰ্থনা শাস্ত্ৰ বুলিব পাৰি। সামবেদত ঋকবেদৰ স্তোত্ৰৰ শ্লোক কিছুমান আছে; সেই স্তোত্ৰবোৰ আন এক শ্ৰেণীৰ পুৰোহিতে, দেৱতাৰ উদ্দেশে বলি নৈবিদ্য দি কৰা পূজাৰ সময়ত গান কৰে। সামবেদক আৰ্য্যবিলাকৰ স্তৱ-শাস্ত্ৰ বা ধৰ্ম্মসঙ্গীত শাস্ত্ৰ বুলিব পাৰি। গীতাত ভগৱানে বিভূতিযোগাধ্যায়ত "বেদৰ ভিতৰত মই সামবেদ" বুলি কৈছে। এই কথাৰ দ্বাৰাই সামবেদৰ উৎকৃষ্টতা আৰু বিশিষ্টতা সূচীত হৈছে। এই তিনিখন বেদ ৰচিত হোৱাৰ ভালেমান কালৰ পিছতহে চতুৰ্থখন বেদ অৰ্থাৎ অথৰ্ব্ববেদ ৰচিত হয়। কোনো কোনো পণ্ডিতে গীতা ৰচিত হোৱাৰ পিছতহে অথৰ্ব্ববেদ ৰচিত হৈছিল বুলি কয়। ইয়াৰ কাৰণ, গীতাৰ অনেক ঠাইত তিনিখন বেদৰহে উল্লেখ আছে, চতুৰ্থ অথৰ্ব্ববেদৰ উল্লেখ নাই। অথৰ্ব্ববেদত যাদুবিদ্যা, ভৈষজ্য প্ৰভৃতি অনেক বিষয় আছে, যিবোৰ যাজ্ঞিক ক্ৰিয়াকৰ্ম্মৰ উপযোগী নহয়। কৰ্ম্মকাণ্ডত ব্যৱহাৰৰ যোগ্য বিষয় অথৰ্ব্ববেদত খুব কমহে আছে। এই নিমিত্তে শ্ৰৌত গ্ৰন্থবোৰৰ ভিতৰত অথৰ্ব্ববেদৰ কোনো মাহাত্ম্য নাই। ঋগ্বেদৰ ব্ৰাহ্মণত অথৰ্ব্ববেদৰ কোনো উল্লেখ নাই। শতপথ ব্ৰাহ্মণতো বেদক ত্ৰয়ীবিদ্যা বুলিহে কৈছে। বৌদ্ধযুগতো ঋক যজু সাম এই তিনিখন বেদহে ত্ৰয়ীবিদ্যা ৰূপে জনাজাত আছিল। কৌশীতকী ব্ৰাহ্মণত, ছান্দোগ্য উপনিষদতো অথৰ্ব্ববেদৰ উল্লেখ নাই। আন কি, অমৰকোষতো অথৰ্ব্ববেদক বেদৰ ভিতৰত ধৰা নাই,—"ঋক্ সাম যজুষী—ইতি বেদাস্ত্ৰয় স্ত্ৰয়ী"—( অমৰকোষৰ স্বৰ্গবৰ্গ )। মহাভাৰত আৰু পৌৰাণিক যুগতহে অথৰ্ব্ববেদৰ প্ৰতিপত্তিৰ গম পোৱা যায়। এতিয়াও দাক্ষিণাত্যৰ অনেক অগ্ৰগণ্য পণ্ডিত ব্ৰাহ্মণে অথৰ্ব্ববেদক বেদ বুলি গ্ৰহণ কৰিব নোখোজে।

• • •

কালক্ৰমত যাগ যজ্ঞৰ ধুম আৰ্য্যসকলৰ ভিতৰত বাঢ়ি গলত, চাৰিখন বেদেও তেওঁলোকক নোজোৰা হল। বামুণসকলে যাগ যজ্ঞৰ বিধি-বিধান-বিলাক নতুন নতুনকৈ কৰি বঢ়াবলৈ ধৰিলে। কোন পুৰোহিত, কোন

হোতাই, কোন আচাৰ্য্যই যজ্ঞৰ কি কি কাম কৰিব লাগে, সেইবোৰ বিধি-বিধান তেওঁলোকে ন-নকৈ বহলাই লিখি প্ৰত্যেক বেদতে সুমাবলৈ ধৰিলে। ঋকবেদৰ ব্ৰাহ্মণে, বৈদিক মন্ত্ৰ উচ্চাৰণ কৰোঁতা পুৰোহিতক কেনেকৈ তেওঁ সেই মন্ত্ৰ মাতিব লাগে তাক কৈ দিলে; সামগান কৰোঁতা পুৰোহিতে কেনেকৈ সামগান কৰিব লাগে, সামবেদৰ ব্ৰাহ্মণে তাৰ বিধান দিলে; যজ্ঞ কৰোঁতা পুৰোহিতে কেনেকৈ যজ্ঞ কৰিব লাগে, যজুৰ্ব্বেদৰ ব্ৰাহ্মণে তাৰ ব্যৱস্থা দিলে; অথৰ্ব্ববেদৰ ব্ৰাহ্মণে বেদৰ শ্লোকবিলাকৰ খোলোচাকৈ অৰ্থ কৰি দিলে। এইদৰে বেদত ব্ৰাহ্মণ ভাগৰ সৃষ্টি হল। এই ব্ৰাহ্মণবোৰৰ কিছুমানক আৰণ্যক বোলে। মানুহৰ বসতিৰপৰা আঁতৰ হৈ থকা অৰণ্য-বাসী ঋষিসকলৰ নিমিত্তে আৰণ্যকবিলাকত বিধি-বিধান লেখা আছে। আৰণ্যকবিলাক ঋক আৰু যজুৰ্ব্বেদৰ ভিতৰুৱা। সাম আৰু অথৰ্ব্ববেদত আৰণ্যক নাই। বেদ, ব্ৰাহ্মণ, আৰণ্যক, আৰু উপনিষদবিলাক শ্ৰুতিৰ অন্তৰ্গত।

• • •

বৈদিক ঋষিসকলে প্ৰাকৃতিক দেৱতাসকলৰ স্তৱ স্তুতি কৰি সূক্তাৱলী ৰচনা কৰিছিল। সূৰ্য্য, অগ্নি, বৰুণ, বায়ু, আকাশ আদিৰ মহান্ শক্তি দেখি সেইবোৰৰ প্ৰতি ভয়, ভক্তি, প্ৰশংসা, কৃতজ্ঞতা প্ৰকাশ কৰি প্ৰথমতে তেওঁ-লোকে স্তৱ স্তুতি ৰচনা কৰি গাইছিল। তাৰ পিছত যাগ যজ্ঞ বলি আদিৰে সেই সেই দেৱতাসকলৰ পূজাৰ ব্যৱস্থা হল। যজ্ঞ হোম বলি পূজাৰ ব্যৱস্থা প্ৰচলিত হলত পৌৰোহিত্যৰ প্ৰভাৱ প্ৰসাৰ অনিবাৰ্য্য হৈ উঠিল। বৈদিক সূক্তবোৰ সঙ্কলিত হৈ ঋক, যজু, সাম, এই তিনি সংহিতাত বিভক্ত হলত, প্ৰথম কালৰ দেৱতাসকলক স্তুতি কৰোঁতে ঋকবেদৰ যি কবিত্বৰ উচ্ছ্বাস আছিল পিছত আৰু সি নাইকিয়া হল। তেতিয়া matter of fact বিষয় অৰ্থাৎ পুৰোহিতৰ ব্যৱসায় আহি তাত পৰিল। স্বাভাৱিক উচ্ছ্বাসক ধৰ্ম্মৰ দোকানদাৰসকলে ব্যৱসায়ত পৰিণত কৰিলে।

• • •

এনে সময়ত উপনিষদৰ আবিৰ্ভাৱ। চিন্তাশীল হিন্দুসকলক ব্ৰাহ্মণ নিহিত অশেষ বিধি-বিধানে আৰু পুৰোহিতবিলাকৰ যাগ-যজ্ঞৰ অসংখ্য



অনুষ্ঠান পদ্ধতিবোৰে আমনি লগাই পেলাইছিল। তেওঁবিলাকৰ মনত লাহে লাহে প্ৰশ্ন ওলাল যে এই বিশ্বসংসাৰৰ মূল কাৰণ কি? চন্দ্ৰ, সূৰ্য্য, বায়ু, বৰুণ, আকাশৰ শক্তিৰ মূলত কি? কোনে এইবোৰ দেৱতাক বা শক্তিক নিয়ম বান্ধি দি চলাইছে? আৰু মানুহ এই সংসাৰলৈ কৰপৰা আহিল, আৰু ইয়াৰ পিছত কলৈ যাব? গভীৰ চিন্তা কৰি কৰি তেওঁ-লোকে পালে গৈ যে এটাইবোৰ প্ৰাকৃতিক পদাৰ্থ আৰু শক্তিৰ গুৰিত এজন আছে, যি "ওঁ সপৰ্য্যগচ্ছুক্ৰমকায়মব্ৰণমস্নাবিৰং শুদ্ধমপাপবিদ্ধম। কবিৰ্ম্ম-নীষী পৰিভূঃ স্বয়ম্ভূৰ্যাথতথ্যতোঽৰ্থান্ ব্যদধাচ্ছাশ্বতীভ্যঃ সমাভ্যঃ। এতস্মা-জ্জায়তে প্ৰাণোমনঃ সৰ্ব্বেন্দ্ৰিয়াণি চ। খং বায়ুৰ্জ্যোতিৰাপঃ পৃথিবী বিশ্বস্য ধাৰিণী। ভয়াদস্যাগ্নিস্তপতি ভয়াত্তপতি সূৰ্য্যঃ। ভয়াদিন্দ্ৰশ্চ বায়ুশ্চ মৃত্যু-ধাৱতি পঞ্চমঃ।" অৰ্থাৎ সেইজন সৰ্ব্বব্যাপী, নিৰ্ম্মল, নিৰৱয়ৱ, শিৰা আৰু ব্ৰণৰহিত, শুদ্ধ অপাপবিদ্ধ; তেওঁ সৰ্ব্বদৰ্শী, মনৰ নিয়ন্তা, সকলোতকৈ শ্ৰেষ্ঠ আৰু স্বপ্ৰকাশ; তেওঁ সৰ্ব্বতিকাল প্ৰজাসকলক যথোপযুক্ত অৰ্থসকল বিধান কৰিছে। তেওঁৰপৰা প্ৰাণ, মন, আৰু সমুদায় ইন্দ্ৰিয় আৰু আকাশ, বায়ু, জ্যোতি, জল আৰু সকলোৰে আধাৰ এই পৃথিৱী উৎপন্ন হৈছে। তেওঁৰ ভয়ত অগ্নি প্ৰজ্জ্বলিত হৈছে সূৰ্য্যই উত্তাপ দিছে, মেঘে বাৰিবৰ্ষণ কৰিছে, বায়ু সঞ্চালিত হৈছে, আৰু মৃত্যু সঞ্চৰণ কৰিছে।—ইয়াকে যেতিয়া তেওঁ-লোকে বিচাৰি পালেগৈ, তেওঁলোকে কৃতজ্ঞ হৃদয়েৰে আঠুকাঢ়ি সেইজনক নমস্কাৰ কৰিলে,—"ওঁ যোদেৱোঽগ্নৌ যোঽপ্সু যোবিশ্বং ভুৱনমাবিৱেশ। যওষধিষু যোবনস্পতিষু তস্মৈ দেৱায় নমোনমঃ"। অৰ্থাৎ যি দেৱতা অগ্নিত, যি জলত, যি বিশ্বসংসাৰত প্ৰবিষ্ট হৈ আছে; যি ওষধিত, বনস্পতিত, সেই দেৱতাক আমি বাৰে বাৰে নমস্কাৰ কৰোঁ। উপনিষদৰ ঋষিসকলে দেখিলে যে বেদৰ সূৰ্য্য, চন্দ্ৰ, বায়ু, আকাশ আদি দেৱতাবিলাকৰো সৃষ্টিকৰ্ত্তা এজন মহাদেৱতা বা পৰমাত্মা আছে; জগতৰ সকলো বস্তু, সকলো প্ৰাণী সেই পৰমাত্মা পৰমপুৰুষজনৰপৰা উৎপত্তি হৈছে, আৰু সকলোবিলাক শেহত তেওঁতে লয় যাব। যেনেকৈ মহাসমুদ্ৰৰপৰা পানী ভাপ হৈ উৰি মেঘলৈ যায় আৰু তাৰপৰা বৰষুণৰ আকাৰেৰে পৃথিৱীত পৰি নৈ হৈ বৈ গৈ আকৌ সেই মহাসমুদ্ৰত পৰি লয় গৈ তাৰে এক অংশ হয়, সেই দৰে সকলোবিলাক

সেইজনৰপৰা আহে, আৰু উভতি গৈ তেওঁতে লয় গৈ তেওঁৰে অংশীভূত হয়। সেই পুৰুষজনৰ নাম তেওঁলোকে ব্ৰহ্ম বা ঈশ্বৰ ৰাখিলে।

• • •

ব্ৰহ্মৰ স্বৰূপ কেনে, তেওঁলোকে অনেক চিন্তা কৰি কলে—

"এতদ্বৈ তদক্ষৰং গাৰ্গি ব্ৰাহ্মণা অভিবদন্তি। অস্থূলমনণ্বহ্ৰস্বমদীৰ্ঘমলোহিতমস্নেহমচ্ছায়মতমোঽবায়্বনাকাশমসঙ্গমৰসমগন্ধমচক্ষুষ্কমশ্ৰোত্ৰমবাগমনোঽতেজস্কমপ্ৰাণমমুখমমাত্ৰম॥"—অৰ্থাৎ হে গাৰ্গি, ব্ৰাহ্মণে যাক অভিবাদন কৰে এনেজন অবিনাশী ব্ৰহ্ম, যি স্থূল নহয়, অণু নহয়, হ্ৰস্ব নহয়, দীৰ্ঘ নহয়; তেওঁ অলোহিত অৰ্থাৎ তেওঁত ৰক্তাদি কোনো বৰ্ণ নাই; অস্নেহ অৰ্থাৎ তেওঁ জলীয় বস্তু নহয়, তেওঁ অচ্ছায়, অতমঃ, অবায়ু, অনাকাশ, অসঙ্গ, অৰস, অগন্ধ, অচক্ষু, অকৰ্ণ, অবাক, মনোবিহীন, তেজোবিহীন, শাৰীৰিক প্ৰাণবিহীন, মুখবিহীন, কাৰো সৈতে তেওঁৰ উপমা নহয়। "যতো বাচোনিবৰ্ত্তন্তে অপ্ৰাপ্য মনসাসহ।" অৰ্থাৎ মনেৰে সৈতে বাক্যই যাক নাপাই নিবৃত্ত হয়। "এতস্য বা অক্ষৰস্য প্ৰশাসনে গাৰ্গি সূৰ্য্যাচন্দ্ৰমসৌ বিধৃতৌ তিষ্ঠতঃ। দ্যাবাপৃথিব্যৌ বিধৃতে তিষ্ঠতঃ॥" অৰ্থাৎ এই অক্ষৰ পুৰুষৰ শাসনত, হে গাৰ্গি, সূৰ্য্য চন্দ্ৰ বিধৃত হৈ স্থিতি কৰিছে; দ্যুলোক আৰু ভূলোক বিধৃত হৈ স্থিতি কৰিছে। "যদিদং কিঞ্চ জগৎ সৰ্ব্বং প্ৰাণ এজতি নিঃসৃতং। মহদ্ভয়ং বজ্ৰমুদ্যতং য এতদ্বিদুৰমৃতাস্তে ভবন্তি॥" অৰ্থাৎ এই প্ৰাণস্বৰূপ পৰমেশ্বৰৰ অধিষ্ঠান প্ৰযুক্ত তেওঁৰপৰা নিঃসৃত এই সমস্ত ব্ৰহ্মাণ্ড যথানিৰ্দ্দিষ্ট নিয়মে প্ৰবৰ্ত্তিত হৈ আছে। (তেওঁৰ প্ৰতিষ্ঠিত ধৰ্ম্মসেতু লঙ্ঘন কৰিব নোৱাৰাতে) তেওঁ উদ্যত বজ্ৰৰ নিচিনা মহাভয়ানক। যি এই পৰমেশ্বৰক জানে, সি অমৰ হৈ অক্ষৰ ব্ৰহ্মানন্দ উপভোগ কৰে। আমাৰ শঙ্কৰদেৱে কীৰ্ত্তনত কৈছে—

"যিটো ব্ৰহ্ম নোহে তৰ্ক গোচৰ।
নপাৱে বচনে মনে ওচৰ॥
নাহি উতপতি নাহি মৰণ।
সদায়ে প্ৰণামো তান চৰণ॥"

• • •



বেদৰ প্ৰাকৃতিক বহুদেৱতাৰ পূজাৰপৰা উপনিষদৰ এই এক ব্ৰহ্ম এক ঈশ্বৰ পূজালৈ অহাটো হিন্দু আৰ্য্যৰ চূড়ান্ত উন্নতি। বেদ জ্ঞানকাণ্ড আৰু কৰ্ম্মকাণ্ডেৰে সংগঠিত। উপনিষদেই জ্ঞানকাণ্ডৰ চৰম সীমা। সেইদেখি উপনিষদক বেদান্তও বোলে। উপনিষদো শ্ৰুতিৰ অন্তৰ্গত। উপনিষদ অনেক; আৰু এটাইবোৰ একে সময়ৰ ৰচনাও নহয়। আধুনিক অনেক গ্ৰন্থই উপনিষদ নাম জালকৈ লৈছে। আন কি, "আল্লোপনিষদ্" নামে এখন গ্ৰন্থইও এই শেহৰ শ্ৰেণীত ঠাই লৈছে। সেইদেখি উপনিষদ নাম থাকিলেই যে সি বেদৰ অন্তৰ্গত হল এনে নহয়। বৈদান্তিক আৰু অন্যান্য প্ৰাচীন মত প্ৰচাৰকসকলে উপনিষদ অৱলম্বন কৰি নিজৰ মত প্ৰতিপাদন কৰা দেখি, নতুন সম্প্ৰদায়ৰ অনেক গুৰুৱেও অনেক নতুন উপনিষদ প্ৰস্তুত কৰিলে। এনে উপনিষদৰ লেখ এনে সৰহ যে তাক ঠিক কৰা টান। চাজাহান বাদশ্যাহৰ পুতেক দাৰাই ৫০ খন উপনিষদ ফাৰ্চী ভাষালৈ অনুবাদ কৰাইছিল, আৰু ডুপেৰ নামে ফ্ৰেঞ্চ পণ্ডিত এজনে সেইবোৰ ফ্ৰেঞ্চ ভাষালৈ ভাঙ্গিছিল। ডাক্তৰ বেবৰে ২৩৮ খন উপনিষদৰ লেখ উলিয়াইছিল। আৰু এজনে ১৫৪ খন উলিয়াইছিল। মুঠতে উপনিষদবোৰ চাৰি শ্ৰেণীত বিভক্ত কৰিব পাৰি। আদিম উপনিষদবোৰ গদ্যত লিখা, কিন্তু সেই গদ্য আজকালিৰ সংস্কৃত গদ্যৰ নিচিনা নহয়, বেদৰ ব্ৰাহ্মণ গদ্যৰ নিচিনা। বৃহদাৰণ্যক, ছান্দোগ্য, তৈত্তিৰীয়, ঐতৰেয়, কৌষীতকী, এই শাৰীৰ। দ্বিতীয় শ্ৰেণীৰ উপনিষদবোৰ গদ্য-পদ্যত বিৰচিত। কঠোপনিষদ, কেনোপনিষদ আদি এই শ্ৰেণীৰ। তৃতীয় শ্ৰেণীৰ উপনিষদবোৰ আকৌ গদ্যলৈ উভতি গৈছে; এই গদ্য আধুনিক সংস্কৃতৰ গদ্যেৰে ৰচিত। মৈত্ৰায়ণী আদি উপনিষদ এই শ্ৰেণীৰ। চতুৰ্থ শ্ৰেণীৰ ভিতৰত যিবোৰ উপনিষদ ধৰা যায়, সেইবোৰক অথৰ্ব্ব উপনিষদ বোলে; সেইবোৰ গদ্য-পদ্যত বিৰচিত। প্ৰশ্ন, মুণ্ডক, মাণ্ডুক্য এই অথৰ্ব্বোপনিষদৰ ভিতৰৰ। বেদান্তাদি দৰ্শন শাস্ত্ৰত যেনে এটি নিৰ্দ্দিষ্ট মত অৱলম্বিত আৰু প্ৰতিপাদিত হৈছে, উপনিষদত তেনে নহয়। তাত অনেক সময়ত পৰস্পৰ বিৰুদ্ধ বা বিভিন্ন মত দেখা যায়। কোনো ঠাইত বা জীৱ ব্ৰহ্মৰ অভেদ ভাৱ, আকৌ কোনো ঠাইত বা সম্পূৰ্ণ স্বতন্ত্ৰ ভাৱ বৰ্ণিত হৈছে। যি হওক, উপনিষদৰ হিন্দু

ঋষিসকলে যে পৰমাৰ্থ চিন্তা বিষয়ত প্ৰগাঢ় জ্ঞান লাভ কৰিছিল, আৰু বিশ্বসংসাৰৰ সম্পূৰ্ণ কেন্দ্ৰাভিমুখী হৈছিল, তাৰ কোনো ভুল নাই।

বেদৰ সৰল বিশ্বাসে উপনিষদত পৰিপক্কতা লাভ কৰিলে। ইয়াৰ পিছত যুক্তি তৰ্কৰ যুগ আহিল; হিন্দু আৰ্য্যৰ তীক্ষ্ম বুদ্ধি বিকাশ আৰু প্ৰয়োগৰ সময় উপস্থিত হল। দাৰ্শনিক যুক্তি তৰ্ক, ন্যায়ৰ তীক্ষ্ম অস্ত্ৰ, ব্ৰহ্ম, ঈশ্বৰ, শক্তি, পুৰুষ, প্ৰকৃতি, সৃষ্টিতত্ত্ব ইত্যাদিত নিয়োজিত হল। ফলত ষড়দৰ্শনৰ উৎপত্তি। কপিলৰ সাংখ্যই প্ৰথম দৰ্শন। সাংখ্য জ্ঞানবাদী; উপনিষদো জ্ঞানবাদী; উপনিষদৰ বিক্ষিপ্ত জ্ঞানক আৰু ওপৰে ওপৰে দেখোতে বিৰোধী জ্ঞানচিন্তাক সংক্ষিপ্ত কৰি যুক্তি ধৰি জ্ঞানৰ বাটত যাওঁতে যাওঁতে সাংখ্য উপনিষদৰপৰা আঁতৰত পৰিল আৰু প্ৰকৃতি পুৰুষত ওলাই কৈৱল্য মুক্তিত শেষ কৰি নিৰীশ্বৰবাদত ওৰ হল গৈ। পাতঞ্জলৰো উনৈশ-বিশ সেয়ে ঘটিল। জৈমিনিৰ পূৰ্ব্বমীমাংসাই, জ্ঞানবাদী সাংখ্য আৰু উপনিষদে হেলেকলেক কৰা বেদৰ কৰ্ম্মকাণ্ডত মুক্তিৰ চোকা দিবলৈ ব্যগ্ৰ হল। শেহত উত্তৰ-মীমাংসা বা বেদান্তদৰ্শনে, সাংখ্য পাতঞ্জলে তৰ্কৰ ঘূৰ্ণীবায়ুৰে উৰাই দি গোলমাল কৰিব খোজা উপনিষদৰ ব্ৰহ্মবাদক যুক্তি তৰ্কৰ সুদৃঢ় ভেটিত স্থাপন কৰি, হিন্দুৰ আত্মতত্ত্ববাদ, ব্ৰহ্মবাদ, সৃষ্টিতত্ত্ববাদ আদি পৰমাৰ্থ চিন্তাক উন্নতিৰ অত্যুন্নত শিখৰত তুলিলে। কিন্তু তথাপি তাত সোণৰ কলচীটি দিবলৈ থাকি গল। সেই কলচীটি গুৰিতে উপনিষদৰ। সাংখ্য পাতঞ্জল বেদান্তদৰ্শনৰ বিৰোধ ভঞ্জন কৰি, সকলধৰ্ম্মৰ সমন্বয় কৰি ঈশ্বৰবাদৰ সূত্ৰেৰে তাক বান্ধি জ্ঞানযোগ, কৰ্ম্মযোগৰ অপূৰ্ব্ব অমূল্য সমলত ভক্তিযোগৰ মধু-মিশ্ৰিত কৰি সেই কলচীটিত ভৰাই, পৰমেশ্বৰত অব্যভিচাৰী একশৰণ ধৰ্ম্মৰ তাত বাখৰ পতাই, আৰ্য্যহিন্দুৰ অপূৰ্ব্ব ধৰ্ম্মৰ পৰমাৰ্থ চিন্তা-মন্দিৰৰ মূৰত শ্ৰীমদ্ভগবদ্গীতাই তাক স্থাপন কৰিলে। সেইদেখি পাশ্চাত্য প্ৰাচ্য দুইভাগ পৃথিৱীৰ প্ৰগাঢ় জ্ঞানীসকলে আজিও কয় যে, ভগবদ্গীতা ভাৰতৰ গৌৰৱ-স্তম্ভ। এই অপূৰ্ব্ব গ্ৰন্থ প্ৰত্যেক তত্ত্বদৰ্শীৰে আদৰৰ ধন। হিন্দু ধৰ্ম্মশাস্ত্ৰৰ ভিতৰত এনে এখন সৰ্ব্বতোমুখী ধৰ্ম্মগ্ৰন্থ আৰু দ্বিতীয় নাই। অকল হিন্দু ধৰ্ম্মশাস্ত্ৰ কিয়, জগতৰ যাবতীয় ধৰ্ম্মশাস্ত্ৰৰ ভিতৰত গীতাই নিঃসন্দেহে অতি ওখ আসন অধিকাৰ কৰি আছে।

• • •



এনে গীতাৰ সাৰ্ব্বজনীন ভক্তিধৰ্ম্ম, অব্যভিচাৰী একশৰণীয়া একনিষ্ঠ ধৰ্ম্ম আমাৰ মহাপুৰুষ শ্ৰীশঙ্কৰদেৱে আমাক দিলে আৰু তাত শ্ৰীমদ্ভাগৱতকে আদি কৰি অপূৰ্ব্ব পৰমাৰ্থ শাস্ত্ৰৰ ভক্তিৰসৰ অমিয়া মাধুৰী সানি। এনে শঙ্কৰদেৱৰ প্ৰচাৰিত ধৰ্ম্মক সাম্প্ৰদায়িক ধৰ্ম্ম বুলি কোনোকোনোৱে কয়! কি অজ্ঞানতা!!

• • •

কৰ্ম্ম ধৰ্ম্মৰূপ পদ্মৰ পাপৰি, জ্ঞান চক্ৰা, আৰু ভক্তি সেই পদ্মৰ মধু আৰু সৌৰভ। এই মধু এই সৌৰভেহে ঈশ্বৰৰ চৰণ পায় গৈ; কৰ্ম্মই নাপায়। "যতো বাচো নিবৰ্ত্তন্তে অপ্ৰাপ্য মনসা সহ" মন আৰু বাক্যই যাক নাপাই উভতি আহে, আমাৰ দোষযুক্ত অঙ্গহীন কৰ্ম্ম আৰু সীমাবদ্ধ ক্ষুদ্ৰ জ্ঞানে কেনেকৈ এনেজনৰ ওচৰ পাবগৈ? সেইদেখি বঙালী সাধকে গাইছে—

"অমৃত ধনে কেজানে বে কে জানে?
প্ৰখৰ বুদ্ধি নাপেয়ে আসে ফিৰে।
তুমি হে অকিঞ্চন গুৰু।
প্ৰেমদাতা আছেন ক্ৰোড় প্ৰসাৰি,
যেজন যায় নাহি ফিৰে।"—ব্ৰহ্মসঙ্গীত।

কিন্তু "প্ৰখৰ বুদ্ধি" যাক নেপাই উভতি আহে, প্ৰেম আৰু ভক্তিয়ে, ক্লিষ্ট ক্লান্ত যাত্ৰীক তাত উলিয়াই দিয়েগৈ। জ্ঞানে প্ৰেম ভক্তিক অগ্ৰাহ্য কৰি সেই বাটে খোজ ললে, সেই "অমৃতধনক" যে নেপায়েই, বৰং সি নীৰস, দাম্ভিক আৰু অবিমৃষ্যকাৰী হৈ পৰে। ইয়াৰ উদাহৰণ বিচাৰি সাংখ্য পাতঞ্জলৰ ফালে চালেই হব; নৈয়ায়িক পণ্ডিত ব্ৰাহ্মণসকলৰ ফালে চালেই হব; আৰু প্ৰেম ভক্তিক দাবথি কৰি নৈলে অকল জ্ঞানক সমল কৰি লৈ জীৱনত আগ বঢ়া আজিকালি য়ুৰোপীয় দাৰ্শনিক আৰু জ্ঞানী পণ্ডিত-সকলৰ ফালে চালেই হব। অৱশ্যে ভক্তিকো যে জ্ঞানৰ সহায় নেলাগে এনে নহয়, কাৰণ, কোনো কোনো সময়ত সি অন্ধ হৈ অপাত্ৰত পৰিবৰ সম্ভৱ; কিন্তু তথাপি সেই সহায় যে একেবাৰেই নহলে ভক্তিৰ নচলে এনেও নহয়। ভক্তিয়েই জ্ঞান আনি দিয়ে, কিন্তু জ্ঞানে অনেক সময়ত ভক্তি

আনি দিব নোৱাৰা দেখা যায়। উদাহৰণস্বৰূপে চোৱাঁ,—কোনো এজনৰ প্ৰতি যদি মোৰ অচলা ভক্তি থাকে, তেন্তে মোৰ চকুৱে সেইজনৰ গুণ আৰু কাৰ্য্যবোৰ ভাল ভাৱে চাই থৈ থাকোঁতে থাকোঁতে তাৰ সকলো অংশ অবিকৃতভাৱে দেখি যাব। সেইদেখি সন্তানে পিতা মাতাক, স্ত্ৰীয়ে স্বামীক বা স্বামীয়ে স্ত্ৰীক বাহিৰৰ লোকতকৈ সৰহকৈ আৰু ভালেমান নিখুতকৈ জানে; প্ৰেম, Love আৰু Appreciation-অৰ অভাৱত বাহিৰৰ লোকৰ জ্ঞান সেইসকলৰ বিষয়ে অসম্পূৰ্ণ আৰু অনেক সময়ত বৰং বিকৃত থাকে। এইবাবে ভক্তিক পৰমহংস ৰামকৃষ্ণদেৱে তিৰুতামানুহেৰে সৈতে তুলনা কৰিছিল। তুমি যদি কাৰো ঘৰলৈ যোৱা, তেন্তে তুমি চৰাঘৰতে বহি সেই গৃহস্থৰে সৈতে কথাবাৰ্ত্তা কৈ গুচি আহিব লাগিব, সেই গৃহস্থৰ অন্তেষপুৰত তুমি সোমাব নোৱাৰা; কিন্তু তুমি যদি তোমাৰ গৃহিণীক লগত লৈ যোৱা, তেন্তে তেওঁ একেবাৰেই গৈ অন্তেষপুৰ পাব, সেই গৃহস্থৰ বিষয়ে তোমাৰ জ্ঞান তেতিয়া তোমাৰ গৃহিণীৰ সাহায্যত আৰু সম্পূৰ্ণ হব। অনেক সময়ত দেখিবা, তুমি কাৰবাক ভালকৈ জানা, অন্ততঃ জানো বুলি ভাবা, সেইজনৰ ভাল কাম ভাল গুণবিলাকো তুমি দিনে ৰাতিয়ে তোমাৰ চকুৰ আগতে দেখি তেওঁ যে বৰ ভাল বৰ গুণী পুৰুষ সেইটোও তুমি জানিছা বা জানা বুলি ভাবিছা; কিন্তু তথাপি তুমি তেওঁক হলে এনেই দেখিব নোৱাৰা; কিয় বে, তুমি কব নোৱাৰা, কিন্তু দেখিব হলে নোৱাৰা এইটো নিশ্চয়। ইয়াৰ কাৰণ কি কব পাৰা নে? কাৰণ,—তেওঁৰ বিষয়ে তোমাৰ জ্ঞান হৈছে, কিন্তু তেওঁৰ প্ৰতি তোমাৰ ভক্তি নাই; ফলত তুমি তেওঁক নেপালা। তোমাৰ অন্তৰৰ বস্তু প্ৰিয়তমা গৃহিণী ভক্তি তোমাৰ লগত নাই দেখি সেইজনৰ অন্তেষপুৰলৈ তুমি যাব নোৱাৰিলা। সেইদেখি গীতাত ভগৱানে কৈছে—

"তেষাং সততযুক্তানাং ভজতাং প্ৰীতিপূৰ্ব্বকং।
দদামি বুদ্ধিযোগং তং যেন মামুপযান্তিতে॥"

অৰ্থাৎ মোক যি তন্ময়চিত্ত হৈ প্ৰীতিপূৰ্ব্বক ভক্তি কৰে ভজনা কৰে, সেই ভক্তক মই বুদ্ধিযোগ অৰ্থাৎ জ্ঞান দিওঁ। অৱশ্যে জ্ঞান ভক্তি আৰু কৰ্ম্ম এই তিনিওটাৰ উৎকৰ্ষ সাধিত হৈ সকলো অৱয়ব সুসম্পন্ন হলে নিশ্চয়



অতি উত্তম কাৰ্য্য হয়। সেই বাবে গীতাই জ্ঞানযোগ আৰু কৰ্ম্মযোগেৰে সৈতে ভক্তিযোগৰ সমন্বয় কৰি তিনিওৰো মাহাত্ম্য দেখুৱাইছে,—

"মায্যাবেশ্য মনোযে মাং নিত্যযুক্ত উপাসতে।
শ্ৰদ্ধয়া পৰয়োপেতাস্তে মে যুক্ততমা মতাঃ॥

এইবাবে আমি গীতাত একালে জ্ঞান আৰু কৰ্ম্ম, আনভালে প্ৰেম আৰু ভক্তি দেখিবলৈ পাওঁ। যদিও এটাই কেইটাৰে উৎকৰ্ষতা গীতাই দেখুৱাইছে, তথাপি ভক্তিক গীতাই যে সকলোৰে ওপৰত বহুৱাইছে, দ-কৈ চালেই সি নিৰ্ভুলৰূপে চকুত পৰে। এই নিমিত্তে গীতাৰ জ্ঞানীলৈ ওখ আসন আছে নিশ্চয়, কিন্তু তেওঁৰ ভক্তৰ প্ৰতি ভক্তবৎসল ভগৱন্তৰ যে বিশেষ অনুগ্ৰহ আৰু প্ৰেমদৃষ্টি সেইটো স্পষ্ট। তেওঁ কৈছে—"জ্ঞানী আৰু কৰ্ম্মীতকৈ যোগীশ্ৰেষ্ঠ; কিন্তু যি মোক আন্তৰিক শ্ৰদ্ধাৰে সৈতে ভজনা কৰে, তেওঁই মোৰ মতে যোগিশ্ৰেষ্ঠ যুক্ততম।"——

"যোগিনামপি সৰ্ব্বেষাং মদ্গতেনান্তৰাত্মনা।
শ্ৰদ্ধাবান ভজতে যোমাং সমে যুক্ততমোমতঃ॥"

ভগৱন্ত তেওঁৰ ভক্তৰ প্ৰতি সদাই প্ৰসন্ন। তেওঁৰ ভক্তৰ বিনাশ নাই। ভক্তই তেওঁৰ প্ৰিয়তম ভগৱন্তক নেহেৰুৱায়, ভগৱন্তইও ভক্তক নেপাহৰে, সকলো অৱস্থাতে তেওঁ ভক্তৰ সঙ্গত থাকি ভক্তক ৰক্ষা কৰি থাকে।

"যোমাং পশ্যতি সৰ্ব্বত্ৰ সৰ্ব্বং চ ময়ি পশ্যতি।
তস্যাহং ন প্ৰণশ্যামি সচ মে ন প্ৰণশ্যতি॥"

মহাপুৰুষে ঘোষাত লিখিছে—

"ধেনু যেন মতে বৎসক পালয় এ।
তুমি সেহিমতে ভকতক পালা ৰাম॥

• • •

অৰ্জ্জুনৰ প্ৰতি প্ৰসন্ন হৈ শ্ৰীকৃষ্ণই তেওঁক নিজৰ বিশ্বৰূপ দেখুৱালে। অৰ্জ্জুনে সেই বিশ্বৰূপ দেখি স্তম্ভিত হৈ কৃতাঞ্জলি কৰি গদ্গদভাৱে ভগৱানক স্তুতি কৰাৰ পিছত, তুৰন্ত সন্তুষ্ট হৈ শ্ৰীকৃষ্ণই তেওঁক আশ্বাসকৈ সকলো কথাৰে সাৰ আৰু শেষ কথা কি কলে শুনা,—

"নাহং বেদৈর্নতপসা ন দানেন ন চেজ্যয়া।
শক্য এবম্বিধং দ্রষ্টুং দৃষ্টবানসি মাং যথা॥
ভক্ত্যা ত্বনন্যয়া শক্যোহহমেবম্বিধোঽর্জ্জুন।
জ্ঞাতু দ্রষ্টুং চ তত্ত্বেন প্রবেষ্টুঞ্চ পৰন্তপ॥
মৎকর্ম্মকৃন্মৎপৰমোমদ্ভক্তঃ সঙ্গবর্জিতঃ।
নির্বৈৰং সর্ব্বভূতেষু যঃ স মামেতি পাণ্ডৱ॥"

ইয়াৰ অৰ্থ—তুমি মোৰ যিৰূপ দেখিলা, বেদ তপস্যা দান যজ্ঞৰ দ্বাৰাইও কোনোৱে সেইৰূপ দেখিবলৈ নাপায়। হে অৰ্জ্জুন, অনন্যভক্তি যোগেৰেহে মোৰ এই বিশ্বৰূপ স্বৰূপাৰ্থত জানিব, দেখিব আৰু ইয়াত প্ৰবেশ কৰিব পাৰে। যি মোৰ প্ৰিয়কাৰ্য্য সাধন কৰে, যি মোৰ ভক্ত আৰু মোৰ প্ৰতি একান্ত অনুৰক্ত, যি আসক্তিৰহিত আৰু সৰ্ব্বভূতত নিৰ্ব্বৈৰ, সি হে মোক পায়। হে পাৰ্থ, সেই পৰমপুৰুষ, যাৰ মাজত এই ভূতসকল অৱস্থান কৰিছে, যি এই সমুদায় জগতত ব্যাপ্ত হৈ আছে, অনন্যভক্তিৰ দ্বাৰাই তেওঁক লাভ কৰা যায়।

"ভক্ত্যামামভিজানাতি যাবান্ যশ্চাস্মি তত্ত্বতঃ।
ততো মাং তত্ত্বতো জ্ঞাত্বা বিশতে তদনন্তৰম॥"

অৰ্থাৎ মই যে সৰ্ব্বচৰাচৰ ব্যাপি আছোঁ, ভক্তিযোগেৰে সেইটো জ্ঞানৰ গোচৰ হয়; আৰু ভকতে মোৰ স্বৰূপক জানি মোক পায়। আৰু সেই ভক্তি কেনে হব লাগে?—অব্যভিচাৰী ভক্তি হব লাগে তেহে—

"মাঞ্চ যোঽব্যভিচাৰেণ ভক্তিযোগেন সেৱতে।
সগুণান্ সমতীত্যৈতান ব্ৰহ্মভূয়ায় কল্পতে॥"

একশৰণ অব্যভীচাৰী ভক্তিয়েই গীতাৰ প্ৰধান ধৰ্ম্ম। এয়েই শঙ্কৰদেৱ মাধৱদেৱৰো প্ৰচালিত ধৰ্ম্ম। সেইদেখি গীতাৰ শেহ উপদেশ—

"সৰ্ব্বধৰ্ম্মাণ পৰিত্যজ্য মামেকং শৰণব্ৰজ।
অহত্বং সৰ্ব্বপাপেভ্যো মোক্ষয়িষ্যামি মাশুচঃ॥"

গীতাৰ সাৰ ভক্তিধৰ্ম্ম। গীতাৰ শেষ উপদেশ কৃষ্ণ ভগৱানত একশৰণ। মহাপুৰুষীয়া ধৰ্ম্মৰো সাৰ ভক্তিধৰ্ম্ম। ঘোষাই কয় "আনো যত সবে মিছা ভক্তিৰ অভাৱে, এ ভাৱক ভাই ভজ ভগৱন্ত ভক্তিভাৱে।" এই নিমিত্তে



মহাপুৰুষীয়া ধৰ্ম্মৰ বীজমন্ত্ৰৰ প্ৰথম স্থান ভক্তিৰ আধাৰ ভকত। সাকাৰ, নিৰাকাৰ, ওথ, চাপৰ, সকলো উপাসনাৰ প্ৰাণ ভক্তি। সাকাৰেই হওক বা নিৰাকাৰেই হওক সকলো উপাসনা সকলো ধৰ্ম্ম ভক্তি নহলে বিফল। ভগৱন্তত শৰণেই সকলো ধৰ্ম্মৰ অন্ত। সেইদেখি মহাপুৰুষীয়া ধৰ্ম্মৰ ওৰ ভগৱন্তত একশৰণ,—

"হে কৃষ্ণস্বামী, তযু পাবে আমি, কেৱলে শৰণ চাওঁ।
কৰা অনুগ্ৰহ, মায়াক নিগ্ৰহ, তেৱেসে প্ৰভু এৰাওঁ॥
মই দুৰাচাৰ, কেৱলে তোমাৰ, অপৰাধী নাৰায়ণ।
ক্ষমিয়োক হৰি, লৈয়ো দাসকৰি, পশিলোঁ তেৰা শৰণ॥"

—ঘোষা।

---

# "আনন্দ-বাজাৰ।"*

কৃষ্, হেন শব্দ ইটো পৃথিৱী বাচক ভৈল
ণ আনন্দত প্ৰবৰ্ত্তয়,
দুইৰ এক পদ ভৈল পৰমব্ৰহ্ম ৰূপ কৃষ্ণ
নাম আনন্দক মাত্ৰ কয়।

—নামঘোষা।

নাম আৰু ৰূপ লৈয়েতো জগৎ। বাহিৰৰপৰা দেখা স্থূল ভাগটো লৈ ৰূপ আৰু অতিৰিন্দ্ৰিয় সূক্ষ্ম ভাগটোৱেই নাম। মানুহ বুলিলে প্ৰথমে আকৃতিটোলৈ মনত পৰে তাৰ পিছত বুদ্ধিৰ সহায়েৰে আমি গুণবিলাক বিচাৰ কৰি আনৰপৰা মানুহক জাতিৰ কৰি লওঁ; ৰূপে আকৃতি আৰু নামে

* শ্ৰীশ্ৰীজগন্নাথক্ষেত্ৰত থাকোঁতে উক্ত ঠাইলৈ বৈ মনলৈ অহা ভাৱকেটাকে এতিয়া মাজপাৰ পিন্ধাই বৰণ সানি, আগতৰি চাই বাইজৰ আগলৈ উলিয়ালোঁ। ইয়াত বিশেষত্বও নাই, বিচিত্ৰতাও নাই। যিটো ভাৱৰ লহৰী খেলিছিল তাতো সাগৰৰ লুণীয়া পানীৰ চাট পৰিছিল, ওচৰতে সাগৰহে, নৈ নাই। ৰচনাও লুণীয়া আৰু অসমৰ আভাস দিবলৈ ঘোৱা কাৰণে পৰ্ব্বতৰ কাহকণী।

প্ৰকৃতি (Mind) বুজায়। আকৃতি সৌন্দৰ্য্যবিশিষ্ট আৰু প্ৰকৃতি আনন্দবিশিষ্ট। আমাৰ প্ৰকৃতি ভাল হলে সি নিজৰো মনত সুখ আনে, আনে প্ৰশংসা কৰে—"তেওঁৰ প্ৰকৃতি বৰ ভাল, বৰ অমায়িক।" কৃষ্ণৰ ৰূপটিয়ে হৰে মন; তাত আছে সৌন্দৰ্য্য— তেওঁ মদনমোহন। তেওঁৰ নামটি ললে হয় আনন্দ, কাৰণ তেওঁৰ গুণে হৰে হৃদয় বা প্ৰাণ—তেওঁ ৰাধিকা-হৃদয়ৰঞ্জন। ৰূপেৰে তেওঁ মনমোহন নামেৰে হৃদয়ৰঞ্জন সাধকে ৰূপ কৰে ধ্যান আৰু নাম কৰে জপ। সঁচাকৈয়ে আমি আমি হৈ আছোঁ কিছুমান গুণ লৈ তো। এই গুণৰ আন কথা নাম। আমাৰ মানুহে কয় "তেওঁ ৰূপে গুণে তমস্কাৰ।" শিৱৰ গুণ আছিল ত্যাগত; কাজেই তেওঁৰ নাম হল ত্যাগীশ্বৰ বা যোগেশ্বৰ। নামৰ মাহাত্ম্য ৰূপতকৈ বেছি কাৰণেই আমাৰ মানুহে কয় "ৰূপে কি কৰে, গুণে সংসাৰ তাৰে।" "নকবা দেও তেওঁৰ যিহে গুণ আছিল তেওঁৰ নাম লৈ আজিও কত মানুহ তৰিছে" বুলি কোৱা কথাৰ তাৎপৰ্য্য বোধ কৰেঁ। এতিয়া আৰু লুকাই নাই। এইদৰেই গুণ আৰু নাম একে কথা নামকৰণ গুণ অনুসাৰেই হৈ থাকে যেনে জলা কাৰণে জলকীয়া। যিহক ইয়াৰপৰা তালৈকে বুজা যায় যে ৰূপ হিচাপে কৃষ্ণ যি, নাম হিচাপে আনন্দও সেয়েই, অৰ্থাৎ কৃষ্ণ আনন্দস্বৰূপ। সেই আনন্দস্বৰূপৰ অভিব্যক্তি বা প্ৰকাশ কৃষ শব্দৰ প্ৰতিপাদিত পৃথিৱীত যাৰ স্থিতি ণত অৰ্থাৎ আনন্দত। এই যে আনন্দ বিভূষিত পৃথিৱী ই অব্যক্ত ঈশ্বৰ হাঁৰে বিভূতিৰ এটি কণিকা। যদি আনন্দানুভূতি হবৰ সম্ভৱ হয় তেন্তে সি নিশ্চয় এই পৃথিৱীৰ ভিতৰেদিয়েই হে হব। যিহেতু ইয়াত বৈচিত্ৰ বিদ্যমান। নতুবা পৰমব্ৰহ্ম পৰমব্ৰহ্ম হৈয়ে ৰব, অতল জলধিৰ তলত পৰি থকা ৰত্নৰাজীৰ দৰে। তাৰে সৌকাৰ্য্য হবৰ উপায় কত, যদিহে সাহসত ভিৰ দি তাক ওপৰলৈ আনিবলৈ কোনেও আয়োজন নকৰে। আচলতে তেওঁ (কৃষ্ণই) নিজকে যিমান লুকাবলৈ বিচাৰিছে আমাৰ চকুত ধূলি দি সিমান ওলাইহে পৰিছে ক্ৰমাৎ বাহিৰলৈ। তেওঁ ঐশ্বৰ্য্য বিভূতি যোগ কৰি তাৰে এইবাৰ লুকালেঁ৷ কিন্তু বাঘৰ নেগুৰৰ দৰে, লুকুৱা থাওক পৰি বেছিকৈ ধৰাহে পৰে। আহা! যপ্ কৰে তেওঁ আমাৰ আগত ওলাই পৰা হেঁতেন লুকাভুকি নেখেলি, আনন্দ থাকিলহেঁতেন কত? তেওঁ চিন্তামণি হৈ আমালৈ ভাল হে হৈছে। কৃষ্ণই পৰমব্ৰহ্ম ৰূপ লুকালেও তেওঁ দাৰুব্ৰহ্ম ৰূপ



লৈ ধৰা দিবলৈ বাধ্য যে। ধৰিব নোৱাৰাকৈ গোটেই ব্যাপক হৈ থকা পৰম ব্ৰহ্ম ভক্তি-হিম লাগি গোটমাৰিয়েই তো দাৰুব্ৰহ্ম! এই দাৰুব্ৰহ্ম ব্যৱহাৰিক হিচাপে পৰমব্ৰহ্মতকৈ বেছি লাগতিয়াল। আমাৰ চিনাকি দাৰুব্ৰহ্মৰ লগত বেছি। পৰমব্ৰহ্মক কেইজনে চিনিব পাৰে? এই দাৰুব্ৰহ্মৰ কৃষ্ণ বলোভদ্ৰ সুভদ্ৰা তিনিৰূপ প্ৰতিষ্ঠাতা প্ৰাতঃস্মৰণীয় পুৰুষশ্ৰেষ্ঠ ৰজা ইন্দ্ৰদ্যুম্ন।

ভক্তবীৰ ইন্দ্ৰদ্যুম্নই কিন্তু কৃষ্ণক কৃষ্ণ কৰি নেৰাখিলে আমাৰ সুচলৰ কাৰণে। তেওঁ কৃষ্ণক দেখিলে জগতৰ নিয়ামকৰূপে, কাজেই নাম দিলে জগন্নাথ। যোৱাত কৈছে—

> "কৰ্ম্ম অনুসাৰে ইতো জগতক
> পালন্ত হৰি সাক্ষাত
> এহি হেতুতেসে জগন্নাথ নাম
> আছয় হুয়া প্ৰখ্যাত।"

একমাত্ৰ হৰিয়েই কৰ্ম অনুসাৰে জগতক পৰিচালনা কৰি জগন্নাথ নাম পাইছে। হৰিয়ে যেতিয়া ভক্তৰ মন-প্ৰাণ হৰি নিয়ে কৃষ পদবাচ্য পৃথিৱী বা সন্দেহৰপৰা (পৃথিৱী তো সন্দেহৰে ভৰা) তেতিয়া ভক্তৰ অস্তিত্ব ণত আনন্দত নহব নে? স্থূলৰূপ এৰিব পাৰিলেই নামত মনস্থিৰ হবই। ৰূপতকৈ নামৰ চাঞ্চল্য কম; নাম যে অন্তৰৰ কথা। চাঞ্চল্য কম হলেই আনন্দ পাবৰ কথা। সংসাৰত চাঞ্চল্য বেছি—আজি এইটো, কালিলৈ সেইটো, তাত কি সুখ আছে—আনন্দৰ কথায়ে নাই!

এই যে জগন্নাথভাব ই কৃষ্ণভাৱৰপৰা বেলেগ নে? কৃষ্ণ আৰু জগন্নাথৰ ভিতৰত কিবা পাৰ্থক্য আছে নে? জগন্নাথ জগতৰ নিয়ামক বাবে তাত আনন্দ নাই নে? কৰ্ম্ম অনুসাৰে ফল দিয়ে বাবে তেওঁ দয়াময় নহব নে? দয়াত আনন্দৰ স্ফূৰ্ত্তি আৰু পুষ্টি সাধন নহয় নে? জগন্নাথ বাক বুলিছোঁ তেওঁতো কৃষ্ণৰে মূৰ্ত্তি। বিশেষ সৌন্দৰ্য্য হিচাপে কোমল নানা বৰণীয়া পাহী ৰেণু আদিবিশিষ্ট ফুল আৰু গছশিল লতা পাতেৰে-ভৰা পৰ্ব্বত একে নহয় নে? দয়া আৰু আনন্দ তেন্তে এটা ৰূপান্তৰ অৱস্থা মাত্ৰ। আমি পাৰ্থক্য দেখোঁ দয়া সম্বন্ধে অতি ভয়ানক ভুল ধাৰণা কৰি বহি আছোঁ কাৰণে আমি ভাবোঁ আমি হাত সাৰটি বহি থাকিলেও তেওঁ দয়াময়

কাৰণে হাতত ধৰি আমাক থুৱাই দিবহি;—যি কৰিলে আমাৰ সুখ হয় তাকে কৰি দি যাবহি। তেওঁ যেন আমাৰ বোপাকলীয়া চাকৰহে, আমাৰ ইচ্ছা মতেই সকলো কাম কৰি দিব। হায় আমি মুহুৰ্ত্তলৈ নেভাবোঁ যে আমি তেতিয়াও মনৰ দাসহৈ যেনি মনে নিছে গৈ আছোঁ! যথাৰ্থতে দয়াময়ে কাপুৰুষতা, নিৰ্জ্জীৱতা, বা নিষ্কৰ্ম্মীক প্ৰশ্ৰয় দিব নোৱাৰে বা নিদিয়ে। কৰ্ত্তব্য নকৰিলে, সৎ পথত থাকিব নোৱাৰিলে আমি কাপুৰুষ। কাপুৰুষক তেওঁ দয়া কৰিব কি? আহা, তেওঁৰ অতি কোমল প্ৰাণ! আমি অলপ সৎ কাম কৰিলেই তেওঁ দহগুণ বেছিকৈ তাৰ ফল দিয়ে। শ্ৰীশ্ৰীৰামকৃষ্ণদেৱে কৈছিল "আমি এখোজ তেওঁৰ ফালে গলে তেওঁ দহখোজ আগবাঢ়ি আহে।" আমি যদি সদায় বিমুখ হৈ থাকোঁ; অথচ ফল পাবৰ সময়ত যোল অনা পূৰা বিচাৰোঁ, সি কেনে কথা হব? সুবুদ্ধি আমি কণা বিধতা বোলোঁ। ইংৰাজীত আছে 'First deserve then desire'. যি যিহৰ অধিকাৰী তেওঁ তদ্ৰূপ ফল পাবই। ইনো কম দয়া নে? তেওঁ কৰ্ম্মফল দাতা কাৰণেই দয়াময়। মানুহ হৈ অযথা 'অনুগ্ৰহ' প্ৰাৰ্থনা কৰিম কিয়? তথাপি তেওঁ দয়া কৰে অলপতে। জগতৰ নাথৰূপে থাকি কৰ্ম্ম অনুসাৰে ফল দি তৃপ্ত কৰে।

ব্যৱহাৰিক হিচাপে আমি দেখোঁ জগন্নাথ দয়াময় আৰু কৃষ্ণ আনন্দময়। দয়াৰ পৰিণতি আনন্দত। এই আনন্দৰ অধিকাৰী কৰিবলৈকে জগন্নাথ নাম নিলে বা পাতিলে ইন্দ্ৰদ্যুম্নই। জগন্নাথে যেনে কাম তেনে দাম আমাক দিয়ে আৰু তাৰপৰা আমাৰ দুৰ্ব্বলতা আৰু ভ্ৰম আঁতৰ হয়। কিয়নো সংসাৰত হাত-বাত কৰি, ঠেকা-ঠুকনি খাই জোখমতে ফল লভি যি জ্ঞান জন্মিব তাৰ দ্বাৰাই ভ্ৰমপ্ৰমাদপূৰ্ণ সংস্কাৰবিলাক আঁতৰ হবলৈ বাধ্য। যদিহে বেয়া কাম কৰা সত্বেও দয়াময়ে দয়া কৰি ক্ষমা দিলেহেঁতেন তেন্তে জগৎ জগৎ হৈ থাকিব নোৱাৰে আৰু ঈশ্বৰো পৰম ন্যায় ফলদাতা পুৰুষ হব নোৱাৰিলেহেঁতেন। স্বেচ্ছাচাৰপূৰ্ণ হৈ জগৎখন ভীষণ হৈ পৰিলহেঁতেন। ঈশ্বৰেও তদ্ৰূপ যেনে মন যায় কৰি গলহেঁতেন। নিয়ম বা শৃঙ্খলা নহলে একো নচলে। নৰকতো শৃঙ্খলা আছে, পাপৰো Gradation আছে। যিহক, মুঠতে আমাৰ প্ৰাপ্যহে আমাক লাগে। অন্যায় অনুগ্ৰহ প্ৰাৰ্থনা কৰে ভক্তি



কাপুৰুষবিলাকহে। ভ্ৰম আঁতৰ হলেই, সপোন জ্ঞান গলেই আমি ভূমানন্দৰ অধিকাৰী হব পাৰিম। আনন্দৰ প্ৰধান অন্তৰায় সন্দেহ বা ভ্ৰম। মোৰ স্বৰূপৰপৰা মোক আঁতৰ কৰি ৰাখিছে সন্দেহে। সংসাৰত আমি কাকো বিশ্বাস নকৰোঁ, কৰিব নোৱাৰোঁ; কৰিলেই দুষ্ট দলে মোহাৰি সামৰি থব! ঘোৰ শত্ৰু সন্দেহ আঁতৰিব কেনেকৈ? সন্দেহ আঁতৰিবলৈ বাধ্য যদি চাক্ষুষ প্ৰমাণ দিব পাৰি। দয়াৰ প্ৰভাৱত যেতিয়া সন্দেহ আঁতৰ হব তেতিয়া জগতক কেনে দেখা যাব? মোহাচ্ছন্ন অৱস্থাত থাকি যেনে দেখা যায় তেনেই দেখা যাব নে? তেনেদৰেই ভৱিষ্য সম্বন্ধে সদায় সন্দিহান থাকি 'ছুলে, খালে যেন' দেখা যাব নে? মুখেৰে নাস্তিক, পেটে পুনৰ্জ্জন্মলৈ ভয় থকাৰ দৰে? জ্ঞান-চকু মুকলি হৈ তেতিয়া জগতৰ যথাৰ্থৰূপ দেখিব। দেখিব যে জগত আনন্দতে বৈ আছে তাকে কোলাত লৈ। আহা! জগন্নাথে ঘোৰ শত্ৰু সন্দেহ বা ভ্ৰম আঁতৰ কৰি আনন্দৰ অধিকাৰী কৰিবলৈ যি আয়োজন কৰিছে সেয়ে আনন্দবাজাৰ আৰু তাৰ মাহাত্ম্য।

পাৰ্থক্য বোধ লৈ আমি তৃপ্ত নহওঁ যদিচ ভাব হিচাপৰ পাৰ্থক্য সাৰ শূন্য। সম্মিলন ভূমি নেপালে, ভূমা নেপালে, পৰমম্ অৱস্থা নেপালে আমি নিশ্চিন্ত হব নোৱাৰোঁ—আমাৰ সন্দেহ থাকি যাব। সন্দেহ যত আছে তাত পতন অনিবাৰ্য্য। বিশ্বাসৰ মাহাত্ম্য সন্দেহৰ ওপৰত আধিপত্য স্থাপন কৰিয়েই। যিহক, আমি জানো যে যাৱতীয় দেৱ বিগ্ৰহবিলাক ভাবঘন-মূৰ্ত্তি। প্ৰত্যেক মূৰ্ত্তিত বিপৰীত ভাবৰ সমাবেশ দেখা যায়; যেনে ভাবে চাব সেই ভাবেকে তাত দেখিবলৈ পাব। কালী মূৰ্ত্তিত বৰাভয় ভাবো আছে সদ্যচ্ছিন্ন শিৰৰ খড়্গাধাৰিণী সংহাৰিণী ভাবো আছে। সম্মিলন ভূমি আছে কাৰণেই কালী প্ৰতিমা পূজাৰ্হা। শিৱৰ তামস ভাব। তেওঁৰ সংহৰণ মূৰ্ত্তি! অথচ সমুদ্ৰ মন্থনত যি ভয়ানক বিষ ওলাইছিল তাৰ ভাগ লৈ নীলকণ্ঠ নাম নহয় নে? তেওঁ বিষ নোখোৱাহেঁতেন জগত ধ্বংস নহৈ কি হলহেঁতেন। যদিও শিৱই সংহাৰে, তেওঁ তাৰেও। জগন্নাথ মূৰ্ত্তিতো তদ্ৰূপ দুই বিৰোধ ভাবৰ সন্নিবেশ আছে। এক হিচাপে তেওঁ পালনকৰ্ত্তা "বৃন্দাবনত বনে বনে ধেনু চৰাই" লৈ ফুৰে। আনফালে তেওঁ নিজে কৈছে :—

কালোঽস্মি লোকক্ষয়কৃৎ প্ৰবৃদ্ধো

লোকান্ সমাহৰ্ত্তুমিহ প্ৰবৃত্তঃ।

এই ৰূপ দেখিয়েই তো অৰ্জ্জুনে কাকুতিত গছৰ পাত সৰাইছিল অকৌ সৌম্যৰূপ ধৰিবলৈ। ইয়াৰপৰা বেছ বুজা গল যে জগন্নাথ মূৰ্ত্তিত যি ভাবৰ সমাবেশ আছে তাৰে দয়াভাব তেওঁৰ আচ্ছাদন মাত্ৰ। দয়াৰ যি পাত্ৰ তেওঁ আনন্দত বিভোৰ নহয় নে? তেওঁৰ মূৰ্ত্তিটি কৃষ্ণৰ আনন্দঘনৰ। কাজেই তেওঁ নামত দয়া কামত আনন্দ-বিধাতা! দয়াৰে যেতিয়া সন্দেহ বা ভ্ৰমৰ কলা আৱৰণ আঁতৰি যায় তেতিয়াই দেখা যায় আনন্দৰ বিমল জেউতি! জগন্নাথ দয়াৰ আধাৰ কিন্তু আনন্দৰ উৎস। সেই কাৰণেই তেওঁ দীন দয়াশীল হৈ অকিঞ্চন ভক্তৰ পূজা গ্ৰহণ কৰি যি প্ৰসাদ দিয়ে সেই প্ৰসাদৰে লীলাভূমি 'আনন্দবাজাৰ'! দয়াৰ পিছত যে আনন্দ আহিব তাত বিচিত্ৰতা কি? ইয়েগুণ্ডুৱেই কম বুজি এনে সুচল কৰি যোৱা নাই! দয়া নোপোৱাকৈ, জগন্নাথৰ শৰণাগত নোহোৱাকৈ আনন্দৰ অধিকাৰী কোন হব?

কৃষ্ণ যে আনন্দময় তেওঁৰ লীলাই তো তাৰ প্ৰধান সাক্ষী, ব্ৰজত শ্ৰীকৃষ্ণৰ যি খেলা সি অতি মধুৰ আনন্দদায়ক। ব্ৰজবালাসকলৰ লগত তেওঁৰ যি সম্বন্ধ সি পূত, স্বাৰ্থ-গন্ধহীন, অতি মহিমাময়! পাৰ্থিব সাধাৰণ চকুৰে চালে আমাৰ standard বা জোখ-কাঠিৰে জুখিলে যে তাত আমাৰ প্ৰতিকৃতিহে দেখিম তাত কিবা ভুল আছে নে? জানি শুনিয়েই শ্ৰীকৃষ্ণই কৈ গৈছে 'যে যথামাম্ প্ৰপদ্যন্তে তাং তথৈব ভজাম্যহম্'। তেন্তে আমি যদি ভালেই হওঁ বেয়া চকুৰে চাই বেয়া বোলোঁ কিয়? ভাল হৈ বেয়া দেখিবৰ অৰ্থ কি? বেয়া ভাললৈ অনা বা দেখাইটোহে জ্ঞানীৰ কাম। আচলতে অজ্ঞানী হৈ আনক সমালোচনা কৰা নিতান্ত অন্যায়। আৰু যথাৰ্থতে বেয়া হোৱা হলে ইমান দিন পবিত্ৰ হৈ কৃষ্ণৰ নামত পৰ্য্যন্ত মুক্তিৰ উপায় নহলহেঁতেন। আনৰ দৰে কৃষ্ণও এতেদিনে ভূত হলহেঁতেন। অপবিত্ৰ কথা জগতত থিতাপি হয় নে? সঁচাকৈয়ে সেই খেলা অতি ওখ ভাব-ভূমিৰ কথা। তাত ঘৃণনীয় কামৰ পুতিগন্ধ নাই, তাত শৰীৰৰ কোনো খবৰ নাই, তাত লিপ্ততা নাই। তাত আছে প্ৰেম, তাত আছে ভক্তিৰ অনুপমেয় ব্যাকুলতা! আহা, এনে অনুৰাগ যে পহি পুষ্ট আনকো হেলা কৰি ভগবৎ দৰ্শনৰ নিমিত্তে



পাগলিনী! যিহক, এই যে আনন্দ-নিজৰা এওঁক কিনিবলৈ পাই নে? বজাৰখন হল আনন্দৰ, তেন্তে কিনিবলৈ পোৱা যাবই। আহা যথাৰ্থতে কি কৃপা! কেনে সাধাৰণ ভাৱে আমাক ধৰা দিছে! অকল ধৰা দিয়েই থকা নাই, ঘৰে ঘৰে ঘুৰিছে যাচি "মোক কিনি ল," "মোক কিনিল" বুলি। দাম, —নাম। এবাৰ মাত্ৰ নাম ল আৰু যথেষ্ট। তেওঁ যে অমৃত, তেওঁক গাখীৰৰ দৰে বেচিবলৈ ঘৰে ঘৰে লৈ ফুৰিব লাগে নতুবা আদৰ কৰিব কোনে? শ্ৰীশঙ্কৰ, শ্ৰীচৈতন্যই ঘৰে ঘৰে নামামৃত বিলাই ফুৰিছিল, নিজে ধৰা দি নিজকে বেচি ফুৰিছিল! কত ঠাইত কত লাঞ্ছনা সহিও, প্ৰত্যাখ্যাত হৈও বিনা দামতে হৰিনাম বিলাই ফুৰিছিল! সি সেই ব্ৰজৰ প্ৰেমলীলাৰ অভিনয়ৰে এক অধ্যায়। সেই প্ৰেম, সেই নাম, সেই আনন্দ, মদৰ দৰে বস্তু নহয় যে এঠাইতে বহি বেচিলেই সকলোৰে কিনিব। তাক যাচি দিলেও নিনিয়ে, লব নোখোজে। মদ খালেই "আনন্দ"; কিন্তু অনুৰাগ নোহোৱাকৈ নাম "খালে" আনন্দ পোৱা টান। তালৈ হাড়ক মাটি, তেজক পানী কৰি নানান বাধা পাৰ হব পাৰিলেহে যাব পাৰি, আনন্দ পাব পাৰি।

মঙ্গলপ্ৰদ যি সিয়েই আনন্দ। মহাপ্ৰভুৰ মহাপ্ৰসাদ মঙ্গলপ্ৰদ। কিয়নো তাত ব্ৰহ্মবীজ বৰ্ত্তমান। ভক্তই এই ব্ৰহ্মবীজসম্পন্ন মহাপ্ৰসাদ অতি সন্তৰ্পণে গ্ৰহণ কৰে। সিবিলাকে ভাবে ই মন স্থিতপ্ৰজ্ঞ কৰে। মন স্থিতপ্ৰজ্ঞ অৰ্থাৎ স্থিৰ হলেই আত্মাৰাম তুষ্ট হয় বা তেতিয়াই সি আনন্দত ভাহে। ইয়াতেইতো মহাপ্ৰসাদৰ মাহাত্ম্য! সেই কাৰণেই ভাৰতৰ নানা ঠাইৰপৰা কত ভক্ত প্ৰসাদ প্ৰাৰ্থী হৈ আহে। প্ৰসাদে শৰীৰ মন দুয়োকে পবিত্ৰ কৰে। পবিত্ৰ যি কৰে সিয়েই মঙ্গলবিধায়ক নহয় নে? আমাৰ ভাল হলেতো ভাল লাগিবৰে কথা—বেয়াতহে বেয়া। এই পবিত্ৰকাৰী, মঙ্গলবিধাতৃ মহাপ্ৰসাদ যত পোৱা যায় সেয়ে আনন্দবাজাৰ।

মহাপ্ৰসাদৰ মাহাত্ম্য তেন্তে প্ৰসাদম্—শান্তিম্ দিয়ে কাৰণে। সদ্ ধাতুৰে নিষ্পন্ন প্ৰসাদ শব্দৰ অৰ্থও হৈছে যি সঙ্গ গতি কৰায়। ইন্দ্ৰিয়নিৰোধ কৰি প্ৰসাদে চিত্তপ্ৰসাদ জন্মালে সকলো ৰকম দুখৰ নাশ হয়। তেতিয়া বুদ্ধি আত্মাত প্ৰতিষ্ঠিত হয় আৰু সদায় "ৰসো বৈসঃ"ৰ আনন্দৰসত আপ্লুত হৈ থাকে। এই যে আনন্দ ইয়াৰ লগত শান্তিৰ কিবা পাৰ্থক্য আছে নে?

আনন্দৰ লগত শান্তিৰ সম্বন্ধ নির্ণয় কৰিব নোৱাৰিলেও এইটো ঠিক যে শান্তিত আনন্দৰ চাট আছে। মহাপ্ৰসাদৰ প্ৰয়োজনীয়তা ইয়াতকৈ আৰু কি হব লাগে? আমি ভাৱপ্ৰৱণতাৰ ( sentiments ) ভিতৰেদিও সামান্য কণিকা গ্ৰহণ কৰিলে সি যে অশেষ কল্যাণ সাধন কৰে ধ্ৰুৱ কথা।

আনন্দবাজাৰত যি আনন্দ বিক্ৰি হয় তাৰ কিবা মূল্য আছে নে? সি সঁচাকৈয়ে পাৰ্থিৱ মূল্য হিচাপত অমূল্য কিন্তু ভক্তিৰে কিনিব পাৰি। ভক্তিৰ ওচৰত সেই মুক্ত স্বভাৱাপন্ন আনন্দও বন্দী! ভক্তি নহলে আনন্দৰ ৰস পোৱা টান। ভক্তৰ চকুত যি আনন্দ অভক্তৰ চকুত সি ব্যভিচাৰ। আহা, সেই আনন্দৰ গাৰাকী যে যেয়ে সেয়ে হব পাৰে! তাত যে জাতকুল বিচাৰ নাই! যাৰে তাৰে লগত প্ৰসাদ লব পাৰি—তাত দোষ কি? যাৰ হৃদয়ত কিন্তু ভক্তি নাই তেওঁ দেখে যে তাত অপৰিষ্কাৰেৰে ভৰা। তেওঁ যাৰে তাৰে লগত খালে অপকাৰ হব বুলি ভয় কৰে। তেওঁ খাবলৈ নাৰাজ, বৈজ্ঞানিকৰ চকুৰে দেখা নানা কাৰণত। কিন্তু ভক্তই—ভমূৰাই ভমূৰাৰ লগ পাই আনন্দিত হোৱাদি, ভক্তৰ লগ পাই আনন্দত মতলীয়া হয় আৰু সামান্যমানো প্ৰসাদ ভক্তৰ লগত গ্ৰহণ কৰি ধন্য মানে। হায়, আজি পাশ্চাত্য শিক্ষাৰ ফল আমাৰ মাজত এনে ভাৱেই ব্যক্ত হৈছে! আহা! আনন্দ বজাৰত যে ৰজা-প্ৰজা নাই, ধনী-দুখীয়া নাই, মানী-অমানী নাই। তালৈ সকলো যাব পাৰে—তাত সকলোৰে সমান অধিকাৰ। কত ভক্তই আনন্দৰ (প্ৰসাদৰ) ভাগ লৈ আন আন ভক্তক সাদৰে আহ্বান কৰিছে। কত ভক্তই আনন্দত নাচি "জয় জগন্নাথ" ৰবে দিগ্বিদিক্‌ কঁপাই প্ৰতিধ্বনিত কৰি তুলিছে! মূঢ় মন চা, এই আনন্দধামৰ লগত তোৰ পোৱা সংসাৰ তুলনা কৰি! কি দেখিছ? বুজিছ নে তই কত আৰু কি কৰিছ? ইমানতো নুবুজিবিনে হায়!—

আনন্দ বজাৰ যে পুণ্যভূমি। তাত "নাইহে জৰা, নাইহে মৃত্যু, নাইহে তাত কোলাহল।" সি সকলোৰে সম্মিলন স্থল। তাত পিতৃ-মাতৃ, ভাই-বন্ধু, ইষ্ট-মিত্ৰ, গুৰু-শিষ্য মিল খায়। আনন্দ-কণিকা আদান প্ৰদান কৰি সকলো পৰস্পৰ ধন্য হয়। বিমল আনন্দ যে পৃথিৱীতো হয় তাক ভোগ কৰা জনে যেহে বুজিছে। মাকে পুতেকৰ মুখলৈ, পুতেকে মাকৰ মুখলৈ প্ৰসাদ তুলি দি কি অনুভৱ কৰে কোনে কব? আহা কি মনোহৰ দৃশ্য! যেতিয়া শিষ্যৰ কঁপি উঠা ("ভয়ত নহয় আনন্দত) হাতে সৌম্য, শান্ত, ধীৰ স্থিৰ গুৰুৰ শ্ৰীমুখলৈ মহাপ্ৰসাদ তুলি নি খুৱাই দিয়ে। মহাপ্ৰসাদ খুৱাই দি শিষ্য নিজে হয় কৃতাৰ্থ আৰু গুৰুও আনন্দত বিভোৰ হয়। সেই অবৰ্ণনীয় ছবি দেখা জনে, অন্তৰৰ ভাৱৰাশিৰ আভাস পাব পৰে—কথাৰে প্ৰকাশ কৰা অসম্ভৱ। মহাপ্ৰসাদ লৈ মুঠতে আনন্দ বজাৰত বিমল খেলাৰ ধুম! তাত চিন্তা নই, দুখ নাই, শোক নাই, আশঙ্কা নাই, বিপদ নাই,—আছে কেৱল আনন্দ আৰু তাৰ লীলাৰ অঙ্ক গৰ্ভাঙ্ক!—

আনন্দত অভাৱ নাই একেবাৰে; তাত ভাবো নাই, সি ভেদাভেদ বিবৰ্জ্জিত। আনন্দত আকৌ অভাৱ কিহৰ? অভাৱ হলে অসম্পূৰ্ণ থাকিলে আনন্দ হব কত? ভাবনো তাত অন্ত, তাত বিৰাম হয়। "নেতি নেতি বিৰমে যথায়" সেয়ে আনন্দস্থল! সেইহে তাত সকলো একে, সকলোৰে সমান অধিকাৰ! আনন্দ অধিকাৰী ৰাজৰাজেশ্বৰ—পৃথিৱীৰ নহয়, মনো-ৰাজ্যৰ মন তেওঁৰ দাস, দেশ কাল তেওঁৰ পাচনি, ষড়ৰিপু তেওঁৰ আলধৰা। কাজেই তেওঁৰ অভাৱ নেথাকে যেতিয়াই যি ইচ্ছা পায়। সংসাৰত কঙালৰ ঠাই নাই। ৰাজৰাণীৰ লৰা হৈ কঙাল কিহত? ভিখাৰী হওঁতো প্ৰেম—ভিখাৰী বা আনন্দ ভিখাৰী হম। তুচ্ছ পদাৰ্থ লৈ কৰিম কি?

পাঠক, তেন্তে খন্তেকলৈ সংসাৰৰ যাৱতীয় বন্ধন পাহৰি আনন্দ বজাৰলৈ যাওঁ আহক। সকলোৱে আঁচলত ভক্তি-ধন বান্ধি লওক—নতু তাত প্ৰবেশ নিষেধ। যত সংশয় আছে, যত সন্দেহ আছে তাত আনন্দ নেথাকে, আনন্দ অকুতোভয়। তাত একোৰে বন্ধন ভয় নাই, সি যেনে সুখ তেনে মুক্ত। আমিও শুদ্ধ বুদ্ধ মুক্ত হব লাগিব তেহে আনন্দ পাব পাৰিম। হৃদয়ৰ মলিনতা আঁতৰতে খেদায় দিয়ক, ধ্যানেৰে সংশয় ছেদ কৰক আনন্দ পোৱা যাব। আনন্দধামৰ পথিক নহৈ হব কিহৰ? বাকী সকলো যে কালৰ হাতত। কাল যদিচ থাকে শুই কিন্তু বৰ কৰ্ম্মশীল। প্ৰতি অনুপলে কৰিছে প্ৰাণ চুৰ! তেওঁক ফাঁকি দিয়া যাওক। পলমৰ সকাম নাই। ঘিণ, লাজ, মান, ভয়, জাত কুল, বংশমৰ্য্যাদা, অভিমান এইবিলাক এৰি দিয়ক। এই আঠোটা বান্ধোন বলেৰে ছিঙক। ইহঁত থাকে মানে আমি নিশ্চিন্ত হব

নোবাৰোঁ। একেটি নিজৰাবপৰা অহা, একেখনি সৰোবৰত ফুলা পদুমৰ বিভিন্নতা কত আছে? সকলোৰে জাত কুল মান সম্ভ্ৰম একে। ভেদভাব আনি বাঙ্কোন বাধে কিয়? ভূমানন্দ যদি লাগে, যদি পৰমানন্দৰ বস্তু পাবৰ আশা কৰে তেন্তে সকলো ত্যাগ কৰক মুক্তি কামনা পৰ্য্যন্ত। আনন্দ আনন্দ ভাবে বিচাৰক। কোনো স্বাৰ্থভাব অহং ভাব যেন নেথাকে। থাকিলে ঠগ খাব লাগিব, পায়ো নেপাম, দেখা দিও ফাঁট মাৰি পলাব। জগতখন যে সপোনৰ কোলাত। সপোনত বজা হৈয়ে বা লাভ কি? দিঠকলৈ মন মেলক। "উত্তিষ্ঠত, জাগ্ৰত প্ৰাপ্য বৰাণ নিবোধত" উঠক, সাৰ পাওক, প্ৰাপ্যৰ লাভ কৰক, তেহে দিঠক হব। দিঠকত মাছৰ দৰে ওভোতা পানীত যাব লাগে সপোনৰ সকলো এৰি। সপোনত যি কল্যাণকৰ দিঠকত সি তেনে নহয়—দিঠকত সি মহা অকল্যাণকৰ। অকল্যাণ ত্যাগ কৰি আনন্দ বজাৰলৈ যাওঁ আহক। অব্যবস্থিত বস্তু ধৰি লাভ কি? সন্তাত পোৱা বস্তু ভাল নে? সি স্থায়ী হয় নে? সি আমাকে আকৰ্ষণ কৰিব পাৰে নে? আনন্দই আমাক টানে, সি সাধনাৰ ধন! তাক এনেয়ে পোৱা নেযায় কিন্তু এবাৰ পালে সুখৰ দৰে অলপতে গুচি নেযায় সি থাকি যায় চিৰকাল। হাজাৰ হাজাৰ সুখ মিলিহে যদি আনন্দৰ কণিকা এটিবো ওচৰ চাপিব পাৰে। সেই কাৰণে কওঁ, মিছাতে সংসাৰত সুখ সুখ কৰি বিচাৰি লাভ কি? সুখ তো জগতত কোনেও পোৱা নাই। চকুৰ আগতে সদায় দেখা নাই কোনে—সাৰ হৈছে মাত্ৰ হাবাথুৰি খাই মৰাহে। সুখত সোঁত নাই, নতুনত্ব নাই, বিলৰ পানীৰ দৰে সদায় একে ঘোলা পানী। আনন্দ গভীৰ, গভীৰতৰ, স্থিৰ, শান্ত, নিৰ্ম্মল, তাত আবৰ্জ্জনা নাই। আহক এবাৰ তেন্তে আনন্দ বজাৰলৈ যাওঁ, দেখা যাওঁক তাত নো কি আছে? বহি থাকিবৰ সাধ্যতো কাৰো নায়েই যাবই লাগিব। অতদিন সুখৰ পূজা কৰি হতাশ হৈছোঁইক, এইবাৰ আনন্দপূজাৰী হওঁ আহক। দেখা যাওঁক তাতেই বা কি আছে। এপোনে নহয় এপোনে তো হব লাগিবই। মনৰ কপটতা এৰক। মন মুখ একে কৰক দেখিব তাত আনন্দ আছেনে নাই। মন এঠাইত মুখ এঠাইত কৰিলেই মায়া আহি মাজত সোমাই ভ্ৰষ্ট কৰিব। দুয়োকে একেলগ কৰিবৰ আয়োজনেই সাধনা আৰু আনন্দ বজাৰৰ লক্ষ্য!



দুয়ো একেলগ হলেহে আনন্দৰ বিমল জ্যোতি দেখি ঠিক ভাবে কব পাৰিব যে আনন্দটো এটা বিৰাট ব্যাপাৰ হলেও সৰ্বাট হৈ বিশ্বত আনন্দ অমৃতৰূপে প্ৰকাশিত হৈ আছে।

আৰু আনন্দ বাজাৰ! কত যুগৰ বেলেগ বেলেগ প্ৰভাৱ তোমাৰ ওপৰেদি পাৰ হৈ গল কিন্তু তুমি এতিয়াও আনন্দ বাজাৰ হৈয়ে আছা! জগতত কত পৰিবৰ্ত্তন হল, কতা তোমাৰচোন একো হোৱা নাই? তুমি অপৰিণামশীল নে কি? তাকেই তো, আনন্দৰ আকৌ পৰিণাম কি! সুখ দুখৰ অতীত ভূমিয়েই তো আনন্দ! সেই কাৰণেই তোমাত বিৰোধ ভাব নাই, তোমাত ভেদবুদ্ধি নেথাকে। তোমাত সকলোৰে সমান অধিকাৰ, সকলো একে! আহা, কেতিয়া তোমাৰ মাহাত্ম্য অনুভব কৰিব পাৰি হিয়াৰ পূৰ্ণ আবেগ শান্ত কৰি ধন্য হব পাৰিম? কেতিয়া অবিদ্যাজনিত মায়া ভেদ কৰি, জীৱজ্ঞান আঁতৰ কৰি, বাসনা কামনা বিসৰ্জ্জন দি আনন্দৰ অধিকাৰী হব পাৰিম? আহা কেতিয়া বুদ্ধদেৱৰ দৰে কব পাৰিম :—

বিশ্বময় আনন্দৰ বোল,<br>
জল, স্থল, আকাশ বতাহে<br>
মহানন্দে কৰিছে কীৰ্ত্তন<br>
জ্ঞান জ্যোতি উদিব ভৱত আজি।

• • • •

কত নই<br>
কোন মই পাহাৰিছোঁ ধীৰে;<br>
শৰীৰৰপৰা,<br>
ওলাই ব্যাপিছে প্ৰাণ<br>
গোটেই জগত, স্বৰ্গ পাতাল ভেদি!!

কেতিয়া জগতক নিজৰ প্ৰাণৰ প্ৰাণ কৰি লব পাৰিম? কেতিয়া সকলোতে প্ৰাণৰ স্ফুৰ্ত্তি দেখিম? কেতিয়া গোটেই চিন্ময় হৈ উঠিব, এই জড় ভাব, এই মৰা ভাব, যাব? কেতিয়া ৰূপকৃষ্ণ নাম কৃষ্ণত লয় যাব? জীৱনৰ দৰে মৰণ বাৰি আনিতো কেতিয়া আনন্দ দেখিবলৈ পাম আৰু আনন্দ সৰ্ব্বব্যাপী দেখি লাহে বলেৰে গাই যাম :—

আনন্দম্, পৰমানন্দম্, পৰিপূৰ্ণানন্দম্!!

"মৰাল"

# ভক্তিপথ।

ৰাম, কৃষ্ণ, হৰি ইত্যাদি ভগৱানৰ অশেষ নাম আমি বুঢ়া আৰু ধাৰ্ম্মিক সকলক সদায় উচ্চাৰণ কৰা শুনো। কোনো কোনোৱে বা কালী, দুৰ্গা, শিব এওঁবিলাকৰো নাম জপ কৰে; তাৰ লগে লগে নানা দেৱী দেৱতা আৰু গ্ৰহবোৰৰো পূজা হোম আদিও কৰে। তদুপৰি সাধু পুৰুষসকলৰ মুখত আৰু ধৰ্ম্মশাস্ত্ৰত এনে কথা শুনিবলৈ পাওঁ যে এই সংসাৰৰ ধন, বস্তু, লৰা, তিৰুতা সকলো মিছা মায়াৰ বন্ধন মাত্ৰ। এইবিলাক অনিত্য বস্তুত ভোল নগৈ একমাত্ৰ হৰিকহে ভজি জীৱৰ কল্যাণ চিন্তা কৰা উচিত। এইবিলাক কথাৰ মীমাংসা কৰা সহজ কথা নহয়। মনুষ্যই এই ভোগৰ সংসাৰক কেনেকৈ অসাৰ বুলি ভাবি ভোগ আৰু গৌৰৱক তুচ্ছ জ্ঞান কৰি মৰাৰ দৰে থাকিব? ই ঠিক কথা। এই কাৰণেই ব্ৰাহ্মণৰ নিমিত্তে শাস্ত্ৰত চাৰিটি আশ্ৰম নিৰ্ণয় কৰিছে। যথা—কৌমাৰ, গাৰ্হস্থ্য, বানপ্ৰস্থ আৰু সন্ন্যাস। ইয়াৰপৰা বুজিব পাৰি যে বেছি বয়সতহে যেতিয়া বিষয় সুখত মন স্বাভাবিকেই তৃপ্ত হোৱাৰ দৰে হব তেতিয়া ঈশ্বৰক এক মনে ভজা উচিত। ব্ৰাহ্মণৰ পক্ষে যি চাৰিটি আশ্ৰম আছে তদনুসাৰে ভক্তি-কামী অন্যান্য জাতিয়েও আচৰণ কৰিব পাৰে। আমি পৰম পিতাৰ পবিত্ৰ নাম হেলাতেই হওক বা শ্ৰদ্ধাপূৰ্ব্বক উচ্চাৰণ কৰিব পাৰিলেই আমাৰ অশেষ লাভ আছে। কলিযুগত নামেই পৰম ধৰ্ম্ম। নামাপৰাধ নোহোৱাকৈ শুদ্ধভাবে নাম লব পাৰিলে মনুষ্যৰ সকলো পাপ ক্ষয় হয়। প্ৰথমতে জীৱবোৰৰ নিজ নিজ কৰ্ত্তব্য কৰ্ম্ম কৰাই ধৰ্ম্ম। তেহে কৰ্ম্ম ক্ষয় হয় আৰু সম্পূৰ্ণ সিদ্ধি লাভ কৰিব পাৰি। "স্বে স্বে কৰ্ম্মণ্যভিৰতঃ সংসিদ্ধিং লভতে নৰঃ"। তাৰ পিছত বুদ্ধদেৱৰ মতে দহোটা মহাপাপ এৰাব লাগিব। দশ মহাপাপ এইবোৰ—যেনে জীৱহত্যা, চৌৰ্য্য, পৰদাৰ এই তিনিটি শাৰীৰিক পাপ; মিথ্যা, পৰনিন্দা, কটূক্তি, বৃথা বাক্যালাপ এই চাৰিটি বাচনিক পাপ; ঈৰ্ষ্যা, লোভ, সংশয়বাদ এই তিনিটি মানসিক পাপ। এই দশ মহাপাপ সাৱধানে বৰ্জ্জন কৰা উচিত। বিপদেই মানুহক ঈশ্বৰৰ অনুগ্ৰহৰ প্ৰাৰ্থী কৰে। ঐশ্বৰ্য্য, ৰূপ, পাণ্ডিত্য, আৰু উচ্চ বংশ এইবিলাকে যদি মনত অহঙ্কাৰ জন্মায় তেন্তে



সেইসকল ভগৱদ্ভক্তিৰ বিঘ্নিস্বৰূপ হৈ উঠে। যাৰ একোৰে নাই তেনে অকিঞ্চন ভক্তইহে ঈশ্বৰক সাক্ষাৎ পায়—যাক দেখা পালে জীৱৰ পুনৰ্জন্ম হব নোৱাৰে।

"বিপদঃ সন্তু নঃ শশ্বৎ তত্ৰ তত্ৰ জগদ্গুৰো।
ভবতো দৰ্শনং যৎ স্যাৎ অপুনৰ্ভৱ দৰ্শনম্॥
জন্মৈশ্বৰ্য্য শ্ৰুতঃ শ্ৰীভিৰেধ মান মদঃ পুমান্।
নৈবাৰ্হত্যভিধাতুং বৈ তামকিঞ্চন গোচৰম্॥
নমোঽকিঞ্চন বিত্তায় নিবৃত্ত গুণ বৃত্তয়ে।
আত্মাৰামায় শান্তায় কৈবল্য পতয়ে নমঃ॥"

এই বাবেই বুঢ়াবিলাকে অবিৰত সকলো ত্যাগ কৰি হৰিনাম জপ কৰা কৰ্ত্তব্য বুলি কয়। হৰি অগতিৰ বন্ধু, অগতিৰ গতি।

ৰাম, কৃষ্ণ, হৰি ইত্যাদি ঈশ্বৰৰ বহুত নাম আৰু অৱতাৰ আছে। তেওঁ পৃথিবীত ধৰ্ম্মৰ গ্লানি হোৱা দেখিলেই নানা অৱতাৰ ধৰি অনেক নাম গ্ৰহণ কৰিছে। তেওঁৰ একৈশটি অৱতাৰ বুলি লেখা আছে। তেওঁক যি নাম ধৰি বা যি কোনো মূৰ্ত্তিত চিন্তা কৰিলেই মনুষ্যৰ কল্যাণ হয়। গোটেই জগৎ নামৰূপ আৰু ঈশ্বৰ স্বৰূপ। তেওঁক সকলোৱে নিৰাকাৰ আৰু নিৰ্গুণ বুলি ভাবিবলৈ অসমৰ্থ। সেই বাবে তেওঁৰ সাকাৰ ৰূপৰ নাম ধৰি ভক্তি কৰা উচিত। দুৰ্গা, কালী, ব্ৰহ্মৰ লগত অভেদ। সেই দৰে হৰিহৰও অভেদাত্মা। অভেদ জ্ঞান কৰি এক ঈশ্বৰবাদী হৈ তেওঁক ভজিবৰ কাৰণে হিন্দু ধৰ্ম্মত শাক্ত বৈষ্ণৱ নানক প্ৰভৃতি নানা পন্থৰ ভক্তসকলে সাৰশেষত নদীবোৰৰ দৰে ব্ৰহ্মস্বৰূপ সমুদ্ৰক পাব পাৰিব। এতেকে আমি যি কোনো সম্প্ৰদায়ৰ ভক্ত জনক নিন্দা কৰা অনুচিত; যদি কৰোঁ সি এটি গুৰুতৰ নামাপৰাধ হব।

পূজা, হোম, ব্ৰত আদি বৈদিক কাৰ্য্যৰ অনুষ্ঠানো কৰাৰ বহু উপকাৰ আছে। তামসিক খাদ্য বা তামসিক ভাবযুক্ত মানুহৰ স্পৃষ্ট খাদ্যই যেনেকৈ মন কলুষিত কৰে সেই দৰে বৈদিক ক্ৰিয়াবিলাকে আমাৰ মনক পবিত্ৰ ভাবলৈ আনি পাপক খেদি দিয়ে। বিশেষত বাক্, পাণি, পায়ু, পাদ, উপস্থ এই পাচোটা কৰ্ম্মেন্দ্ৰিয়ক অসৎ বাটৰপৰা নিবৃত্ত ৰাখিবৰ বাবে

বাহিৰৰ পূজা আদিৰ প্ৰয়োজন। তেহে চিত্ত শুদ্ধ হৈ ঐশ্বৰিক প্ৰেমত মগ্ন হব পাৰি। আমাৰ ইন্দ্ৰিয়বিলাক দেহতকৈ প্ৰধান, মন ইন্দ্ৰিয়তকৈ প্ৰধান। এতেকে যি যি কাৰ্য্য কৰিলে ইন্দ্ৰিয়বিলাক সংযত হয়, মন পবিত্ৰ হয় আৰু 'তুল্যনিন্দাস্তুতিৰ্মৌনী সন্তুষ্টো যেন কেন চিৎ' ভাব মনত ওপজে সেই সেই কাৰ্য্যাই মনুষ্যক প্ৰকৃত মহাত্মা কৰি তোলে। 'কোঽন্যোঽস্তি সদৃশো ময়া' এনে ভাব মনত ঠাই পালেই আমাৰ অৱনতি ধ্ৰুব।

এই সংসাৰৰ সকলো বস্তু অনিত্য, কেৱল ঈশ্বৰেই একমাত্ৰ নিত্য বস্তু। পৰমাত্মাৰপৰা জীব জগৎ আৰু জড় জগতৰ সৃষ্টি হৈছে। আমাৰ জীবাত্মা পৰমাত্মাৰ অংশ বিশেষ। এইবাবেই আমাৰ আত্মাৰ প্ৰকৃত মৰণ নাই। কেৱল জীৰ্ণ দেহ পৰিবৰ্ত্তন কৰি নিজ নিজ কৰ্ম্ম অনুসাৰে আত্মাই সূক্ষ্মদেহ ধাৰণ কৰি নৰকাদি সূক্ষ্ম লোকৰ ভোগ সমাধা কৰি মনত তেতিয়াও যিবিলাক কৰ্ম্মৰ সংস্কাৰ অঙ্কিত থাকে তাৰে অনুৰূপ নতুন দেহ প্ৰাপ্ত হয়। শাস্ত্ৰই কয় যে চৌৰাশী লক্ষ বাৰ জীৱবিলাকে জন্মগ্ৰহণ কৰিহে শেষত মুক্তি পাব পাৰে। যদিও জীৱবিলাক সৰশেষত আপুনি মুক্ত হব পাৰিব তথাপি বুদ্ধিমান জনে যিমান সোনকালে পাৰি মৰি মৰি জন্ম ধৰাৰ কষ্ট এৰাবলৈ দিহা কৰে। মন আত্মাৰ এটি উপাধি বা বন্ধনস্বৰূপ। মুক্তি লাভৰ পিছত মনৰ আন কোনো বাঞ্ছা নাথাকে আৰু তেতিয়াহে মন নষ্ট হয়। কিন্তু আত্মা সদাই অমৰ বুলি আগতে কোৱা হৈছে। "ন জায়তে ম্ৰিয়তে বা কদাচিন্নায়ং ভূত্বা ভবিতা ন ভূয়ঃ, অজো নিত্যঃ শাশ্বতোঽয়ং পুৰাণো ন হন্যতে হন্যমানে শৰীৰে"। জীৱৰ মুক্তিৰ পিছতো ভক্তি লাভ কৰা কাম বাকি থাকে। ভক্তিৰ বাটত মুক্তি আপুনি আহি লগ লয়। এই বাবেই কোৱা হয় যে ভাগৱত, ভক্ত আৰু ভগৱান এই তিনিৰ কোনো প্ৰভেদ নাই।

সাংসাৰিক দুখ দূৰ কৰাৰ একমাত্ৰ উপায় ভগৱদ্ভক্তি। ভক্তজনে এই সংসাৰৰ সুখ দুখ একোকে কটাক্ষ নকৰি কেৱল ভগৱানৰ কৃপা পাবৰ অৰ্থে দীন হীনভাৱে ভবিষ্যতৰ কল্যাণ কামনাত পবিত্ৰ মনেৰে ঈশ্বৰৰ নাম জপ কৰে। ধৈৰ্য্য, বিনয় আৰু সাধুসঙ্গক আশ্ৰয় কৰি মনৰপৰা অহঙ্কাৰ খেদি দিব লাগিব। বৈৰাগ্য অৱলম্বন কৰিব পাৰিলে ভক্তিৰ বাট অনেক সুগম



হয়, কিন্তু তেনে কৰাটো সকলোৰে পক্ষে সহজ নহয়। বহুতে ভাবে যে সচ্চৰিত্ৰবান্ হৈ অবিৰত সৎকৰ্ম্ম কৰি থাকিব পাৰিলেই সিহঁতৰ মুক্তি হব। এই ভাবটি ঠিক নহয়। সচ্চৰিত্ৰ আৰু সৎকৰ্ম্ম ভক্তি মন্দিৰলৈ যোৱাৰ প্ৰথম খটখটি মাত্ৰ। কেৱল সৎকৰ্ম্মই মুক্তি দিব নোৱাৰে। ভক্তিৰপৰা ঈশ্বৰক পাবৰ হলে মেক্সমূলাৰে "Life and sayings of Ramkrisna" কিতাপত লেখিছে "How may we find our God? The angler anxious to hook a big and beautiful Rohita fish, waits calmly for hours together, having thrown the bait and the hook into the water, watching patiently until the bait is caught by the fish. Similarly the devotee who patiently goes on with his devotions is sure at last to fiind his God." অৰ্থাৎ যেনেকৈ বৰশী বোৱা মানুহে ডাঙৰ ৰৌমাছ ধৰিব খুজিলে বৰশীত টোপ গাঠি দি ধৈৰ্য্য ভাৱে বহুত সময় বাট চাই থাকিব লাগিব সেইদৰে ধৈৰ্য্য ধৰি যেয়ে ভগৱানৰ ভক্তি কৰি থাকিব সেয়েহে ভগৱানক সৰশেষত আপোন চকুৰে সাক্ষাৎ পাব পাৰিব। অৱশ্যে সাধুসঙ্গ আৰু সদ্গুৰুৰ উপদেশ নহলে কেচা গুৰুৰপৰা জীৱৰ মুক্তি হোৱা অসম্ভৱ।

জ্ঞানীবিলাকে যাক ব্ৰহ্ম বোলে, যোগীয়ে তাকেই আত্মা বুলি কয় আৰু ভক্তবিলাকে তাক ভগৱান বুলি কয়। ভক্তৰ নিমিত্তে অৰ্থাৎ ভক্তই তেওঁক যদি সাকাৰৰূপে পাবলৈ বাঞ্ছা কৰে তেনেহলে তেওঁ সাকাৰ ৰূপেই দেখা দিয়ে। জ্ঞানী বা বেদান্তবাদীবিলাকে এই জগতক স্বপ্নবৎ, আমিও মিছা, এই জগতো মিছা বুলি ভাবে। যদি মোৰ নিজৰ অস্তিত্বই মিছা তেন্তে ব্ৰহ্মৰ স্বৰূপ বিচাৰে কোনে? অনন্ত ঈশ্বৰক জানিবলৈ কাৰো সাধ্য নাই আৰু আৱশ্যকো নাই। বিশ্বাস আৰু ভক্তিৰ দ্বাৰাই তেওঁক এবাৰ পাব পাৰিলেই তেওঁৰ বিষয় জানিবৰ আৰু একো বাকি নাথাকে। ভগৱানৰ নামামৃতত মজি যাব পাৰিলেই আমাৰ সকলো কাৰ্য্য সিদ্ধি হয়। তেওঁৰ অনন্ত সৃষ্টি অনন্ত ঐশ্বৰ্য্যৰ খবৰ লোৱাৰ একো আৱশ্যক নাই। ব্ৰহ্ম এনে বস্তু যাৰ কথা কোনোৱে মুখেৰে কব নোৱাৰে। তেওঁক যি পায় সি উভতি আহি অন্যক খবৰ কব নোৱাৰে অৰ্থাৎ একেবাৰে ব্ৰহ্মময় হৈ ব্ৰহ্মতে লীন হয়।

এতেকে হে হৰি

"তব দাস্য সুখৈক সঙ্গিনাং
ভবনেষ্বস্তপি কীট জন্ম মে।
ইতৰাবসথেষু মাস্মভূৎ অপি
মে জন্ম চতুর্মুখাত্মনা" ॥

আৰু আপোনাক মই এইভাবে নমস্কাৰ কৰিছোঁ :—

"নমো নমো বাঙ্মনসাতি ভূময়ে
নমো নমো বাঙ্মনসৈক ভূময়ে।
নমো নমোঽনন্ত মহা বিভূতয়ে
নমো নমোঽনন্ত দয়ৈক সিন্ধবে" ॥

শ্ৰীলক্ষ্মীনাথ বৰা।

---

# দেশ আৰু ধৰ্ম্ম।

[ জ্ঞানেন্দ্ৰ ভাৰতী আৰু মনোৰাম। ]

মনোৰাম :—দেউ, সিদিনা আপোনাৰ মুখৰপৰা "অৱতাৰবাদ"ৰ কথাটি শুনিবৰেপৰা মনত এটা খকজা লাগিছে। আপুনি কয় যে অৱতাৰবাদৰ পৰা মানুহৰ ঈশ্বৰ প্ৰাপ্তি হয় বা মানুহে সুখে শান্তিয়ে জীৱন কটাব পাৰে। কোনটো অৱতাৰ নো মানিম? শ্ৰীকৃষ্ণ, বুদ্ধ, যিশু, মহম্মদ এইকেইজন পৃথিবীৰ ডাঙৰ অৱতাৰ। আকৌ কনফিউকিয়াচ, শ্ৰীশঙ্কৰ, শ্ৰীচৈতন্য, নানক, ৰামানুজ, লুথাৰ আদি খণ্ডাৱতাৰ অগণন। খ্ৰীষ্টান পাদ্ৰীয়ে কয় যে মানুহ হেজাৰ নিষ্পাপ আৰু ঈশ্বৰ ভক্ত হওক যিশুক পৰিত্ৰাণ কৰ্ত্তা আৰু ঈশ্বৰৰ একমাত্ৰ পুতেক বুলি তেওঁত আত্মসমৰ্পণ নকৰিলে তেওঁৰ কেতিয়াও মুক্তি নহয়। মুচলমান মোল্লাইয়ো মহম্মদক খোদাৰ ৰচুল বুলি ভাবি, চুন্নত নকৰা, ৰোজা নধৰা, আৰু নামাজ নপঢ়া বৰ ধাৰ্ম্মিকৰো মুক্তি বিষয়ে সন্দেহ কৰে। আৰু হিন্দুৰ তো "মোক্ষ মুদ্ৰৰ" মহামন্ত্ৰ আছেই। এই বোৰ ভাৱ চিন্তি মই অঠাই সাগৰত পৰিছোঁ। এটা সদ্‌যুক্তি দি সন্দেহটো ভাঙক।



জ্ঞানেন্দ্ৰ :—বোপা, তুমি আজি উৎকট প্ৰশ্নটো কৰিলা। যি প্ৰশ্ন লৈ স্মৃতিৰ অতীত—বুৰঞ্জীৰ অতীত—কালৰেপৰা এই পৃথিবীত মহা মহা বিপ্লৱ বোৰ ঘটিব লাগিছে সেই প্ৰশ্নৰ উত্তৰ দিয়া মোৰ পক্ষে অসম্ভৱ। আৰু স্বয়ং ব্যাসদেৱেও এই প্ৰশ্নৰ মীমাংসা কৰিব নোৱাৰি কৈ গৈছে

"বেদাঃ বিভিন্নাঃ শ্ৰুতয়ো বিভিন্নাঃ নাঽসৌ মুনিৰ্যস্য মতং ন ভিন্নম্।
ধৰ্ম্মস্য তত্ত্বং নিহিতং গুহায়াং, মহাজনো যেন গতঃ সপন্থা ॥"

অৰ্থাৎ বেদ শ্ৰুতি আৰু ধৰ্ম্ম মত অসংখ্য বিধৰ। ধৰ্ম্ম মীমাংসা যাৰে তাৰে "হাতৰ পাঁচ" নহয়। এতেকে তোমাৰ পূৰ্ব্ববৰ্ত্তী মহাজনসকল যেনেকৈ চলি গৈছে সেই মতেই চলা।

মনোৰাম :—দেউ এই কথাটি আৰু গোলমলীয়া কাৰণ ব্যাসদেৱৰ পাছৰপৰা আজিলৈকে এই পৃথিবীত বাটে ঘাটে হাবিয়ে নগৰে ইমান মহাজন হল যে তাৰ সংখ্যা কৰা টান হল। অৱশেষত দহ টকা সুদ খাবলৈ দি কুৰি টকা আদায় হোৱাৰ পাছতো হেজাৰ টকাৰ মাটি বাৰী কানি কাপোৰ ক্ৰোক কৰি দুভগীয়া ধৰুৱাক বাটৰ মগনীয়া কৰা কাঠচিতীয়া অৰ্থ লোভীতো "মহাজন" শব্দ পাটিহঁতে ধৰিলে। আৰু আনমতে চালেও এনে একোজন মহাজন পাওঁ যি গৰুৰে গাহৰিয়ে তহিলং কৰি খাইয়ো মহাজনে বোলাই গল। কোনোৱে বা সংসাৰৰ ভয়ত বুঢ়া মাক বাপেক, অসহায় শিশু সন্তানক হাহাকাৰত পেলাই হাবিয়নি সোমাই মহাজন হলগৈ। আন এজনে বা ঘৰতে সংসাৰ পাতি, ঈশ্বৰত মন অৰ্পণ কৰি আৰু মহজনতো তেনে বিধৰ ভক্তি প্ৰচাৰ কৰি মহাজন বোলাই গল। এনে অসংখ্য বিধৰ মহাজনৰ বাটে আমি চলিম!

জ্ঞানেন্দ্ৰ :—বোপা, তোমাৰ প্ৰশ্ন ইমান জটিল যে পোনে পোনে ইয়াৰ উত্তৰ দিয়া অসম্ভৱ। সকমুৱা কথাৰপৰা ইয়াৰ উত্তৰ দিবলৈ চেষ্টা কৰোঁ। প্ৰথমে চোৱা যি দেশত বৰ জান সেই দেশৰ মানুহে সেই দেশৰ উপযোগী কানি কাপোৰ আৰু খোৱা বস্তু নিজ বুদ্ধি মতেই উদ্ভাৱন কৰি লৈছে। গৰম দেশৰ মানুহেও গৰম দেশৰ উপযোগী কানি কাপোৰ খোৱা বস্তু কাঢ়ি লৈছে। আমাৰ ভাৰতবৰ্ষতো সেই দৰে দেশ ভেদত খোৱা লোৱা পিন্ধাউৰা প্ৰভেদ। আৰু এটি কথা চোৱা যে

বেলেগ বেলেগ দেশৰ মানুহৰ মনৰ ভাব নিজ নিজ দেশৰ উপযোগী অথচ বেলেগ বেলেগ ভাবৰ। ইংলণ্ডৰ মহাকবি চেক্সপিয়ৰ, পাৰস্যৰ ফাৰ্দ্দুচি, ভাৰতৰ কালীদাস; এই তিনি জনৰ কাব্যৰসৰ ভাব, দেশৰ অৱস্থা বেলেগ বাবেই বেলেগ। অথচ তিনি জনেই মহাকবি।

চেক্সপীয়েৰৰ ভাব ইংলণ্ড দেশৰ নিজ ভাব। ফাৰ্দ্দুচীৰ পাৰস্যীয় ভাব, কালীদাসৰ ভাৰতীয় ভাব। এনে কি সৰু লৰা ধুচুলুৱা সাধুকথা বোৰো এই তিনিখন দেশৰ বেলেগ বেলেগ অৰ্থাৎ নিজ নিজ দেশীয় ভাবৰ। এই দৰেই মানুহৰ ধৰ্ম্ম ভাবো দেশভেদত স্বকীয়া হোৱা স্বাভাৱিক। ধৰ্ম্ম শব্দৰ অৰ্থ যিহে ধাৰণ কৰে অৰ্থাৎ কোনো এখন দেশৰ সমাজক একে-ডাল ডোলেৰে বান্ধি এটাকৈ যি ভাবে ৰাখিব পাৰে সেই ভাবৰ নামেই ধৰ্ম্মভাব। দেশৰ বতাহ পানী বতৰৰ ভেদৰ লগে লগেই খোৱা বস্ত্ৰ কানি-কাপোৰৰ প্ৰভেদৰ নিচিনা মনৰ ভাব গতিও মানুহৰ বেলেগ বেলেগ হয়। আন আন দেশৰ কথা নধৰি ভাৰতবৰ্ষৰ কথাকে ধৰা। ইংৰাজ শাসনত যদিও ই এখন দেশ বুলি গণ্য হৈছে দৰাচলতে ই এখন মহাদেশ। ইয়াৰ এক অংশৰ বতাহ, পানী, মাটি, এনে কি চৰাই পহু গছগছনিও আন কোনো কোনো অংশবিলাকে সৈতে নিমিলে। সামাজিক আচাৰ ব্যৱহাৰ, পিন্ধা উৰা, খোৱা লোৱা আৰু ভাষা এই সকলোবোৰ বহুত প্ৰভেদ। এনেকুৱা প্ৰভেদ থকা একো অংশয়ে একোখন দেশ, যেনে পঞ্জাব, বিহাৰ, আসাম, বঙ্গ, উড়িষ্যা ইত্যাদি। এইবিলাক দেশৰ আচাৰ ব্যৱহাৰ আদি জাতীয় ভাবো বেলেগ বেলেগ। ভাৰতবৰ্ষৰ দেশবিলাকত আৰ্য্যসকলৰ পাৰিয়াল সৰহ হৈ চাৰিওফালে বিয়াপি গলত পোনতে ব্ৰহ্মাবৰ্ত্ত প্ৰদেশত হোৱা বৈদিক ধৰ্ম্ম কাৰ্য্যকৰী বা বিভিন্ন দেশ বিলাকৰ উপযোগী নোহোৱাত পৰিল। আৰু যেতিয়া ভাৰতৰ নানা দেশত সেই সৰল বৈদিক ধৰ্ম্মৰ বিকাৰ আৰু তাৰ ভয়ানক অসদ্ব্যৱহাৰ হবলৈ ধৰিলে আৰু যেতিয়া যেয়েসেয়ে একোটা ধৰ্ম্ম বাহিৰ কৰি নিজ নিজ স্বাৰ্থ সিদ্ধিৰ বাট মোকলাই ললে আৰু তাৰ ফলত যেতিয়া গোটেই ভাৰতত এটা নাস্তিকতা বিয়াপি মহাপ্ৰলয়ৰ নিচিনা হল সেই সময়তে শ্ৰীকৃষ্ণদেৱৰ অৱতাৰ। ধৰ্ম্মৰ তৎকালীন অৱস্থা আৰু মানুহৰ সেই সময়ৰ ভাব গতি চাই শ্ৰীকৃষ্ণদেৱে



দেশ কাল পাত্ৰোপযোগী কৰি সাৰ্ব্বজনীন ভাগৱতী নিষ্কাম ধৰ্ম্ম প্ৰচাৰ কৰে। কিন্তু কালত সেই নিষ্কাম ধৰ্ম্মও নানা দেশত বিকৃত হৈ পৰি আকৌ ধৰ্ম্মই বিভৎস ভাব ললে। এই সন্ধিক্ষণতে বুদ্ধদেৱৰ অৱতাৰ। সেইজনা অৱতাৰেও দেশ কাল পাত্ৰোচিত সাংখ্যমূলক বৌদ্ধ ধৰ্ম্ম ভাৰতত প্ৰচাৰ কৰে। কেইবা শতাব্দি যদিও এই বৌদ্ধধৰ্ম্মই ভাৰতত প্ৰভাব বিস্তাৰ কৰিছিল তথাপি পৰমেশ্বৰৰ ইচ্ছাত ভাৰতৰ "আবহাওয়াত" এই ধৰ্ম্ম তিষ্ঠিব নোৱাৰিলে। চীন, জাপান, তিব্বত, ব্ৰহ্ম আদি দেশত হে ই কাৰ্য্য-কৰী হৈ উঠিলগৈ আৰু এতিয়াও আছে। বৌদ্ধধৰ্ম্ম লোপ হোৱাৰ পাছতে আকৌ ভাৰতৰ মানুহে ধৰ্ম্মহীন হৈ প্ৰলয় ঘটাবলৈ ধৰিলে। বুঢ়াবুঢ়ীৰ সাধু, আৰু দীস্তিকাৰৰীয়া অসভ্যবিলাকৰ পূজাৰ আশ্ৰয় লৈ ঘৰে ঘৰে একোটা কিম্ভূতকিমাকাৰ ধৰ্ম্মৰ আচৰণ হবলৈ ধৰিলে। যেতিয়া দেখাগল যে মহাভাৰতীয় সংস্কৃত ভাষাৰ সাৰ্ব্বজনীন ধৰ্ম্ম সকলো দেশতে সমানে কাৰ্য্যকৰী নহয় তেতিয়াহে পৰমেশ্বৰ বা প্ৰকৃতিৰ বিধানমতে দেশে দেশে আগাপিছাকৈ প্ৰায় একে শতাব্দীৰ ভিতৰতে জনদিয়েক মনীষি পুৰুষ অৱতীৰ্ণ হৈ সেই পুৰণি ভাগৱতী ধৰ্ম্মকেই নিজৰ নিজৰ দেশৰ উপযোগী-ৰূপে অলপ-অচৰপ লৰচৰ কৰি প্ৰচাৰ কৰি দিলে। প্ৰাকৃতিকৰূপে স্বকীয়া এখন দেশৰ জাতীয়ভাবেৰে গঠিত ধৰ্ম্ম আন এখন স্বকীয়া দেশৰ সমাজৰ পক্ষে কাৰ্য্যকৰী আৰু ঈশ্বৰমুখী নহয় দেখিহে পৰমেশ্বৰৰ বা প্ৰকৃতিৰ এই লৰচৰৰ বিধান। এতেকে যিজন মহাজনৰ বা মহাপুৰুষৰ ধৰ্ম্ম তোমাৰ জাতীয় ভাব গঠন কৰাৰ উপযোগী আৰু ঈশ্বৰমুখী সেইজন মহাপুৰুষে উলিয়াই যোৱা বাটেহে তোমাৰ চলা উচিত। স্বাৰ্থত, ভুলত বা "মইৰৰ পণ্ডিত" এই বুদ্ধিত লোৱা আচহুৱা ধৰ্ম্ম ব্যক্তিবিশেষৰ কাচিৎ উপকাৰী হলেও সমাজৰ বা দেশৰ সৰ্ব্বসাধাৰণৰ পক্ষে সেই ধৰ্ম্ম নৰীয়া পেটতপৰা খুদ-কৰাইৰ দৰে মহা অপকাৰী হয়।

তুমি বুধিয়ক ডেকা, ঠাৱে চিয়াৰে কোৱা কথা হলেও বোধকৰোঁ তুমি বুজ পাইছা তোমাৰ পালনীয় ধৰ্ম্ম কোনটি?

মনোৰাম:—সেউ বঢ়িয়াকৈ বুজিলোঁ কিন্তু—

জ্ঞানেন্দ্ৰ:—বঢ়িয়াকৈ বুজিলা আকৌ "কিন্তুটো" কিহৰ?

মনোৰাম :—এটি গোহাৰি কৰোঁ। যি ধৰ্ম্মটি মোৰ পালনীয় বুলি আপুনি কৈছে সেই ধৰ্ম্ম যি সময়ৰ উপযোগী আছিল· আজিকালি জানো সেইটো সময়? সেই সময়ৰ মানুহৰ ভাব গতি চলন ফুৰণৰ আৰু আজি কালি আমাৰ ভাব গতি চলন ফুৰণৰ কিমান প্ৰভেদ! এতেকে আজি কালিৰ সুবিধাজনক কৈ সেই ধৰ্ম্মকেই অলপ লৰচৰ কৰি ললে নো কি বেয়া আছে?

জ্ঞানেন্দ্ৰ :—( হাঁহি ) বোপা, তোমাৰ প্ৰশ্নটো শুনি এটা কথা মনত পৰিল। বঙ্গাল দেশত এজন ডাঙৰ সাধু ভকত আছিল। তেওঁৰ নাম ৰামকৃষ্ণ পৰমহংস। তেওঁ এদিন তোমাৰে নিচিনা অলপ পাশ্চাত্য লেখা পঢ়া শিকা আৰু সেই গপতে ওফন্দি নিজে এটা সময়োপযোগী খিচিৰি ধৰ্ম্ম উলিয়াব খোজা ডেকাক শুধিছিল "তুমি যে ধৰ্ম্ম প্ৰচাৰ কৰোঁ কৰোঁ কৰিছা· ছাপ্ৰাচ্ কতা?" তাৰ অৰ্থ এই যে ধৰ্ম্ম প্ৰবৰ্ত্তন বা প্ৰচাৰ যাৰে তাৰে সাধ্যৰ ভিতৰৰ নহয়। নতুন এটি ধৰ্ম্ম প্ৰবৰ্ত্তাবলৈ পৰমেশ্বৰৰ প্ৰেৰিত একোজন মহাপুৰুষৰ দৰকাৰ। আৰু যাতে যেয়ে সেয়ে মহাপুৰুষ বোলাই মানুহক ঠগব নোৱাৰে সেই বাবে তেওঁক সকলোৱে "যি মূলা বাঢ়ে তাৰ দুপাততে চিনৰ" নিচিনা এটা অসাধাৰণ লক্ষণ আৰু ক্ষমতা দি পঠিয়ায়। সেই লক্ষণ বা ক্ষমতাটিকে মহাভক্ত ৰামকৃষ্ণই "ছাপ্ৰাচ" বুলিছিল। গতিকে পৰমেশ্বৰে তেওঁৰ কাজ কৰিয়েই আছে কৰিও থাকিব। তুমি বৰ্ত্তমানে যি পাইছা তাকেই লৈ থাকা আৰু সেই মতে সংসাৰ চলোৱা। আজিলৈ আৰু ইমানতে থাওক আজৰি পালে আহি থাকিবা। যি অলপঅচৰপ জানো মাজে মাজে তাৰে দুই একাষাৰ কম। ধৰ্ম্মসংস্কাৰৰ চিন্তা নকৰিবা। মনে মনে গীতাৰ সেই জগদ্বিখ্যাত মহামন্ত্ৰটি মনত ৰাখিবা।

"যদা যদাহি ধৰ্ম্মস্য গ্লানিৰ্ভৱতি ভাৰত।
অভ্যুত্থান মধৰ্ম্মস্য তদাত্মানং সৃজাম্যহম্॥"

( দুইৰো প্ৰস্থান )

শ্ৰীবৃহস্পতি শৰ্ম্মা।

---



# তেতিয়া আৰু এতিয়া।

( চিত্ৰ )

জিলাৰ নামজলা উকীল পীতাম্বৰ হাজৰিকাই অন্তিমৰ আগজাননী নোপোৱাৰ গতিকে সংসাৰৰ একো ব্যৱস্থা নকৰাকৈ যেতিয়া চিৰকাললৈ ইহজগতৰপৰা বিদায় ললে, তেওঁৰ একেটি সন্তান চৈধ্য বছৰীয়া লৰা নীলাম্বৰ অকলৈ সংসাৰ-সমুদ্ৰত কঁকবক্ কৰিবলৈ ধৰিলে! স্বৰ্গীয় পীতাম্বৰ হাজৰিকা এজন বৰ খৰচী ভদ্ৰলোক আছিল, তেওঁৰ আয় বিমান খৰচ দহগুণ আছিল। দুখিত নিৰাশ্ৰয়ৰ করুণ প্ৰাৰ্থনা শুনিলে তেওঁৰ হৃদয় দয়াৰ্দ্ৰ হৈছিল, তেওঁৰ টকাৰ মোনাৰ বান্ধো লগে লগে শিথিল হৈ পৰিছিল, তেওঁ দুখীয়াৰ দুখ মোচন নকৰাকৈ ভাতৰ পাতত নবহিছিল। তেওঁৰ জীবিতাৱস্থাতে তেওঁলোকৰ একেটি সন্তান নীলাম্বৰক মাতৃহীন কৰি তেওঁৰ সহধৰ্ম্মিণীৰ লোকান্তৰ ঘটে। মাতৃবিয়োগৰ পাছত পিতৃৰ স্নেহময় ডেউকাৰ তলতে নীলাম্বৰে উম লৈ আছিল; -এদিন তেওঁৰ দেউতাকেও তেওঁক বাটমাউৰা কৰি সংসাৰত নিজ ডেউকাৰ বলেৰে উৰিবলৈ এৰি দি নীৰৱে চকুলো টুকি ইহজনমলৈ বিদায় ললে।

দেউতাকৰ যি সম্পত্তি আছিল দেনদাৰবিলাকে টকাত মাৰি লৈ গল, যি বিলাকৰ বন্ধুত্ব, মিঠা মাত, আপোন বচন পাই পীতাম্বৰ হাজৰিকাই তেওঁৰ কষ্টাৰ্জ্জিত টকালৈ কেৰেপ নকৰি টকাক পোলাকটিৰ দৰে বিলাইছিল, সুতেক নীলাম্বৰৰ জীৱনত দুখৰ দল-বাদিষা অহাত সেই বসন্ত-কোকিলবোৰ সিহঁতৰ মৃদু মোলনা কুকুৱা মাত এৰি নতুন বসন্তৰ ঠাইলৈ উৰি গুচি গল। ঘৰত যি চাকৰ-বাকৰ আছিল সিহঁতেও বোপাদেউৰ ফালে উলটি নেচাই আন জীৱিকাৰ উপায় চিন্তিলে। -মাথোন বল নীলাম্বৰক সকলোৱে তুলি-তালি ডাঙৰ দীঘল কৰা হেন্দুস্থানী ভৃত্য ৰামৰতন। সুখত লালিত পালিত নীলাম্বৰৰ এই দুখৰ জীৱনৰ পাতনি হোৱাত ৰামৰতনৰ বিপুল বলবান দেহৰ মাজত বৈ থকা করুণাসোঁত আগতকৈ আৰু প্ৰবল বেগে ববলৈ ধৰিলে। ৰামৰতনে পোনতে নিজৰ হাতত থকা টকাৰেই নীলাম্বৰৰ পঢ়া-শুনা শোৱাবোৱাৰ খৰচ চলাবলৈ ধৰিলে, কিন্তু সেই টকাৰ যেতিয়া অন্ত পৰিল তেতিয়া গিয়ো বিযোৰত পৰিল।

জিলাৰ বস্থধৰ মুক্তিপ স্বৰ্গীয় পীতাম্বৰ উকীলৰ লগত হৰিহৰআত্মা আছিল। এই কথা সুঁৱৰি ৰামৰতনে ভাবিলে এবেলি এইজনা মুক্তিপৰ কাষত অলপ সহায় খোজা যাওক; কিন্তু সংসাৰ-ভাৰত জৰ্জ্জৰিত পেপুৱা লগা বস্থধৰ মুক্তিপৰ আগত যেতিয়া ৰামৰতনে সহায় খুজিলে, মুক্তিপে "জুয়া চোৰ হিন্দুস্থানী" বুলি তাক ঘৰৰ বাজ কৰি দিলে। ঘৰৰপৰা অপমান কৰি বাজ কৰি দিওঁতাবোৰক এসেকা দিবলৈ ৰামৰতনৰ দেহত প্ৰচুৰ বলশক্তি আছিল, কিন্তু লাঞ্ছিত ৰামৰতনে সেই বলৰ ব্যৱহাৰ নকৰি এখুজি দুখুজিকৈ নিজৰ ঘৰ পালেহি। এইদৰে ৰামৰতনে পীতাম্বৰৰ জীৱন-সখা কেবাজনা ডাঙৰীয়াৰপৰাও লাঞ্ছনা ভোগ কৰে. এই লাঞ্ছনা সি সহিলে কাৰ নিমিত্তে?—অকল নীলাম্বৰৰ কাৰণে। সেই অপমানৰ প্ৰতিশোধ ললেঃ তাৰ কাৰাদণ্ড হব পাৰে, হলে নীলাম্বৰক প্ৰতিপালন কৰিব কোনে? এই আশঙ্কাত তাৰ সপ্তপুৰুষৰ বল বীৰ্য্যৰ অপমান ৰামৰতনে নিমাতে সকলো সহি থাকিল।

কেতিয়াবা দেখা যায় প্ৰতাপী ক্ষমতাবন্ত মানুহৰ অন্তৰত হৃদয় নামে এটি বস্তুৰ একেবাৰে নাটনি পৰে, কিন্তু দুখীয়া নিচলা গাৱঁলীয়া মানুহৰ অন্তৰত কৰুণাৰ উৎস ফুটি উঠে, দীন-দুখীয়াৰ দুখ দেখিলে সমবেদনাৰ সুৰত হৃদয়ৰ কোমল তন্ত্ৰীবোৰ এটি এটিকৈ বাজি উঠে, দুখ মোচন কৰিবলৈ প্ৰাণ বিষ্ময়াকুল হয়, আনৰ গুণত হৃদয় উছলি পৰে, কৃতজ্ঞতাৰ আবেগত প্ৰাণ মন সকলো উত্তাৱল হৈ উঠে। যি সদাই জীৱনৰ পুষ্পময় বিস্তীৰ্ণ পথেদি বিচৰণ কৰিছে, তেওঁতকৈ, নিতৌ খোপময়া সংকীৰ্ণ বাটেদি খোজ কাঢ়োঁতা এজনে জীৱন-যাত্ৰাৰ দুৰ্গমতা দুখীয়া নিৰস্ৰয়ৰ দুখ অনুভৱ কৰাটো বেছি সম্ভাৱনা।

চৈধ্য বছৰীয়া লৰা নীলাম্বৰক যেতিয়া তেওঁৰ স্বৰ্গীয় পিতৃ দেৱতাৰ বন্ধুসকলে সহায় কৰক চাৰি এবেলি মৰমৰ মাতেৰে কৰুণ দৃষ্টিৰে উভতিকে নেচালে, ঠিক সেই সময়তে জিলাৰ ওচৰৰ গাওঁ এখনিত থকা শুকুলা গাওঁবুঢ়াৰ হৃদয় এই নিৰাশ্ৰয় লৰাটিৰ দুখ মোচনৰ কাৰণে চঞ্চল হৈ উঠিছিল। গাওঁবুঢ়া এবাৰ এটি অন্যায় গোচৰত পৰি উপায় হওঁ যেন হৈছিল, স্বৰ্গীয় পীতাম্বৰ উকীলে উপযাচি সেই মকৰ্দ্দমটো নিজে হাতত হৈ তেওঁক আগন্তুক বিপদৰপৰা সকবায়। আজি পূৰ্ব্বৰ কৃতজ্ঞতা সুঁৱৰি নীলাম্বৰৰ দুৰৱস্থাৰ



কথা জানি গাওঁবুঢ়াই শক্তি চাই নীলাম্বৰক সহায় কৰিবলৈ ওলাল। তেওঁ খেতি কৰি যি অলপ ধান পাইছিল তাৰে নীলাম্বৰ আৰু ৰামৰতনৰ জোখাই সদাই চাউলৰ যোগান দিবলৈ ধৰিলে। যেতিয়া আচল অন্নৰ সংস্থান হল ৰামৰতনৰ চিন্তা গুচিল। নীলাম্বৰে পুনৰ যেতিয়া থাই-বৈ স্কুললৈ যায় তেতিয়া ৰামৰতনে ওলাই এঠাইত কাম কৰেগৈ; তেনেকৈ যি টকা পায়, তাৰে যৈতে লোণ-তেলৰ খৰছ, লৰাৰ মাচুল, কিতাপ আদিৰ পইচা যোগাবলৈ ধৰিলে।

শুকুলা গাওঁবুঢ়াই নীলাম্বৰক নিজৰ সন্তান যেন দেখিছিল, মাজে মাজে তেওঁক গাৱঁলৈ নি ঘৰত বৰ যতনেৰে ৰাখিছিল, গাওঁবুঢ়ানীয়েও তেওঁক মাতৃবৎ স্নেহ কৰিছিল। তেওঁবিলাকৰ প্ৰধান যত্ন এই যে নীলাম্বৰে যেন কাচিতো পিতৃমাতৃৰ অভাৱ সুঁৱৰি নীৰৱে চকুলো টুকিব নেলাগে। এই গাৱঁলীয়া পৰিয়ালত নীলাম্বৰৰ আৰু এটি অভাৱ গুচিছিল। নীলাম্বৰৰ দুৰ্ভাগ্য, ভনীৰ স্নেহ কি তাক তেওঁ নেজানিছিল। গাওঁবুঢ়াৰ জীয়েক শীতলা নীলাম্বৰতকৈ সাত-আঠ বছৰৰ সৰু; নীলাম্বৰে গাওঁবুঢ়াৰ ঘৰলৈ সদাই অহাযোৱা কৰাত শীতলাই তেওঁক নিজৰ পৰিয়ালৰ যেন ভাবি আপোন ককাইদেৱেকৰ দৰে মৰম কৰিছিল। যি সম্বোধন তেওঁ কেতিয়াও কাৰো মুখৰপৰা পোৱা নাই সেই 'ককাই দেউ' সম্বোধন শীতলাৰ কোমল কণ্ঠৰপৰা উচ্চাৰিত হলে নীলাম্বৰৰ কৈশোৰ হৃদয়খনি কিবা এটি অননুভূত আনন্দত নাচি উঠিছিল। তেওঁ যদি কেতিয়াবা আমনজিমনকৈ বহি থাকে শীতলা আহি ককাইদেৱেকৰ আগত ওলালেই তেওঁৰ মনৰ বিষাদ কেনিবা আঁতৰিছিল। শীতলাৰ সুধাকণ্ঠৰ মৰমলগা কথা শুনি তেওঁ দুখ বেজাৰ সকলো পাহৰিছিল।

শুকুলা গাঁওবুঢ়াৰ পৰিয়াল আৰু ৰামৰতনৰ স্নেহত পালিত হৈ নীলাম্বৰে স্কুলতো ভাল ফল দেখুৱাবলৈ ধৰিলে। বস্থধৰ মুক্তিপে দুকুৰি টকা দি মাষ্টৰ ধৰি নিজৰ লৰাকিটিক পঢ়াইছিল, কিন্তু কাপোৰকানি সাজপাৰ ধুনপেচত তেওঁলোকে নীলাম্বৰক যিমান জঁয় পেলাইছিল, পঢ়াশালিৰ পঢ়াশুনা কাৰ্য্যত তেওঁলোক তিমানে নীলাম্বৰৰ ওচৰত পৰাস্ত হৈছিল। নীলাম্বৰে তেওঁলোকক চেৰ পেলাই পঢ়াশুনাত আগ বাঢ়ি যাবলৈ ধৰিলে; মুক্তিপৰ লৰায়ো

বাইচিকেল বাগী-ঘোৰাৰে নীলাম্বৰক প্ৰিছত পেলাই গল। কিন্তু যেনেকৈ কেতিয়াবা দুৰ্দ্দান্ত তেজী ঘোৰাই বাগীখন টানি বাট এৰি পথাৰেসমাৰে লৈ ফুৰে, সাৰথিৰ শত যত্নতো ৰাজহুৱা গন্তব্য বাটলৈ উভতি নাহে, সেইদৰে মুক্তিপৰ লৰাকিটিৰো মন ঘোৰাই চেকুৰ মেলাত বাট এৰি অবাটে যাবলৈ ধৰিলে! নীলাম্বৰে পদব্ৰজে খোজ কঢ়াত ভুলে-চুকেও তেওঁৰ অবাটে ভৰি নপৰিল। তথাপি বিয়াই-সবাহে বিহুৰে নিমন্ত্ৰণে সকলোতে হাকিমৰ লৰাইহে আগ মান আগ বটা পাবলৈ ধৰিলে। উৎসৱাদিত তেওঁলোক উপস্থিত হলে তেওঁলোকৰ মুখৰপৰা একেষাৰ কথা, এটি মিচিকীয়া হাঁহি পালে সকলোৱে চৰিতাৰ্থ মানে, তেওঁলোকক আদৰ সম্ভাষণ কৰিবলৈ অনেক হাত অনেক হৃদয় ব্যগ্ৰ হৈ উঠে। কিন্তু নীলাম্বৰ কোনো উৎসৱলৈ গলে কোনেও তেওঁলৈ কেৰাহিকৈ নকৰে; নীলাম্বৰে নীৰৱে এঠাইত থিয় হৈ উৎসৱ চাই থাকে, নাইবা হুমুনিয়া কাঢ়ি উৎসৱৰ ঠাই এৰি ঘৰলৈ আহি ৰামৰতনৰ মৰম সম্ভাষণৰ ভাগী হৈ সান্ত্বনা লাভ কৰে।

ইফালে হাকিমৰ লৰাকিটিয়েও পৈতৃক পিতাপৰ গুণেৰে সকলো ঠাইতে সমাদৃত হৈ নীলাম্বৰৰ পঢ়াশুনীয়া সুখ্যাতি বঢ়াত শিক্ষকসকলৰ ওপৰত পক্ষপাত দোষ আৰোপণ কৰিলে; আৰু নীলাম্বৰৰ মানসিক উৎকৰ্ষ তেওঁলোকৰ মানসিক অপকৰ্ষৰ লগত সমান কৰিবৰ নিমিত্তে নীলাম্বৰৰ নামে নোহোৱা নোপোৱা কথা অপবাদ ৰটিবলৈ ধৰিলে। পদুমনিত মাছ এটি যাওঁতে পানীত হেন্দোলনি তুলিলে যেনেকৈ পদুমৰ ঠাৰি কঁপি উঠে সেইদৰে সেই সপোনৰো অগোচৰ অপবাদৰ কথা নীলাম্বৰৰ কাণত পৰোঁতে তেওঁ পোনতে অলপ চক খাইছিল, কিন্তু লোকৰ গঞ্জনা গৰিহণা সহিবলৈ তেওঁৰ যথেষ্ট মনোবল আছিল, কল্পনাজাত মনেপতা অসত্যৰ বিৰুদ্ধে থিয় হোৱাটো তেওঁ শূন্যত টোপধ্বনিৰ নিচিনা অসাৰ বুলি ভাবিছিল। সেই দেখি শত্ৰুৱে প্ৰচাৰ কৰা নিন্দাৰ পিনে উদাসীন ভাব দেখুৱাই লোকৰ মুখত চুণ সনা দি তেওঁ অধ্যয়নত মন পুতি নিন্দুকৰ মুখ বন্ধ কৰিলে।

এইদৰে নীৰৱে নিৰ্য্যাতন সহি নীলাম্বৰে এদিন প্ৰবেশিকা পৰীক্ষাত থিতাপেৰে উঠি কুৰিটকীয়া জলপানী পাই কলেজত পঢ়িবলৈ গল, ইফালে নক্ষত্ৰ মুক্তিপে হেজাৰ মূৰ ভুকুৱায়ো বিএ পাচ কৰা ডুজন তিনিজন শিক্ষক



ধৰিও নিজৰ লৰা এটিকো প্ৰৱেশিকা দুৱাৰ পাৰ কৰাব নোৱাৰিলে। যি অন্ত্ৰত তীখা নাই শিলত শাণ দিলেও তাৰ চোক নুঠে, যাথোন শিলহে ক্ষয় যায়। মুক্তিপৰ অজস্ৰ অৰ্থপাত হল, তেওঁৰ লৰাকিটা পঢ়াশুনাত এখা-কেচেলীয়া যে স্বভাৱত দুৰ্দ্দান্ত হৈ উঠিল।

কলেজৰ অধ্যাপকসকলে নীলাম্বৰৰ চোকা বুদ্ধি আৰু নিষ্কলঙ্ক চৰিত্ৰৰ চিনাকি পাই তেওঁৰ ওপৰত জনসম্মানিত প্ৰশংসাৰ পুষ্পবৃষ্টি কৰিবলৈ ধৰিলে। নীলাম্বৰেও উৎসাহিত হৈ মহৎ আদৰ্শ আগত লৈ আগ্ৰহেৰে পঢ়াশুনা চলাবলৈ ধৰিলে। কিন্তু উচ্চশিক্ষাৰ কেন্দ্ৰস্থল কলেজতো নীলাম্বৰৰ নিৰ্ম্মল চৰিত্ৰত কলঙ্ক লেপন কৰিবলৈ বহুতে যত্ন কৰিছিল। এনেকুৱা অনেক মানুহ আছে যি অকল নিন্দা বা অপবাদৰ নিমিত্তেই লোকৰ মিছাতে কলঙ্ক উলিয়ায়, তাত তেওঁলোকৰ কিবা স্বাৰ্থসিদ্ধি হওক বা নহওক; আন যদি মহিমামণ্ডিত গৌৰৱৰ আসনত বহে, সেই আসনলাভ তেওঁলোকৰ সাধ্যৰ অতীত জানি মনেপতা কলঙ্ক অপবাদ ৰটাই অধিষ্ঠিতজনক সেই উচ্চ আসনৰপৰা নমাই নিজৰ লগত সমানে একে শাৰীতে ৰাখিবলৈ যত্ন কৰে। তেওঁলোকে আনৰ যশস্যা উন্নতি দেখিব নোৱাৰে; লোকৰ বিষয়ে মিছা কুৎসা ৰটাই, নিজৰ উন্নতিৰ যি অলপ অচৰপ আশা আছিল তাৰ গুৰিত নিজে বাগী কুঠাৰ মাৰে! এনে অহিতকাৰী নিন্দুকো নীলাম্বৰে বহুত পাইছিল। কিন্তু অধ্যাপকসকলৰ করুণাদৃষ্টি স্নেহবাক্য পাই, জনচেৰেক সচ্চৰিত্ৰ সুহৃদ বন্ধুৰ বিমল সংস্পৰ্শ লভি নীলাম্বৰে শত নিন্দুকৰ বাক্যবাণৰ জ্বালা-যন্ত্ৰণা পাহৰি থাকিব পাৰিছিল। তেওঁ দোপতদোপে শিক্ষামহলাত উঠি যাবলৈ ধৰিলে, আকাশৰ জ্যোতিষ্কমণ্ডলীৰ মাজেদি কোনো অধিকতৰ উজ্জ্বল গ্ৰহ বা নক্ষত্ৰ গলে যেনেকৈ কম জ্যোতিৰ তৰাবোৰে কক্ষভ্ৰষ্ট হোৱাৰ নিচিনাকৈ উফৰি উফৰি পৰি বাট এৰি দিয়ে, সেইদৰে নীলাম্বৰৰ মানসিক উজ্জ্বলতাৰ আগত কম জ্যোতিৰ প্ৰতিযোগিসকল ক্ৰমাৎ জঁয় পৰি আহিল।

চাৰি বছৰ কলেজত পঢ়ি তাত অশেষ প্ৰকাৰৰ শিক্ষা অভিজ্ঞতা লাভ কৰি অতি সন্মানেৰে বি-এ উপাধি লৈ নীলাম্বৰ ঘৰলৈ উভতি আহিল। ইতিমধ্যে তেওঁ বৃত্তিৰপৰা মাজে মাজে ৰামৰতনলৈ টকা পঠিয়াই ঘৰদুৱাৰৰ

বহুত উন্নতি সাধিলে। ৰামৰতনেও নীলাম্বৰক নিজৰ সন্তানৰ দৰে মৰম কৰি উদং ঘৰখন ধৰি আছিল। বিদেশৰপৰা খিতাপেৰে অলঙ্কৃত হৈ অহা নীলাম্বৰক আদৰ অভ্যৰ্থনা জনাবলৈ ঘৰত আন কেঁও নাছিল;— আছিল এক মাথোঁ সৰল হৃদয় একনিষ্ঠ বিশ্বাসী পিতৃতুল্য ভৃত্য ৰামৰতন। বি-এ উপাধি পোৱাৰ পাছত নীলাম্বৰে মুন্সিফৰ পদৰ নিমিত্তে গভৰ্ণমেণ্টলৈ আবেদন কৰিলে, গুণীৰ গুণ বুজোঁতা গৱৰ্ণমেণ্টৰ ওচৰত নীলাম্বৰৰ প্ৰাৰ্থনা পূৰ্ণ হব বুলি ঘুমুকঘানাকৈ খবৰ ওলাল।

ইতিমধ্যে শুকুলা গাঁওবুঢ়াৰ লোকান্তৰ হোৱাত তেওঁৰ বিধবা পত্নী চৈধ্যবছৰীয়া ছোৱালী শীতলা আইটীৰ নিমিত্তে বৰ চিন্তাত পৰিছে। বিধবাৰ নিজৰ নিমিত্তে একো চিন্তা নাই, কিন্তু তেওঁৰ যুৱতী জীয়েকৰ নিমিত্তে নিতৌ শঙ্কাত থাকিব লাগে। দুখীয়াৰ শত্ৰু সৰহ, কি জানিবা কাহানি কাৰোবাৰ মুখত কি দুৰ্যশ কলঙ্ক ওলায়—এই অঠাই চিন্তাত বিধবা সদাই মগন।

বিদেশত আহোঁতেই নীলাম্বৰে গাঁওবুঢ়াৰ মৃত্যুৰ কথা শুনে, বুঢ়াৰ মৃত্যুত নীলাম্বৰ দ্বিতীয়বাৰ পিতৃহীন হয়। এতিয়া আহি তেওঁ ৰামৰতনৰ মুখে সকলো শুনিলে। গাঁওবুঢ়াই মৃত্যুৰ পূৰ্ব্বে ঘৈণীয়েক আৰু জীয়েকক এই বুলি কৈ যায় —"কেতিয়াবা দুখত পৰিলে আমাৰ নীল বোপাৰ ওচৰত হাত পাতিবি, আন কাৰো ওচৰত নেলাগে।" অন্নদাতা গাঁওবুঢ়াৰ এই অন্তিম বাণী শুনাত তেওঁৰ দুধাৰি কৃতজ্ঞ চকুলো বৈ গল, তেওঁৰ হৃদয়ত আগৰ কথাবোৰ এটি এটিকৈ উদয় হল; সকলোৱে যেন তেওঁক হানিছে থুচিছে, অকল শুকুলা গাঁওবুঢ়াই দুই বাহু মেলি যেন তেওঁক আকোঁৱাল মাৰি ধৰিছে! তেওঁ ঘৰলৈ অহাৰ পাচদিনাখনেই গাঁওবুঢ়াৰ ঘৰলৈ গল।

শীতলা আইটীৰ আজিকালি আৰু আগৰ অৱস্থা নাই। তেওঁৰ প্ৰতি অঙ্গতে নৱ যৌৱনৰ নবীন সৌন্দৰ্য্য লাৱণ্য মাধুৰী বিয়পি পৰিছে। এডাল কুসুমমঞ্জৰিত লতা বতাহে উৰাই আনি যেন এই বিধবাৰ পুষ্পহীন চোতালত পোখাই দিছেহি। তেওঁক অলক্ষিতে আহি যৌৱনে আদৰি ধৰিছে। শীতলা আইটীৰ এই যৌৱন শ্ৰী দেখি বিধবাৰ যিমান সুখ আনফালে তেওঁৰ তিমান দুখ; এই সৌন্দৰ্য্য এই মাধুৰী এনেই পৰি



আছে; যিজন জন্মদাতা, এই পূৰ্ণ বিকশিত ফুলটি দেখি আনন্দ পাবলৈ আজি তেওঁ সংসাৰত নাই!

নীলাম্বৰ বিধবাৰ ঘৰ পাওঁতে তেওঁক আগবঢ়াৰে "ককাইদেউ আহিছে" বুলি শীতলাই পদূলি মুখৰপৰা আদৰি নানিলে, তত্ৰাচ বোধকৰোঁ জিলিঙ-নিয়েদি দুটি লাজকুৰীয়া চকুৰ তৃষাতুৰ দৃষ্টিয়ে তেওঁক নীৰবে সম্ভাষণ জনাইছিল। নীলাম্বৰে জননীস্বৰূপা গাঁওবুঢ়ানীৰ পদধূলি লৈ এখনি চালপীৰাত বহিলহি, নীলাম্বৰক দেখি বিধবাৰ চকুজুৰি ছলছলীয়া হৈ আহিল। আজি চাৰি বছৰৰ মূৰত দেখাদেখি, নীলাম্বৰৰ চকুজুৰি আনন্দলোৰে পূৰ হল। চুৰিয়াৰ আগেৰে চকুলো মচি তেওঁ বিধবাৰ লগত কথা পাতিবলৈ ধৰিলে। কিন্তু গম্ভীৰ প্ৰকৃতি নীলাম্বৰৰ চকু দুটি কিবা বিচাৰি যেন চঞ্চল হৈ উঠিল। মনৰ বেগ পৰ্ব্বতীয়া জুৰিৰ নিচিনা, কেতিয়াও আবদ্ধ হৈ থাকিব নোখোজে, থাকিলে অশেষ মনোবেদনাৰ কাৰণ হৈ উঠে। অৱশেষত নীলাম্বৰে কলে "আই, শীতলা ক'ত?" এই বুলি কোৱাত তেওঁৰ গাল দুখানি ৰঙা হৈ উঠিল, তাৰ লগে লগে বেৰৰ আঁৰত থকা আৰু দুখানি গাল ৰঙা হৈ উঠিছিল। মাকে ভিতৰলৈ গৈ শীতলাক হাতত ধৰি নীলাম্বৰৰ আগলৈ আনি কলে —"লাজ কৰ কিয় হয়? আমাৰ বোপাহে।" শীতলাই লাহেকৈ চকুজুৰি তুলি নীলাম্বৰৰ মুখলৈ চালে; চাৰি চকুৰ মিলন হোৱাত চকু দুজুৰি স্থানান্তৰিত হল। শীতলাৰ এই সৰল মোহলগা চাওনিত নীলাম্বৰে এখনি নতুন জগতৰ যি নতুন সংবাদ পালে সেই সংবাদ তেওঁ কলেজৰ সাহিত্য-দৰ্শন-বিজ্ঞান একোতে পোৱা নাছিল। শীতলায়ো নীলাম্বৰৰ চকুজুৰিত যি অমৃতময় আবেগ অনুভৱ কৰিলে তাক তেওঁ গৃহস্থালিৰ কোনো কাৰ্য্যতে আগেয়ে অনুভৱ কৰা নাছিল। দুয়োৰে হৃদয়ৰ নিভৃততম কোণত থকা কিবা এটি ভাবক উজ্জ্বল কৰা এটি বিজুলী ৰেখা বৈ গল, দুয়োৰে অৰুণ বৰণৰ গাল দুখনিত দুটুপি ঘাম বিৰিঙিয়ালে। চকুৱে চকুৱে পৰা, দৃষ্টি আঁতৰা-আঁতৰি হোৱা, আৰু গালত ঘামে দেখা দিয়া এই তিনটি কাম এক মুহূৰ্ত্তৰ ভিতৰতে অলক্ষিতে সম্পন্ন হৈ গল। তাৰ পাছত গৃহস্থালিৰ গোটাচেৰেক কথা শুধি নীলাম্বৰে বিধবাৰপৰা বিদায় ললে।

বাটত আহোঁতে নীলাম্বৰৰ চকুৰ আগত শীতলা আইটীৰ তৰুণ যৌৱন

শ্ৰীৰ প্ৰতিচ্ছবিখন ভাহি'লৈ ধৰিলে। তেওঁ ঘৰলৈ গৈ তেওঁৰ ভবিষ্যৎ জীৱনৰ বিষয়ে বহুত ভাবিলে, তেওঁ কেনেকৈ অন্নদাতা শুকুলা গাওঁবুঢ়াৰ ঋণ শুজিব, যাৰ করুণাত যাৰ ঘৰমত তেওঁৰ মৰুময় চেমনীয়া জীৱনত সুখৰ বৃষ্টিপাত হৈছিল সেই গাওঁবুঢ়ানী সেই শীতলা আইটীৰ তেওঁ কিৰূপে উপকাৰ সাধিব ;—তেওঁ নিজে ইয়াৰ সিদ্ধান্ত কৰিবলৈ থিৰ কৰিলে, আৰু ৰামৰতনৰো পৰামৰ্শ শুধিলে। ৰামৰতনে নীলাম্বৰৰ কথাবাৰ্ত্তাত আজি এটি নতুন পৰিবৰ্ত্তন লক্ষ কৰিলে। ৰামৰতনৰ মুখত শীতলা আইটীৰ আৰু প্ৰশংসা নধৰে ; কয়,—"বোপা, এনে হুচিয়াৰ ছোৱালী মই জন্মতো দেখা নাই। মোৰ মা হক, মই তেওঁক শিৰত তুলি ৰাখিম" !

কেবাদিনো পৰামৰ্শৰ পাছত থিৰ কৰিলে, নীলাম্বৰে শীতলা আইটীক বিয়া কৰি এই পঙ্কাগ্ৰ অকলুষিত বিমল পদুমপাহী হাতত তুলি লব, আৰু এঠাইত চাকৰিৰ ঠিক হলেই সেই শুভ পৰিণয় সম্পন্ন কৰিব। তেওঁ জানিছিল যে সেই নিমিত্তে তেওঁ অনেকৰ গঞ্জনা সহিব লাগিব ; কিন্তু স্বাৰ্থপৰ লোকৰ নিন্দা গৰিহণা সহি তেওঁৰ হৃদয় বজ্ৰৰ দৰে কঠিন হৈ আছে, তাত ই একো নতুন আঘাত কৰিব নোৱাৰে। তেওঁ আকৌ ভাবিলে, শীতলাক বিয়া কৰিলেনো লোকে তেওঁক গঞ্জনা দিব কিয় ? শীতলাৰ নাই কি ?—তেওঁৰ গুণ আছে, তেওঁৰ সুনিৰ্ম্মল সুপবিত্ৰ যৌবন কান্তি আছে, সেয়ে যথেষ্ট ; হবপাৰে তেওঁ দুখীয়া গাৱঁলীয়া ঘৰৰ সন্তান, কিন্তু তেওঁৰ পিতৃমাতৃৰ নিচিনা হৃদয় নীলাম্বৰে তো আন কোনজনত বিচাৰি নেপালে। গতিকে তেওঁৰ হৃদয়ক এই আশ্বাসেৰে স্বাৰ্থপৰ পৰশ্ৰীকাতৰসকলৰ বাক্যবাণৰ বিৰুদ্ধে সজ্জিত কৰিলে।

নন্দধৰ মুন্সিপৰ ষোল বছৰীয়া কন্যা ইন্দুমতী যৌবন-জোৱাৰত টলমল হৈ আছিল। মুন্সিপে ভালেমান দিনৰেপৰা হৃদয়ত এটি বাসনাক ঠাই দিছিল,—তেওঁ ইমান যত্ন কৰিও ইমান টকা ভাঙিও তেওঁৰ এটি লৰাকো প্ৰকৃত মানুহ কৰিব নোৱাৰিলে, সেইদেখি জীয়েক ইন্দুমতীক এটি উপযুক্ত শিক্ষিত লৰালৈ বিয়া দি তেওঁৰ হেপাহ পূৰাব। পূৰ্ব্বে নন্দধৰ মুন্সিপে নিৰাশ্ৰয় বন্ধুসন্তান নীলাম্বৰক কেৰাহিকৈয়ে নেচাইছিল, কিন্তু যেতিয়া নীলাম্বৰৰ জীৱন-প্ৰভাতৰ কুৱলিত আচ্ছন্ন হৈ থকা ভাগ্য-ৰবি দুখ-ডাৱৰৰ



আৱৰণ কাটি জীৱনৰ দুপৰীয়াত উজ্জ্বল হৈ জলিবলৈ ধৰিলে, যেতিয়া বীজয়লক্ষ্মীৰ সিংহচাব তেওঁৰ কপালত মুদ্ৰিত হল, তেতিয়া নন্দধৰ মুন্সিপে তেওঁক আপোন কৰিবলৈ চেষ্টা কৰিলে। হাকিমে কেবাদিনো নীলাম্বৰক ঘৰলৈ মাতি নি নানা প্ৰলোভন দেখুৱালে, এনে কি ইন্দুমতীৰ দুচকুৰ লগত নীলাম্বৰৰ দুচকুৰ মিলন ঘটাবলৈ পাৰেমানে যত্ন কৰিলে, কিন্তু গহীন স্বভাৱ নীলাম্বৰৰ একনিষ্ঠ হৃদয়ৰ একো বিকাৰ নঘটিল, তেওঁ অসিধাৰাব্ৰত পলাদি অটল অচল হৈ থাকিল। যেতিয়া তেওঁ ভালকৈ বুজিব পাৰিলে, মুন্সিপৰ এনে অযাচিত মৰম সমাদৰক এটি স্বাৰ্থপৰ ভাবে সৰ্ব্বাঙ্গ আবৰি ৰাখিছে, তেওঁ তেতিয়াৰেপৰা নিমন্ত্ৰণ আদি দলিয়াই পেলাবলৈ ধৰিলে। এনে কি ভুলেচুকও তেওঁৰ চাৰি সীমাত ভৰি নিদিয়া হল।

এইদৰে নীলাম্বৰে যেতিয়া কেবাজনাও কন্যাদস্ত বিষয়া-বিষয়ানীৰ আশাত কুঠাৰ মাৰি গাঁৱলীয়া ঘৰৰ জীয়াৰী শীতলা আইটীক বিয়া কৰিবলৈ ওলাল, তেতিয়া তেওঁৰ ওপৰত নিন্দাৰ শিলাবৃষ্টি হল, লোকে তেওঁক গৰিহণা দিবলৈ ধৰিলে, আটায়ে মুখ আমোলাই পুৱা গা ধোওঁতে নৈত, দুপৰীয়া কছাৰীঘৰত, গধূলি চ'ৰাঘৰৰ মেলত কোৱামেলা কৰিবলৈ ধৰিলে—'ইমান লেখা পঢ়া শিকি অৱশেষত নীলাম্বৰৰ এই গেলা বৰালীতহে চকু পৰিলগৈ !'

এনেতে এদিনা গৱৰ্ণমেণ্টৰপৰা নীলাম্বৰে এখনি টেলিগ্ৰাম পালে, তেওঁ মুন্সিপ পদত নিযুক্ত হৈছে। এই বতৰা শুনি সকলোৱে চমক খালে, শত্ৰুৱে লাজত তলমূৰ কৰিলে ; ভৰিত কাৰ্পেটৰ জোতাৰ ওপৰত ৰেংমৰ হাফমোজা পিন্ধা, ফিৰ্‌ফিৰীয়া পাতৰ চাদৰ আৰু সোণৰ ঘৰিৰে শৰীৰ শুৱনি কৰা, নানাবিধ এচেন্‌চ্ গোন্ধ তেলেৰে মূৰৰ চুলিৰ সুবাস বঢ়োৱা মুন্সিপতনয়সকলে নীলাম্বৰে এই পদবী পোৱাত একেবাৰে কৌচ খালে। হাহানি বোলে কোনোবা এজন উচ্চাকাংক্ষী ৰজাই নগৰত অসংখ্য বত্তি জলাই চন্দ্ৰ কিৰণক পৰাস্ত কৰিব খুজিছিল, এতিয়া মুন্সিপৰ সন্তানসকলেও হীৰাপতোৱা সোণৰ আঙ্গঠি আৰু জকমক সোণৰ চেইনৰ উজ্জ্বলতাৰে নীলাম্বৰক নিষ্প্ৰভ কৰি দিবলৈ চেষ্টা কৰিলে। তাত কৃতকাৰ্য্য নহৈ তেওঁলোকে নীলাম্বৰ শীতলাৰ বিয়াখন ভাঙিবলৈ বৰ পুৰুষাৰ্থ কৰিছিল, কিন্তু নীলাম্বৰৰ ধীৰ অচল হৃদয়ৰ আগত তেওঁলোকৰ সকলো চেষ্টা নিষ্ফল হল।

মুক্তিপ নীলাম্বৰৰ বন্ধুত্ব কৃপাদৃষ্টি পাবলৈ আজি অনেক জনৰ একমাত্ৰ অভিলাষ হল। তেওঁৰ জীৱনৰ সুখৰ বসন্ত উভতি অহাত সেই কুলিবোৰ আকৌ উভতি আহিল। তেওঁলোকে ক'লে—"এৰা, আমাৰ উকীলৰ লৰাহে। আমি সকবেপৰা লৰাৰ বুদ্ধি ভৰসা ভাল বুলি জানো।" ইত্যাদি কথাৰে এটায়ে তেওঁক আপোন বোলাবলৈ ধৰিলে,। আগেয়ে যিসকলে শীতলাৰ বাবে-পাচি খুৎ দেখিছিল তেওঁলোকৰ মুখেদি এতিয়া শীতলাৰ অজস্ৰ প্ৰশংসা বৰবলৈ ধৰিলে, ক'লে.—"গাৱলীয়া ঘৰৰ হলে নো কি হল? শীতলাৰ নিচিনা ৰূপৱতী গুণৱতী ছোৱালী নগৰত বা কেইজনী?"

মুক্তিপ পদ পোৱাৰ মাহচেৰেকৰ পাছত শীতলা আইটীৰে সৈতে নীলাম্বৰৰ শুভ বিবাহ সম্পন্ন হৈ গল। তেওঁৰ বিয়াৰ উদ্যোগত জিলাৰ মানুহ উবুৰি খাই পৰিছিল। নিমন্ত্ৰিতেৰে ঘৰ ভৰি গৈছিল।

নীলাম্বৰৰ ঘৰত শীতলা আইটীৰ পদৰেণু পৰাত ঘৰ উজ্জ্বল হৈ উঠিল, সেই পোহৰত নীলাম্বৰে এখনি সুখময় নতুন সংসাৰ দেখিলে. ৰামৰতনে আনন্দময়ী জননীৰ প্ৰসন্ন মূৰ্তিত অপূৰ্ব্ব জেউতি দেখা পালে, গৃহস্থালিৰ প্ৰতি অঙ্গতে গৃহলক্ষ্মীৰ সন্তোষৰ মিচিকীয়া হাঁহি বিয়পি পৰিল।

"অৰুণ"

---

## পৰগণীয়া আৰু গ্ৰামোফন।

( ১ )

এঠাইত এজন বাবুৱে নতুনকৈ গ্ৰামোফন এটা আনি মেজৰ ওপৰতে বজাই আছে। সেই সময়ত গুমুতাৰ ভিতৰত মাধোন পৰগণীয়া চাকৰটো; সি একান্ত মনে শুনি শুনি চাই আছে। এনেতে কিবা এটা কথাত বাবুজন ভিতৰলৈ সোমাই গল। পৰগণীয়া চাকৰটোৱে ভাবিলে যে—নিশ্চয় এই কলটোৰ ভিতৰত কোনোবা মানুহ সোমাই আছে তাকে ভাবি সি প্ৰথমে কেউফালে লুটিয়াইপুটিয়াই চাই "হৰ্ণ"টোৰ ওচৰলৈ মুখখন নি শুধিছে—"কুনি হা, ভিতৰত, কাঁয় আছা, নামতা কিয়া হা?" সি এই দৰে গোলমাল কৈ থাকোতে বাবুজন আহি দেখি অবাক!



( ২ )

## গৰীয়া গোঁসাই।

আঁহত পুলি এজোপাৰ তলতে মিকিৰ এটাক পূজা কৰি থকা দেখা পাই মুচলমান এজনে গৈ শুধিলে—"কি কৰিছ"? মিকিৰে কলে "আমাৰ গোঁসাইক আমি পূজা কৰিছোঁ।" আকৌ মুচলমানজনে কলে—"কোনটো তোৰ গোঁসাই?" মিকিৰে আঁহত পুলি জোপাকে দেখুৱাই দিলে। মুচলমানজনে গৈ তাৰে পাত কেটামান ছিঙ্গি আনি নিজৰ তপিনাত ঘঁহি ললে আৰু কলে যে—"চা, তোৰ গোঁসায়ে মোক একো কৰিব নোৱাৰে!" মিকিৰে চাই তবধ লাগিল, মুচলমানজন এফালে গুচি গল গৈ!

ইয়াৰ কিছুমান দিনৰ পাছত মিকিৰটোৱে এদিন মুচলমানজনক গৰুবাট এটাৰ কাষৰতে বহি থকা দেখা পাই সুধিলে—"কি কৰিছ?" মুচলমানজনে কলে—"পূজা কৰিছোঁ।" মিকিৰে শুধিলে-"কাক?" মুচলমানজনে কলে "গোঁসাইক।" আকৌ মিকিৰে কলে—"দেখুৱাই দে তোৰ গোঁসাইক?" মুচলমানজনে আগতে থকা চোৰাত পুলি এজোপাকে দেখুৱাই দিলে। মিকিৰৰ সেই দিনাৰ অপমানটো মনতে আছিল; একেজাপেই সি গৈ কেউখিলা পাতকে ছিঙ্গি আনি তপিনাৰ কেউফালে ভালকৈ ঘঁহি লৈ ভোঁ ভোঁ কৰে গুচি যাবলৈ ধৰিলে। অলপ দূৰ যোৱাৰ পাছত বিজবিজুৱা যেন গম পাই লাহে লাহে সি খজুৱাই দিলে। যেই খজুৱাই দিলে, তাৰ আৰু তৰণি নোহোৱা হল। সি আকৌ লৰি আহি মুচলমানজনৰ ভৰিত দীঘল দি পৰি "তোৰ গোঁসায়ে মোক ধৰিছে, কি কৰিম এতিয়া ঐ!" বুলি কান্দিবলৈ ধৰিলে। মুচলমানজনে ভয় নাই ভয় নাই, সৌৱা খালতে পানী আছে ধুই পেলাগৈ বুলি কোৱাত, মিকিৰটোৱে ছচলুমান পানী লৈয়ে, চিয়ঁৰি "গৰীয়া গোঁসায়েহে গোঁসাই ঐ! আমাৰ গোসাঁইত একো নাই!" বুলি জাপৰ ওপৰত জাপ দি ধাপলি মেলিলে!

এম, মোছলেহ উদ্দিন আহম্মদ।

---

# "ইছলাম-সোপান"

অসমীয়া ভাষাত এই বহুমূলীয়া সৰু কিতাপখনি দেখা পাই যথাৰ্থতে আমি বৰ সুখী হৈছোঁ। লেখোতা—ডিব্ৰুগড় হাই স্কুলৰ মৌলবী আজিজোৰ ৰহমান চাহ। আমি কিতাপখনি দেখি চাহ চাহেবৰ শলাগ লৈছোঁ, আৰু আশা কৰোঁ সকলো অসমীয়াই লব। আমাৰ হিন্দু ভাই সকলে কিতাপখনি পঢ়ি চাই মুচলমানী ধৰ্ম্ম সম্পৰ্কে বহুতো কথা জানিব পাৰিব বুলি আশা কৰিব পাৰোঁ। বৰ্ত্তমান প্ৰবন্ধটি এই কিতাপৰ আলোচনা বা সমালোচনা নহয়, কিন্তু কব লগীয়া দুটিমান কথাৰ উপলক্ষহে মাত্ৰ।

আমি মুচলমান, কিন্তু অসমীয়া। আমাৰ মাতৃভাষাও অসমীয়া। আমি এই ভাষাৰ চৰ্চ্চা আৰু উন্নতিলৈ কামনা নকৰি জাতীয়তাৰ গুৰিত যে কিমান পৰিমাণে হাবি বন গজিবলৈ আৰু সুবিধা দিছোঁ তাক সেই নেদেখাজনেহে দেখিছে। আমাৰ ধৰ্ম্মৰ ৰীতি-নীতিবোৰ ভালকৈ জানিবলৈ সাধাৰণ মুচলমানবিলাকে যে কিমান অসুবিধা আৰু লাঞ্ছনা ভোগ কৰিব লগাত পৰিছে তাক যি দেখিছে সিহে বুজিছে। আমাৰ ভাষাত তেনেকুৱা কোনো কিতাপ নথকাত সাধাৰণ মুচলমানবিলাকে বাধ্য হৈ দোভাষী বঙ্গলাৰ পদ্যাকাৰে লেখা কিতাপবোৰ পঢ়ি যেনে তেনে প্ৰকাৰে কৰ্ত্তব্য কামবোৰ চলাই আছে। কিন্তু সেই কিতাপবোৰ যে কিমান শুদ্ধ তাক জনা-শুনা মানুহে হে ভালকৈ বুজে। পদ্যতকৈ যে গদ্যৰে লেখা কথা কিমান উজু আৰু সকলোৰে বুজিবপৰা তাক সকলোৱেই জানে। আমাৰ সাধাৰণ মুচলমানৰ ভিতৰত অসমীয়া ভাষাৰ চৰ্চ্চা নিচেই নাই বুলিলেও একো বঢ়াই কোৱা নহয়; এনে কিয় হৈছে কোনোবাই কব পাৰে নে? মুচলমানৰ ধৰ্ম্মটোৱেই আগ, আৰু সেয়েই যত মুচলমানো তত।

যি ভাষাৰ চৰ্চ্চা কৰিলে ধৰ্ম্ম কামৰ একো উপকাৰত নাহে সেই ভাষাৰ চৰ্চ্চা কৰাত আমাৰ লাভটো কি? এই কাৰণেই মুচলমানৰ লৰা ছোৱালীয়ে ৫।৬ বছৰৰপৰাই আৰবী বৰ্ণমালাৰ "আলেফ, বে"—আৰম্ভ কৰে। এইটো কৰা আমাৰ উচিত আৰু কৰ্ত্তব্য, নহলে আমি পৃথিবীৰ মুচলমানৰপৰা বাজ হব লাগিব, তেতিয়া হলে আমাৰ অস্তিত্বই লোপ পাব। মুচলমানৰ একতা আৰু ধৰ্ম্ম ক্ৰিয়াদিৰ কাৰণে আৰবী লাগে, তাক কোনেও গুচাব নোৱাৰে, গুচালেই আমি একতাৰপৰা ফাটি পৰিম। সেই বুলি যে তাৰ ব্যাখ্যাদি অসমীয়া ভাষাত হব নোৱাৰে এই কথা আমি মানি লব নোপোজোঁ। কিয়নো,—জগতৰ প্ৰত্যেক সভ্য ভাষাৰ মানুহেই নিজ নিজ মাতৃভাষাৰ সহায়ত আৰবী ভাষাৰ "কোৰাণ চৰীফ" আৰু "হদিচ চৰীফ" বৰ সহজ ৰকমে আয়ত্ত কৰি লৈছে। হায়, আমি দুৰ্ভগীয়া অসমীয়া মুচলমান!—এক "কোৰাণ চৰীফ"ৰ দুৱাৰমুখ পাবলৈকে সম্পূৰ্ণ তিনটা (উৰ্দ্দু, ফাৰ্চী আৰু বঙ্গলা) বিদেশী ভাষাৰ নঙলা পাৰ হব লাগে। কেতিয়া আমাৰ অসমীয়া মুচলমানে সাৰ পাব, কেতিয়া মাতৃ ভাষাৰ চৰ্চ্চা কৰি এই পতিত অসমীয়া মুচলমান জাতিটোক দাঙ্গি ধৰি পৃথিবীৰ প্ৰধান জাতিবোৰৰ লগত একাসনত বহুৱাব পাৰিব আৰু কেতিয়ানো অসমীয়া সাহিত্যিক মুচলমান এদল ওলাই অসমীয়া সাহিত্যৰ গৌৰব বঢ়াব? কোনোবাই ইয়াৰ প্ৰতিধ্বনি কৰিব নে?



জাতীয়তা গঢ়িবলৈ আৰু তাৰ উন্নতি কৰিবলৈ হলে বাতৰি কাকত আৰু মাহিলী আলোচনী কাকতৰ বিশেষ দৰকাৰ। সেয়ে নহলে জাতীয় উন্নতি নহয় আৰু সি স্থায়ী নহয়। অসমত আমি এটা স্বতন্ত্ৰ অসমীয়া জাতি হৈ প্ৰকাশ হব নোপোজোঁ; হিন্দু মুচলমান দুয়ো মিলি এটা জাতি হোৱা সুবিধা। বৰ্ত্তমান আমাৰ—"বাঁহী," "উষা," "আলোচনী" আৰু "আসাম বান্ধৱ"ৰ বাহিৰে জাতীয় আন মাহিলী আলোচনীৰ নাম উল্লেখ কৰিবলৈ এখনিও নাই। এই কাগজবোৰ অসমীয়া যেতিয়া এয়েই আমাৰ, আৰু ইয়াৰ উন্নতি কৰিব পাৰিলেই আমাৰ উন্নতি হল বুলি ধৰিব লাগে। প্ৰত্যেক মুচলমানেই এই কাগজবোৰৰ গ্ৰাহক আৰু পাঠক হৈ লেখক হবলৈকো চেষ্টা কৰিব লাগে। ওপৰত লেখা কাগজ চাৰিখন অসমীয়া হিন্দুৰ একচেতীয়া নহয়, তাত আমাৰো পূৰ্ণ অধিকাৰ আছে। এই আলোচনীবিলাকত ধৰ্ম্মৰ কথা এৰি তোমাৰ জাতীয় ইতিহাস গোটেইটো লেখ অসমীয়া সাহিত্যত তোমাৰ জাতিটো বেছ উজ্জ্বল কৰি থব পাৰা। চিৰকাল তুমি লোকৰ বীৰ কাহিনী শুনোতেই জীৱন কটাব লাগিছা;—তোমাৰ মাজতো যে—

কত শত ইতিহাস-বিখ্যাত বীৰ, ধাৰ্ম্মিক আৰু জগতপূজ্য মহাত্মাই জনম লৈ বাকী সকলোলৈকে আদৰ্শ হৈ গৈছে তোমাৰ সাহিত্যত তাৰ নাম গোন্ধো নাই। এইবোৰ যদি তুমি নিজে আঙুলিয়াই কাকো দেখুৱাই নিদিয়া তেন্তে আনে আৰু কোনে দেখুৱাই দিব ? যদি তোমাৰ এই কাহিনী-বোৰৰ ভাৰ লবলৈ অসমীয়া আলোচনীবোৰ অপাৰগ তেন্তে তুমিও স্বতন্ত্ৰ আলোচনীলৈ যত্নবান হোৱা। কিন্তু সেইটো অন্যায় আৰু অসম্ভৱ হব। অসমীয়া আলোচনীয়ে সদায় বুকু পাতি আছে—কেতিয়া মোৰ অসমীয়া মুচলমান পো কিটাই মোৰ বুকুৰ মাজলৈ আহিব আৰু কেতিয়া মই আকোঁ-ৱালি ধৰি চকুৰ পানী মছিবলৈ পাম। হায়, মুচলমান! তুমি সেই আশা পুৰাবা নে ?

অসমীয়া মুচলমানে অসমীয়া সাহিত্যৰ চৰ্চ্চা নকৰাৰ বাবেহে আজি—"অসমীয়া ইছলাম সোপান"ৰ মাজত বহুতো উৰ্দ্দু ফাৰ্চী শব্দ দেখিবলৈ পাইছোঁ। এদিন যে সেইবোৰ লোপ পাই তাৰ ঠাইত সৰল আৰু সুল-লীত অসমীয়া শব্দ দেখিবলৈ যে নেপাম তাৰ কিবা মানে আছে জানো ?

আমি ( অসমীয়া জাতিটো ) বাস্তৱিকতে বহুত বিষয়ত লোকতকৈ পাছ পৰা। কি একতাত, কি জাতীয়তাত কি ব্যৱসা বাণিজ্যত, কি সাহিত্যত কোনো ফালেই আমি মুখ উলিয়াব পৰা নাই। আমি দুখীয়া যে দুখীয়া কেউফালেই দুখীয়া। আমাৰ সাহিত্যও বৰ চহকী বুলিব নোৱাৰি। আমাৰ সাহিত্যত নো আছে কি ? জগতত যিবোৰ বিষয় আছে সেই সকলোবোৰৰেই অলপ নহয় অলপ আন আন সভ্য সাহিত্যৰ ভিতৰত গোন্ধ পাবলৈ আছে, কিন্তু আমাৰ সাহিত্যত সেইবোৰৰ কিবা বুলিবলৈ কিবা আছে নে ?

আন আন জাতিৰ মানুহবিলাকে ইংৰাজী আদি সাহিত্যবোৰৰপৰা নানান তথ্য উলিয়াই নিজৰ সাহিত্যক এনে দৰে টনকীয়াল কৰে যে শেষত সি আদৰ্শ সাহিত্যৰ লগতো ফেৰ পাতিব পৰা হয় গৈ। আমাৰ চুবুৰীয়া বঙ্গালী সাহিত্যলৈকে এবাৰ মন নকৰোঁ কিয় ? ভাবিবলৈ বা বিচাৰিবলৈ গলে দেখোন ইংৰাজীৰ তালে তালেই যায়। আজিৰ—"পৃথিবীৰ ইতিহাস" গ্ৰন্থত দেখোন বঙ্গালীক চিৰদিন পৃথিবীত অমৰ কৈ



ৰাখিব। হায়, অসমৰ হিন্দু মুচলমান! সেইবোৰৰ লগত তোমাৰ আসন যে ক'ত তাক তুমিয়েই জানা।

জগৎ! আমি মৰ জাতি নহওঁ, আমাৰ গাটো চেতনা আছে, কিবা পাপত পৰিহে আমি ইমান দিন আৱষ্ট আৰু বাক্‌শক্তি হীন হৈ পৰি আছিলোঁ। কিন্তু এতিয়া আমাৰ সেই দুৰ্দ্দিন উকলিছে, টোপনি ভাগিছে আৰু মোহো কাটিছে; আমিও আমাৰ চিনাকী দিবলৈ সাজু হৈছোঁ। তুমি আশিৰ্ব্বাদ কৰা—আমি উঠিপৰি লাগি যাওঁ।

এম, মোছলেহ উদ্দিন আহমদ।

---

# এটি কথা।

বৰ্ত্তমান কালৰ ইংৰাজৰ নিচিনা ৰাজত্ব আগেয়ে হোৱা নাই। এওঁ-বিলাকৰ দিনত গুণত মান, দোষত দণ্ড। সিপিনে যমৰ নগৰতো দোষত দণ্ড, গুণত পূজা। তাৰ প্ৰমাণ,—যদি খৰিস্তাৰী হজুৱা এটাই পুণ্য উপাৰ্জ্জন কৰে তাৰ বৈকুণ্ঠত ঠাই হব; ডাঙৰ মহাজন অধিকাৰেও যদি পাপ কৰে তেওঁৰো নৰকত ঠাই হব। ইংৰাজৰ আইন মতেও নিঃকিন জাতিৰ ল'ৰা এটিয়েও যদি ভাল বিদ্যা উপাৰ্জ্জন কৰিব পাৰে সি মুনচিফ্ কিম্বা সব্ ডিপুটি হব পাৰে। যদি ভদ্ৰলোকৰ ল'ৰা এটিয়ে ভাল বিদ্যা উপাৰ্জ্জন কৰিব নোৱাৰে তেতিয়া হলে তেওঁ গৱৰ্ণমেণ্টৰ কাম পোৱা দূৰত থাওক অৱশেষত ভিক্ষা কৰি খাব লাগিব। বৰ্ত্তমান কালত সকলো বিলাক স্বতন্ত্ৰ, যেয়ে যেনে ইচ্ছা কৰে সেই মতেই থাকিব পাৰে। আৰু ইতস্ততঃ ভ্ৰমণ কৰিবলৈ গলে যেনে সুবিধা লাগে তাক পোৱা যায়। তেওঁলোকৰ খ্ৰীষ্টান ধৰ্ম্মলৈ কাকো তেওঁলোকে বলেৰে নিনিয়ে, কেৱল অনেক বক্তৃতা দি বুজায় যে ঈশ্বৰত ভক্তি হব লাগে; যাৰ ইচ্ছা হয় সি সেই ভক্তি লয়, যাৰ ইচ্ছা নহয় সি নলয়, তাতো কোনো আপত্তি নাই। এনে সুবিধা পাই আমাৰ দেশী লোক সকলোৱে প্ৰাচীন নিয়মবিলাক এৰি সকলো ইংৰাজৰ নিচিনা চলন ফিৰণ খাদ্য আৰু পোছাকবিলাকৰ অনুকৰণ কৰিছে, তাত ইংৰাজ বাহাদুৰৰ বাধাও নাই, বিধিও নাই, সকলো ইচ্ছাৰ

কথা। নকল কৰোঁতাসকলে এইটো ভাবি চোৱা নাই যে তেওঁলোকক কেনেও ইংৰাজ নোবোলে। তেন্তে নকলৰ আৱশ্যক কি?

প্ৰথমতে বাপুসকলে ৰজা প্ৰজা আৰু জাতিৰপৰা ভয় নাইকিয়া বাবে নিত্যকৰ্ম্মাদি কৰিবলৈ এৰিলে।

মহন্তসকলে জীৱতৰণৰ উপায় নকৰি স্বাৰ্থপৰ হৈ শিষ্যবপুৰা চাউল একঠা পইচা গোটাদিয়েক পাবৰ কাৰণে শৰণ ভজন আৰু দীক্ষা মন্ত্ৰ দি ফুৰে! সকতে ল'ৰাটি অন্য কোনো মহন্তই শৰণ লগাই বুলি বিচাৰ কৰি আনি বলে ছলে কলে কৌশলে কোনোমতেই শৰণ কিম্বা দীক্ষা দি দহ চনীয়া পট্টাত নাম ভুক্ত কৰে! সেই দিনাৰপৰা যথোচিতৰূপে প্ৰতিবছৰে কৰ বৰঙনি আদাই কৰিবলৈ কাৰবাৰ লগায়। কস্মিনকালেও উপযাচি গুৰুজনে শৰণীয়া শিষ্যজনক ধৰ্ম্ম কৰ্ম্ম ৰীতিনীতি সদাচাৰ একোকে নিশিকায়, কেৱল মাত্ৰ মোক পইচা দে, এই মাত্ৰ কাৰবাৰ, আৰু পৰকালৰ ফালে কাৰ কি গতি হব সেই ফাললৈ কাণকে নকৰে। বেছি পইচা যি শিষ্যই দিব পাৰে সেইজনেই প্ৰধান শিষ্য, তেওঁ সোঁ শৰীৰেই বৈকুণ্ঠগামী হব আৰু তেৱেঁই গুৰুৰ প্ৰসাদ খাবৰ যোগ্য হব পাৰে। আৰু যিজনে গুৰুক পইচা দিব নোৱাৰে তাৰ একেবাৰেই অধোগতি হব আৰু সেই লোক জনে পৰকালতো গতি নেপায়। সেই লোক জনৰ পইচাৰ অভাৱ হোৱাত তেওঁ মালামন্ত্ৰ লবলৈ যোগ্য হব নোৱাৰে! গুৰুৱে দুখীয়া শিষ্য দেখিলে ঘিণ কৰে আৰু যদি কোনো সময়ত কোনো কোনো শিষ্যই ভক্তিযুক্ত হৈ গুৰুক দৰ্শন কৰিবৰ কাৰণে যায় তেতিয়া গুৰুক প্ৰণাম কৰা মাত্ৰেই এইমাত্ৰ সম্বোধন কৰে যে তেওঁ পইচা কি দিছে?

টকা নে, আধলি নে, সিকি নে, আদহীয়া? পইচাৰ নামেই নোলায়। যি টকাসিকা দিছে বুলি কয় তাক হলে ধনীয়া নিৰ্ম্মালি সহ মিঠই আদি দি জলযোগ কৰাই আনিবৰ কাৰণ আলধৰাক হুকুম কৰে! যদি টকাৰ ওপৰে কোনো শিষ্যই দিয়ে তাক গুৰুৱে কিমান সন্ত ব্যৱহাৰ কৰিবলৈ ধৰে যে সেই বিষয়ে আমি কবলৈ গলে এখনি সৰুসুৰা ৰামায়ণ পুথি হব। এই বিষয়ে শ্ৰীযুত কমলাকান্ত ভট্টাচাৰ্য্যৰ চিন্তাৰ ঢৌত যি লেখিছে তাক পঢ়িলে সকলোৱে জানিব পাৰিব, লিখা বাহুল্য মাত্ৰ।



বিশেষত শিষ্যসকলেও যিসকল গোসাঁইৰ ধন আছে আৰু ৰজাৰ দিনৰ পৰা মান মৰ্য্যাদাও আছে সেইসকলকেহে ডাঙৰ গোসাঁই বুলি মানে, দৰিদ্ৰ হলে যদি অতি ধাৰ্ম্মিকো হয় আৰু গুণবান হয় তথাপি তেওঁলোকক কোনো শিষ্যই মান নকৰে। ৰাজদত্ত বা ৰাজমন্ত্ৰীদত্ত মাটি বাৰী যাৰ আছে সেইসকলকে বৰ গোসাঁই বুলি আমাৰ দেশৰ মানুহবিলাকে স্বীকাৰ কৰে! তাৰ ফল কি? যি জনাই মাটি শিষ্য দি গোসাঁই পাতি গৈছে সকলো ধৰ্ম্ম কিন্তু সেই জনেইহে পায়; এই কাৰণে শঙ্কৰদেৱ আৰু মাধৱদেৱে ৰজাক শৰণ নিদিলে, সম্পত্তিও নললে। এওঁৰ ফালে কেৱল ছাল বাকলিমুপি থাকে এই কাৰণে দেৱলীয়া বাপুসকলক মানুহে হেয় জ্ঞান কৰে। আৰু শিষ্য-গুৰুৰ সম্বন্ধ কি তাক ভাবি নেচাই কেৱল ৰজাৰ আহিৰে গোসাঁই থাকে! প্ৰজাৰ আহিৰে শিষ্য থাকিব লাগে, তেহে শিষ্যগুৰুৰ মনতো অলপ বাৰ লাগে! প্ৰকৃততে শিষ্য পুত্ৰও পুত্ৰ, বীজ পুত্ৰও পুত্ৰ, এই কথা ভাবি নেচায়। আৰু কোনো গোসাঁইয়ে অহঙ্কাৰতে বিদ্যা বুদ্ধি উপাৰ্জ্জন নকৰে; ইফালে কোনো কোনো অধিকাৰৰ শিষ্যবিলাকে এম, এ, বি, এ, বিদ্যা-সাগৰ বিদ্যাবিনোদ আদিকৰি বিদ্যা উপাৰ্জ্জন কৰিছে; পিছে সেই শিষ্যৰ গুৰুৱে ক খ লৈছেহে; তেনেহলে সেই গুৰুৱে কি প্ৰকাৰে সেই শিষ্যক ভক্তি দিব? এই কথাৰ একো বিচাৰ নহল; কেৱল দোলাই থোৱাই দমদমীয়া কৰি যিজন যায় সেইজনেইহে গোসাঁই; যিজন খচকি যায় তেও গুণী হলেও মান সৎকাৰ নাপায়! আমাৰ দেশত কেৱল অৱস্থাত হে পূজা, গুণত একো নাই; কিন্তু ইংৰাজ বাহাদুৰৰ হলে গুণতহে পূজা অৱস্থাত নাই। পূৰ্ব্বকালত শঙ্কৰদেৱে পুতেকক অযোগ্য দেখি ধৰ্ম্ম কৰ্ম্মৰ ভাৰ নিদি মাধৱ-দেৱক দিলে, কাৰণ তেওঁ গুণবান আছিল। ইয়াৰ দ্বাৰাই বুজা গল পূৰ্ব্বকালত আমাৰ দেশতো গুণৰ মান আছিল। মাজ ভগণত যেতিয়া আমাৰ দেশৰ মানুহসকল স্বাৰ্থপৰ হৈ ধনৰ আকাঙ্ক্ষা বেছি কৰিবলৈ ধৰিলে তেতিয়াৰ পৰাহে আমাৰ দেশত গুণৰ পূজা নাইকিয়া হল আৰু তাৰ মোল নজনা হল! কথাতে কয়।

বোলে মই মহা পাপী নামৰ কঙ্গাল
চিকাৰূপৰ ভিতৰত ধৰম সোমাল

এই দৰে হলে আমাৰ দেশৰ কি উন্নতি হব? এতিয়া আমি এটি কৰ্ম্ম কৰা আৱশ্যক;—এখনি সংস্কৃত টোল হব লাগে; সেই স্কুলত অকল সংস্কৃত বিদ্যা হলেই নহয়, তলত লিখা সকলো বিষয় হব লাগে। প্ৰথমতে নাম লগোৱা, (২) পাঠক, (৩) কিৰ্ত্তনীয়া গায়ন বায়ন (৪) ওজা (৫) ওজাপালী (৬) নটুৱা (৭) সূত্ৰধাৰী (৮) পৰমাৰ্থ (৯) শৌচ (১০) সদাচাৰ (১১) ৰীতি (১২) নীতি (১৩) ধৰ্ম্ম (১৪) কৰ্ম্ম (১৫) শিষ্য গুৰুৰ সম্বন্ধ, গুৰুৰ কৰ্ত্তব্য কৰ্ম্ম, শৰণ ভজন লোৱাৰ কাৰণ কি, ইত্যাদি সেই স্কুলত শিক্ষা হব লাগে। সেই স্কুলত যি যি ছাত্ৰই পৰীক্ষাত পাছ হৈ চাৰ্টিফিকেট পাব তেওঁৰেই নিজ সত্ৰত অধিকাৰ হব পাৰিব, পাছ কৰিব নোৱাৰিলে অধিকাৰ হব নোৱাৰিব। এনেকুৱা বান্ধ থাকিলে মহন্তসকলৰ লৰা বিলাকে পঢ়িব আৰু বিদ্যা উপাৰ্জ্জনো হব। এনেকুৱা এখন ইস্কুলৰ অভাৱত আমাৰ একেবাৰেই শেষ হৈছে, সেই কাৰণে এখনি স্কুল পাতিবৰ নিমিত্তে সাধুসকলে কাৰবাৰ কৰা আৱশ্যক। এই বিষয় আমাৰ শ্ৰীযুত হেমচন্দ্ৰ গোস্বামী মহোদয়, শ্ৰদ্ধাস্পদ শ্ৰীযুত পুৰাৰাম অধিকাৰ মহন্ত আৰু শ্ৰীযুত কমলাকান্ত ভট্টাচাৰ্য্য মহোদয়ে যি প্ৰস্তাৱ আমাৰ আগত কৰিছিল আমি সাদৰপূৰ্ব্বক তেওঁলোকৰ কথা সমৰ্থন কৰিছোঁ। আৰু ঈশ্বৰকো খাটিছোঁ। যেন সেই কাৰ্য্য সোনকালে পৈণত হৈ উঠে আৰু আসামবাসী সকলো মহন্তক খাটোঁ। যেন এই বিষয়ত সকলোৱে যোগ দান দিয়ে। অৱশেষত মিনতি কৰি সকলোকে জনাইছোঁ। যেন আমি এই কথা লেখাৰ বাবে কোনেও দোষ নধৰে কাৰণ আমাক অনেকে বেয়া বোলাতহে এই কথা লেখিলোঁ, আমাৰ অশিক্ষিত অৱস্থাৰপৰাহে এনেকুৱা দুৰ্নাম হৈ পৰিছে।

আৰু এফাকি কথা মনত পৰিল;—যদিও পৰমেশ্বৰৰ কৃপাত ইস্কুলৰ জন্ম হয়, তাত সাধাৰণ মহন্তৰ লৰাবিলাকে পঢ়িবই, কিন্তু ডাঙৰ ডাঙৰ গোসাঁই-সকলে মনতে ভাবিব "আমি নপঢ়োঁ, আমাৰ শিষ্যবোৰ কোনে নিব পাৰিব? আমি অতুল সম্পত্তিৰ অধিপতি; আগৰপৰা যেনেকৈ চলি গৈছে এতিয়াও সেই দৰেই চলিব, আমি কেতিয়াও লোকৰ পৰাধীন হৈ বিদ্যা নাৰ্জ্জোইক আৰু আমাৰ লৰায়ো পঢ়িব নেলাগে। আমি নাম গাব নেলাগে, কাৰণ



নামলগোৱা আছে, ভকত আছেই; আমাৰ লেখিব নেলাগে, কাৰণ কাকতীয়ে সেই কাম কৰিবই; পৰমাৰ্থ শিকিব নেলাগে, কাৰণ আমাৰ বাজমেধি পাঁচনি ইত্যাদিয়ে শিকাব, এইবোৰ কথাই আমাৰ ওচৰ নেপাইহি! কেৱল কোনোমতে সকবেপৰা কাৰবাৰ কৰি শৰণৰ কথা কিতা ভাটৌৱে শিকাদি শিকি লব পাৰিলেই হয় আৰু ভাল কৰি মঠুৰাপুৰীয়া পাগ মাৰি পাটৰ বৰ চুৰিয়া সিংখাপৰ চোলা দোলা ঘোৰা হাতী ইত্যাদি উঠি ফুৰিলেই হব।" যদি এনেবুলি তেওঁলোকে প্ৰস্তাৱ কৰে তেতিয়া নো আমাৰ ইস্কুলৰ ফালে কি গতি হব আৰু চান্দা কোনে দিব, স্কুলৰ তত্বাৱধান কোনে লব? আকৌ যদি এই দৰে কয় আমাৰ পঢ়িবৰ মন হলে ঘৰতে পঢ়িম, তেতিয়ানো আমাৰ স্কুলৰ গতি কি হব? শ্ৰীৰাধিকানাথ দেব গোস্বামী

---

# ঠুনুকী।

গাবোৰ জীয়ৰী গাভৰু ঠুনুকী,
মাকৰ চকুৰ মণি,
দেখনে শুৱনে ৰাণা পাহাৰত
নাচিছ তেনে ফুলনী।
খেলাত ছোৱালী, ঘৰুৱা কামত
হাৰ মানে বয়সীয়া।
স্বভাৱ চৰিত্ৰে তেনে নিৰমল
টান বিতীয়টি পোৱা।
খেনালে আজলী সকলে বাপেক,
ককায়েক, দুটি ভাই,
মাকটী নহলে সংসাৰত আৰু
আপোন বুলিব নাই।
এথাকুটা হৈ, তথাপি আছিলে
নিলগে নিলগে এটি,
চুৰুৰিতে থকা ভুকাং বুঢ়াৰ
আদৰৰ ভেকা লেটি।

লোণ, মাহ, তেল শুকান মাছাদি
কেতিয়াবা লগা হলে,
কচু জলকীয়া বোজা বান্ধি লৈ
সলাৰ হাটলৈ গলে,
ঠুনুকীৰ লগ নেৰিছিলে লেটি
ভাবি ভানো দুখ পায়,
বোজা বেচি হলে আজলী ঠুনুকী,
কোনে পতিয়াব হায় !
চুণুটুৰামান মাছৰ লগত
বাতিয়েই পুৰি থোৱা,
কৰকৰা ভাত যি অলপ পায়
কাপোৰত বান্ধি লোৱা,
লাগিলেই ভোক, গছৰ তলত
উলিয়াই দুয়ো লৈ
খাইছিলে বহি মনৰ সুখত
কত কথা কৈ কৈ ।
"ঠুনুকী ঠুনুকী ! অতি আদৰৰ
অতি হেপাহৰ ধন,
তুমি অবিহনে প্ৰাণৰ ঠুনুকী
লোকালয় ভাবো বন ।
"ঠুনুকী ! তোমাক নেদেখিলে মই
দিনতে এন্ধাৰ দেখোঁ,
একেৰি আঁতৰি থাকিলে ঠুনুকী
পল যুগ যেন লেখোঁ ।
"কবানে ঠুনুকী, কবানে এবাৰ
আশাৰ প্ৰতিমা মোৰ,
কেতিয়াবা হেৰা পৰিবনে বাক
মোৰ ই চিন্তাৰ ওৰ ?"
কত কথা এনে শুধিছে লেটিয়ে,
ঠুনুকী উত্তৰ হীনা,
কিয়বা ছিঙিব খোজে তাৰ হায়
বাজিব খুজিলে বীণা ।
মুকুতাৰ দৰে, মাজতে ওলোৱা,
দুটোপা চকুৰ পানী



কি বুজাব দুটি হমুনীয়া লৈ
হিয়াৰ যাতনা আনি !
এনেতে এদিন মাকে ঠুনুকীক,
পুৱাই থাকোতে শুই,
কলে "আই ঠুনু, চাপিলেহি মোৰ
ওচৰ পৰিব শুই ।
"নোশোৱাতে মই যদি ঠুনু তোৰ
দেখিলোঁহেঁতেন জোৰ,
মনৰ সুখত শেষ কাল এই
কটালোঁহেঁতেন মোৰ ।"
কোঁচ মোচ খাই ঠুনুকী উত্তৰ
লগালে "যদিহে আই,
বেজাৰ নোপোৱা কওঁ কথা এটি
দোষ হলে মোত নাই ।
"কথকে মোৱাবোঁ, লেটিক দেখিলে
কিয় আই মোৰ মন,
কিনো আনন্দত, কিনো উলাহত,
নাচি উঠে ঘনে ঘন ।
"ওচৰতে পালে লেটিক, পাহৰোঁ
সকলো যন্ত্ৰণা দুখ,
দিয়া আই মোক দিয়া আশীৰ্ব্বাদ
লভিম অনন্ত সুখ" ।
জীয়েকৰ কথা শুনি মাকে কলে
হমুনীয়া কাঢ়ি এটি,
মোৰে মুৰ খাব এৰ দুখ আই,
দুখীয়াৰ লৰা লেটি ।
"শুন আৰু ঠুনু, এদিনৰ কথা,
বুঢ়াই মাৰিলে বৰা,
মেজানো তুফালে কেতিয়াবা হেনো
কৰি থইছিলে থোৱা ।
"মিছা কথা কৈ, মিছা মেল পাতি
ফাকি দি বৰাটো নিলে,
বঙ্গ খেমালিৰে হাঁহি খালে আই,
এখুটুৰা যদি দিলে !

"কৈছিলে তেতিয়া বুঢ়াই আমাৰ
মনৰ দুখত আই,
কেতিয়ালো তেওঁ পাব এটি দিন
প্ৰতিশোধ লব হায় !
"মনৰ হেপাহ মনতে থাকিল,
বুঢ়া গল আই মৰি,
তই ঠুনু মোৰ অতি আদৰৰ,
নহনে তাৰে জীয়ৰী ?
"মোৰ মূৰ খাব এৰ ইটি ভাৱ,
কথা ৰাখ তই আই,
চহকি ঘৰৰ কত ডেকা ঠুনু
আছে তোৰ ফালে চাই" ।
মনৰ যাতনা মনতে লুকাই
নেমাতি ঠুনুকী বল,
দুটি মাহ যাব নেপাওঁতে হায়
মাকো এৰি গুচি গল ।
আহিল চহকি ডেকা কত, পাব
ঠুনুকীক আশা লৈ,
কি ভাবি আছিলে ওচৰতে লেটি
বহি তলমূৰ কৈ ।
অনুগ্ৰহ-চকু পৰে কাৰ ফালে
আছিল সকলো ভাবি,
এনেতে লগালে ঠুনুকীয়ে মাত,
"সউ যে দেখিছা হাবি,
তাকেই কৰিম পূজা হেৰা মই,
সেয়ে স্বামী হব মোৰ,
পাৰো যদি হেৰা বন্ধু কৰি লম
বনৰীয়া জন্তবোৰ ।
"চাবিৰ চৰাই হিয়া খুলি গালে
অমিয়া সুৰত গীত,
জলিলে পৰাণ, কাণ পাতি হেৰা
কৰি লম হৰষিত ।
"তোমা। মূৰ লেটি, তোৰা এটিবাৰ,
ঠুনুকী অভাগী অতি,



পাহৰা সকলো অতীতৰ কথা,
ফিৰোৱা তোমাৰ মতি ।
"থাকা সুখে তুমি বাঞ্ছা এই মোৰ,
আৰু কোনো আশা নাই,
আইৰ আদেশ পেলাওঁ কিমতে !
নিষ্ঠুৰ বিধাতা হায়" !
"কপালত যাৰ দুখ লেখা আছে
খণ্ডাব কোনেৰা পাৰে ?
নদীৰ সোঁতক থমাব খুজিলে
ভীম পৰাক্ৰমো হাৰে ।
"নেপাবা বেজাৰ, তুমি লেটি মোৰ
চিৰ চেনেহৰ ধন,
তুমি অবিহনে ভাবা নেকি মোৰ
শান্তিত থাকিব মন ?
"ৰাণী পাহাৰত বিচাৰিলে পাবা
গাভৰু কত ধুনীয়া,
শেষ অনুৰোধ লেটি এই মোৰ,
তাৰে এটি বাছি লোৱা" ।
কথাও ঢুকাল, বিজুলীৰ বেগে
ঠুনুও অদৃশ্য হ'ল,
গাভৰু সমাজে গাব এটি হায়
গীত মাথো পৰি ৰ'ল ।
লাগিল বিষম লেটিৰ মনত,
প্ৰতিজ্ঞা কৰিলে ঘোৰ,
"প্ৰাণৰ ঠুনুকী জনমে জনমে
তুমিহে তুমিয়ে মোৰ" ।
নিমিষ নেমাৰি ঠুনুকীৰ ভগা
পজাটিকে চাই চাই
বিষাদৰ ছুটি দুখুনীয়া কাঢ়ি
পেলালে কি জানো থাই ।
খন্তেক পাছতে ধুনীয়া দেহাটি
মাটিত বাগৰি ৰ'ল,
নিভাঁজ প্ৰেমৰ চানেকিটি থৈ
লেটি অন্তৰ্দ্ধান হ'ল ।

তাহানিৰ দৰে ৰাণী পাহাৰত
আজিও ম'ৰাই নাচে,
তাহানিৰ দৰে গছ গছনিক
বসন্তে বৰণ যাচে।
তাহানিৰ দৰে ৰিব্ ৰিব্ কৈ
মলয় বতাহ বয়,
তাহানিৰ দৰে ডেকা গাভৰুৱে
হাঁহি হাঁহি কথা কয়।
তাহানিৰ দৰে ইফালে সিফালে
ফুলে বননিৰ ফুল,
তাহানিৰ দৰে এজাৰ, পোহৰ,
তৰাৰ গুৱনি ফুল।
তাহানিৰ দৰে ডেকা গাভৰুৱে
আজিও হাটলৈ যায়,
তাহানিৰ দৰে ভোক লাগিলেই
কৰ্কৰা ভাতকে খায়।
তাহানিৰ দৰে বাঘ বৰা পহু
ইফালে সিফালে ফুৰে,
তাহানিৰ দৰে গাবোৰ ডেকাই
ধনু কাঁড় লৈ ঘূৰে।
তাহানিৰ দৰে নিজৰা ৰূপশী
ঘূৰে সুখগীত গাই,
টুলুকী লেটিৰ দেখাদেখি হায়
তাহানিৰেপৰা নাই!

শ্ৰীস।

---